# অসম বিধান সভা অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী

**তাৰিখ ঃ ২০/০২/২০১৮ মঙলবাৰ**

**আজি ইংৰাজী ২০-০২-২০১৮ তাৰিখে পুৱা ০৯.৩০ বজাত অসম বিধান সভাৰ বাজেট অধিৱেশন পূৰ্ব নিৰ্দ্ধাৰিত সময়সূচী মতে অনুষ্ঠিত হয়**

**মাননীয় অধ্যক্ষ ঃ** Question No. 141. Minister please.

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত আছে।

**শ্ৰী নাৰায়ণ ডেকা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নৰ উত্তৰ পাইছোঁ তথাপি দুটামান কথা মোৰ ক'বলগীয়া আছে। আমাৰ প্ৰাথমিক শিক্ষাক সংবিধানে এতিয়া মৌলিক অধিকাৰ হিচাপে মান্যতা দিছে। বিশেষকৈ গ্ৰামাঞ্চলৰ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত গুনগত শিক্ষা দিয়াৰ ক্ষেত্ৰত এতিয়াও বহুখিনি কৰিব লগীয়া আছে আৰু ইয়াৰ ক্ষেত্ৰত প্ৰধান অন্তৰায় হিচাপে আমাক প্ৰত্যাহ্বান আগবঢ়াইছে ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক- শিক্ষয়িত্ৰীৰ বিষয়টোৱে অধ্যক্ষ মহোদয়, মোৰ জিলাখনত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক -শিক্ষয়িত্ৰীৰ সংখ্যা যিটো teachers people ratio 1:17 মোটামুটি। এইটো সন্দেহজনক। কিন্তু মোৰ বৰক্ষেত্ৰীৰ যিটো খণ্ড তাত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক শিক্ষয়িত্ৰীৰ অনুপাত 1:34 almost. এইটো অতিকৈ দুখ লগা অৱস্থাত আছে। আনকি ডাঙৰ কথা অধ্যক্ষ মহোদয়, মোৰ নলবাৰী জিলাখনত ২৪ খন বিদ্যালয় এজনীয়া শিক্ষকেৰে চলি আছে। তাৰ ভিতৰত বৰক্ষেত্ৰী ব্লকত ২১ খন বিদ্যালয় এজনীয়া শিক্ষকেৰে চলি আছে। যিটো কোনো কাৰণতে মানি ল'ব পৰা নাযায়। যোৱা গুণোৎসৱৰ পিছত মন্ত্ৰী মহোদয়ৰ তৎপৰতাত গুণোৎসৱ আৰম্ভ হ'ল। গুণোৎসৱৰ পিছত আমাৰ গ্ৰামাঞ্চলৰ বিশেষকৈ দুখীয়া শ্ৰেণীৰ অভিভাৱক, ছাত্ৰ-ছাত্ৰী বা বিদ্যালয় কতৃপক্ষই এক আশাৰ ৰেঙণি দেখিছে আৰু এই বিদ্যালয়বোৰত গুণগত মানদণ্ডৰ শিক্ষা পাবৰ কাৰণে ছাত্ৰ-ছাত্ৰী সকল অধীৰ আগ্ৰহেৰে বৈ আছে। সেয়ে অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক বিশেষভাৱে অনুৰোধ জনাইছো আমাৰ বিদ্যালয় সমূহৰ এজনীয়া শিক্ষকৰ সমস্যাটো দূৰ কৰে যেন। কাৰণ আৰু য'ত এজনীয়া শিক্ষক আছে তাত দুজন তিনিজন ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক দিয়াৰ ব্যৱস্থা কৰে যেন আৰু অধ্যক্ষ মহোদয় মই ইয়াৰ জৰিয়তে আৰু এটা কথা ক'ব বিচাৰিছো মোৰ সমষ্টিৰ প্ৰায় ১০০ খন স্কুল চৰ অঞ্চলত আছে। আজি নলবাৰী জিলাত সাক্ষৰতাৰ হাৰ ৮৭ শতাংশ। কিন্তু মোৰ সমষ্টিত মাত্ৰ ৪১ শতাংশ। তাৰ ভিতৰত চৰ অঞ্চলত মাত্ৰ ১২-১৩ শতাংশ সাক্ষৰতাৰ হাৰ আৰু এই অঞ্চলত ছাত্ৰ-ছাত্ৰী অনুপাতে শিক্ষক কম হোৱাৰ আন এটা কাৰণ হৈছে তাত শিক্ষক-শিক্ষয়িত্ৰী যাবলৈ অসুবিধা পায় কিয়নো যাতায়াতৰ সুবিধা নাই অথবা থকাৰ সুবিধা নাই।

**মাননীয় অধ্যক্ষ ঃ** Question please. তেখেতে উত্তৰ দিব লাগিব। কেইবাটাও প্ৰশ্ন ল'ব লাগিব।

**শ্ৰী নাৰায়ণ ডেকা ঃ** গতিকে তাত শিক্ষক সকল থকাৰ কাৰণে Community Hall বা কিবা বেলেগ ব্যৱস্থা কৰি দিব নেকি? কাৰণ তাত পৰিবেশো নাই। গতিকে মন্ত্ৰী মহোদয়ক মই এই ক্ষেত্ৰত দৃষ্টি দিবৰ বাবে অনুৰোধ জনাইছো।

**माननीय अध्यक्ष ঃ** ধন্যবাদ।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাত আজিৰ দিনটোত ২৪ খন বিদ্যালয়ত এজনীয়া শিক্ষক আছে । বাকী বিদ্যালয় বিলাকত এজনীয়া শিক্ষক নাই। কিন্তু নলবাৰী জিলাত যদি আমি শিক্ষকৰ সংখ্যা চাওঁ তেতিয়াহ'লে তাত অতিৰিক্ত শিক্ষক আছে। প্ৰায় ১৭ জন ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে এজনকৈ শিক্ষক আছে। আমি District Level rationalisation Committee এখন কৰি তাত জিলা উপায়ুক্তক অধ্যক্ষ হিচাবে দিছিলোঁ আৰু জিলা খনৰ ভিতৰত rationalize কৰাৰ অধিকাৰ দিছিলোঁ। গতিকে মই ভাৱো যে নলবাৰীৰ ভিতৰত যদি সমস্যাটো সমাধান হৈ যায় কাৰণ নলবাৰী জিলাত যথেষ্ট শিক্ষক আছে আৰু ২৪ জন শিক্ষকক মাত্ৰ ২৪ খন স্কুললৈ বদলি কৰিব লাগে । মই জিলা উপায়ুক্তক আজি টেলিফোন কৰি কৈ দিম। বৰক্ষেত্ৰীৰ বিধায়ক মহোদয়ে তেওঁৰ লগত আলোচনা কৰি ২৪ জন শিক্ষকক চিনাক্তকৰণ কৰি আমাক দি দিলে আমি লগে লগে বদলিৰ অৰ্ডাৰ দি দিম যাতে একেদিনাই একেলগে লেঠাটো মৰি যায়। তাৰোপৰি কাইলৈ বা পৰহি বাতৰি কাকতত এটা বিজ্ঞাপন ওলাব সেইটো হ'ল যে আমি গোটেই এজনীয়া স্কুলবিলাকৰ আমি নাম সমূহ দিছো আৰু দূৰদূৰণিত থকা কোনোবা শিক্ষকে যদি এই এজনীয়া স্কুলবিলাকলৈ আহিব বিচাৰে তাৰ কাৰণে আমি কম্পিউটাৰৰ জৰিয়তে বদলিৰ ব্যৱস্থা এটা আমি অহা দুদিনৰ ভিতৰত আৰম্ভ কৰিম। গতিকে মই ভাৱো তাৰ জৰিয়তেও কিছু সমস্যা সমাধান হ'ব। তৃতীয়তে আমি যেতিয়া প্ৰাথমিক বিদ্যালয়ৰ গুণোৎসৱ কৰিলো তেতিয়া আমি তাত তিনিটা অভাৱ দেখিলো। এটা হ'ল যে class room ৰ অভাৱ। বিশেষকৈ নতুনকৈ প্ৰাদেশীকৰণ কৰা বিদ্যালয় সমূহত class room নাই, partition ৰ অভাৱ আছে আৰু এই গোটেইখিনিৰ কাৰণে আমাক ৯৪২ কোটি টকা লাগে। এই অভাৱখিনি দূৰ কৰাৰ পিছত পৰৱৰ্তী পৰ্য্যায়ত প্ৰাথমিক বিদ্যালয় সমূহৰ বাবে বিশেষকৈ দূৰণিবটীয়া প্ৰাথমিক বিদ্যালয় সমূহৰ কাৰণে quarter বনোৱাৰ আঁচনি মনত পোষণ কৰি ৰাখিছোঁ। গতিকে মই ভাৱো যে এইবছৰ ২০১৮-১৯ চনৰ ভিতৰত আমি যদি ৯৪২ কোটি টকা যোগাৰ কৰিব পাৰো আৰু যদি partition আৰু classroom ৰ সমস্যাৰ সমাধান কৰিব পাৰো তেতিয়াহ'লে ২০১৯-২০ বা ২০২০-২১ বৰ্ষত আমি quarter বনোৱাৰ কামলৈকেও আমি যাব পাৰো আৰু এই ক্ষেত্ৰত মই আপোনাৰ লগত একমত যে দূৰণিবটীয়া অঞ্চলত যদি quarter আমি বনাব পাৰো তেতিয়া হ'লে আজি যিসকলে খুব সঘনাই বদলি বিচাৰি তেওঁলোকৰ হয়তো বদলি বিচৰাৰ আগ্ৰহটো কমি যাব। গতিকে আপোনাৰ পৰামৰ্শখিনি আমি ইতিবাচক হিচাবে লৈছো আৰু আজি মই নলবাৰীৰ উপায়ুক্তক কৈ দিম আপোনালোকে যদি চেষ্টা কৰি জিলা খনৰ ভিতৰতে ২৪ জন শিক্ষক বাঁচনি কৰি দিয়ে মই লগে লগে বদলিৰ অৰ্ডাৰ উলিয়াই দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। শ্ৰী অশোক শৰ্মা।

**শ্ৰী অশোক শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে শিক্ষামন্ত্ৰী মহোদয়ক ধন্যবাদ জনাব বিচাৰিছো যে গুণোৎসৱৰ ব্যৱস্থাই শিক্ষাৰ ক্ষেত্ৰত এক আমূল পৰিৱৰ্তন আনিছে আৰু ঠিক তেনেকুৱা কাৰণতেই নলবাৰী সমষ্টিটোত প্ৰাথমিক বিদ্যালয়ৰ ৩০০ তকৈও অধিক ছাত্ৰ-ছাত্ৰী থকা বিদ্যালয় নলবাৰীত আছে আৰু অতি ভালদৰে তেওঁলোকে শিক্ষাদান কৰি আছে। তেখেত সকলক মই এই সদনৰ জৰিয়তে ধন্যবাদ জ্ঞাপন কৰিছো। কিন্তু মই এই মূহুৰ্তত মাননীয় মন্ত্ৰী মহোদয়ক এইটো দৃষ্টিগোচৰ কৰিব বিচাৰিছো আজিৰ "অসমীয়া প্ৰতিদিন" পেপাৰত আহিছে "নলবাৰীত জালিয়াতিৰে স্নাতক শিক্ষকে উচ্চ নিৰিখত ভোগ কৰিছে দৰমহা"। এগৰাকী শিক্ষকৰ ইয়াত বিতং তথ্য দি এখন বিদ্যালয়ৰ তেখেতে দৰমহা বেছিকৈ লৈ থকা বুলি কৈছে কিন্তু মন্ত্ৰী মহোদয়ক মই

অনুৰোধ জনাব বিচাৰিছো যে এনেকুৰা শিক্ষক সকলক বিচাৰি উলিয়াই শাস্তি দিয়াৰ ব্যৱস্থা কৰিব লাগে।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, নলবাৰীৰ বিধায়কে যদি তেনেকুৰা কিবা অনিয়ম দেখা পাইছে, মই অনুৰোধ কৰিম তেখেতে লিখিত ভাৱে জিলা উপায়ুক্তক অভিযোগটো দিলে তৎকালীন ভাৱে তাতেই নিষ্পত্তি হৈ যাব আৰু মই নাভাৱো যে এজন শিক্ষকৰ কাৰণে বিধান সভাৰ পবিত্ৰ সময় ব্যয় কৰা উচিত।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো নলবাৰী জিলাৰ লগত related তথাপিও প্ৰশ্নটোৰ এটা value আছে মই নাই বুলি নকওঁ। মই দুটা বা তিনিটা দিম। মাত্ৰ related প্ৰশ্ন কৰিব। এতিয়া শ্ৰী আব্দুল খালেক।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, নলবাৰী জিলাৰ কাষত লাগি আছে বৰপেটা জিলা। অধ্যক্ষ মহোদয়, মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিবৰ বাবে কৈছো যে যেতিয়া গুণোৎসৱত আমি অংশ গ্ৰহণ কৰিছো আমাৰ তাত প্ৰাথমিক স্কুলত ইমান সমস্যা নাই কিন্তু মন্দিয়া উন্নয়ন খণ্ডত ME school বিলাকত দুজন বা তিনিজন শিক্ষকেৰে চলি আছে। বিষয়টো আপোনাৰ দৃষ্টিগোচৰ কৰিলো আৰু বৰপেটা জিলাৰ High School সমূহত ১৫০ ৰো অধিক পদ খালী হৈ আছে। তাতে আকৌ বৰপেটা আৰু বজালী মহকুমাৰ মাজত বৈষম্য আছে যদি তাতে অকনমান rationalize কৰি দিয়ে তাত High School সমূহত শিক্ষাৰ উন্নতি হ'ব। গুৱাহাটীৰ মাজ মজিয়াত এখন স্কুল নটবমা প্ৰাথমিক বিদ্যালয়, নটবমা মাঝাৰৰ কাষত। সেইখনত শিক্ষকো কম আছে আৰু তাত building ৰো দৰকাৰ। এই গোটেইখিনি বিষয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰীয়ে উত্তৰ দিব। কিন্তু তেখেতৰ হাতত details আজি নলবাৰীৰহে আছে। মন্ত্ৰী ডাঙৰীয়াই যিটো পাৰে সেইটো কব।

**ড° হিমন্ত বিশ্ব শৰ্মা,(মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়,গুণোৎসৱৰ পাছত আমাৰ এটা সম্যক ধাৰণা ইতিমধ্যে হৈছে। যে ক'ত শিক্ষক কম আছে আৰু ক'ত বেছি আছে। কাইলৈ প্ৰায় দহ হাজাৰ শিক্ষকৰ Transfer order একেদিন একেলগে ওলাব। যিটো অসমৰ এটা সৰ্ববৃহৎ বদলিকৰণ হ'ব গুণোৎসৱক লগত লৈ। তাৰ পৰৱৰ্তী পৰ্যায়ত এনেকৈ আমি এপ্ৰিল মাহলৈকে বহুত কেইটা শিতানত আমি শিক্ষকৰ বদলি ব্যৱস্থা লৈছো। যাতে এজনীয়া দুজনীয়া শিক্ষক থকা বিদ্যালয়সমূহৰ সমস্যা সমাধান কৰিব পাৰো। হাইস্কুল পৰ্যায়ত আমাত এই বছৰ গুণোৎসৱ হ'ব। তাতে আমি এটা ধাৰণা পাম। যেনেকৈ কালি পানবজাৰ ছোৱালী স্কুলত অসমৰ মহামান্য ৰাজ্যপাল গৈছিল। তাত ৪০০ ছাত্ৰ-ছাত্ৰীৰ বিপৰীতে ৫৭ গৰাকী শিক্ষক আছে। গতিকে বহুত বেছি আছে। গতিকে তাৰ পাৰ ১০ জন শিক্ষক বেলেগলৈ যাব লাগিব। গতিকে এই বছৰ হাইস্কুলত যেতিয়া গুণোৎসৱ আৰম্ভ হ'ব বছৰৰ শেষৰ ফালে আমি হয়তো হাইস্কুল পৰ্যায়তো এটা বদলি কৰণৰ প্ৰক্ৰিয়া আৰম্ভ কৰিম। In the meantime মই আপোনাৰ পৰামৰ্শতো মানি লৈছো। বৰপেটা জিলাৰ ভিতৰতে হাইস্কুলৰ যদি কিবা শিক্ষক Rationalisation কৰিব খোজো High PTRৰ পৰা Low PTR লৈকে আমি তাৰ এটা authority দি পত্ৰ প্ৰেৰণ কৰিম। আপুনি তেওঁৰ লগত যোগাযোগ কৰিলে হয়তো তৎকালীন সমাধান কিছু ওলাব। ১৫০ পোষ্ট খালী আছে বুলি যিটো কথা কৈছে সেইটো খালী বুলি ধৰা নাই। এইটো কাৰণেই যে সেই ১৫০ ৰ ভিতৰত Contractual teacher কাম কৰি আছে। গতিকে সেইখিনি ঠিক খালী বুলি কব নোৱাৰি। মই বিধান সভাৰ প্ৰশ্নৰ উত্তৰ এটাত চাইছিলো ছয় হাজাৰ হাইস্কুলত পদ খালী আছে, তাৰ বিপৰীতে ছয় হাজাৰ পাচশ Contractual

teacher কাম কৰি আছে। আমি Contractual teacher খিনিক শিক্ষক বুলি নধৰা কাৰণে খালী খালী দেখাই আছে। আচলতে হাই স্কুলত ইমান শিক্ষকৰ পদ খালী নাই। কিন্তু হাইস্কুল টেট দুই এদিনত অনুষ্ঠিত হ'ব। তাৰ ভিতৰত এইখিনিও পদ এই বছৰৰ ভিতৰতে ফিলআপ হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ** Thank you. কুশল দুৱৰীয়ে হাত দাঙিছিল নেকি? কথাবিলাক চমু কৰিব কাৰণ মই এইটো important কাৰণে দিছো।

**শ্ৰী কুশল দুৱৰী,(থাওৰা )ঃ** মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে, আমাৰ ৰাজ্যখনৰ লগতে আমাৰ জিলাতে বিষয় শিক্ষকৰ প্ৰয়োজন আছে। English আৰু Science ৰ। গতিকে ইয়াত এইটোৰ ব্যৱস্থা কৰিব নেকি? এই কথাটো জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। কিন্তু এইটো ইয়াৰ লগত related নহয়। ইয়াত হাইস্কুল লৈকে আছিল।

**ড০. হিমন্ত বিশ্ব শৰ্মা,(মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উচ্চতৰ মাধ্যমিকৰ যিমান পদ আছে, সেইখিনি পূৰণৰ প্ৰচেষ্টা চলি আছে। আৰু মেনেজিং কমিটিবিলাকে সাধাৰণতে এড্ভাৰটাইজমেণ্ট কৰাৰ কাৰণে আমি পাৱাৰ দি থৈছো। কিন্তু তেনেকুৱা কোনোবা স্কুলত ইংৰাজী বা বিষয় শিক্ষকৰ সংখ্যা কম আছে। আপুনি মোক নামকেইটা দিলে মই সেইকে ইখনৰ স্কুলৰ বিপৰীতে যি পদ আছে, তাত অগ্ৰাধিকাৰ ভিত্তিত পুৰণৰ বাবে কৈ দিম আৰু মই ভাবো যে, আমাৰ শিক্ষা বিভাগৰ ওপৰত মাননীয় অধ্যক্ষ মহোদয়ে এটা আলোচনাৰো ব্যৱস্থা কৰিছে। সেই আলোচনাৰ দিনা প্ৰতিজন বিধায়কে নিজৰ সমষ্টিত দেখা দিয়া সমস্যাখিনি যদি লৈ আহে একোটা লিখনি আকাৰত যে কলেজ পৰ্য্যায়ত এইখিনি সমস্যা, উচ্চতৰ মাধ্যমিকৰ এইখিনি সমস্যা, মাধ্যমিকৰ, প্ৰাথমিক এইখিনি সমস্যা তিনি পেজ যদি ধুনীয়াকৈ সকলোৱে একোটা নোট বনাই আনে, তেতিয়াহ'লে আমি খুব cincearly গোটেই বছৰটো কাম কৰিম। এই সমস্যাবিলাক সমাধান কৰাৰ কাৰণে। অন্ততঃ মিনিমাম চৰ্ট টাৰ্মৰ সমস্যাখিনি সমাধান কৰিলেও বহুতখিনি লাভ হ'ব। গতিকে আমি মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে সদস্যসকলক অনুৰোধ কৰিব বিচাৰিছো যে এটাতো সামগ্ৰিক ভাৱে আমি আলোচনাত অংশ গ্ৰহণ কৰিমেই। এনেকুৱা ধৰণৰ বা আপোনালোকৰ নতুন কিবা idea আছে, সেইখিনি লৈ আহিলে আমি ১২ মাৰ্চত দাখিল কৰিবলগীয়া বাজেটতো বহুত কথা reflact কৰিব পাৰিম। আলোচনাতো অৰ্থবহ হব। আৰু আপোনাৰ যিটো specific সমস্যা মোক আজি কৈ দিলে মই তাৰ সমাধানৰ ব্যৱস্থা কৰিম।

**মাননীয় অধ্যক্ষ ঃ** Thank you. এইবাৰ উৎপল দত্ত ডাঙৰীয়া।

**শ্ৰী উৎপল দত্ত, (লক্ষীমপুৰ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ আজি লিখিত প্ৰশ্ন এটাৰ উত্তৰত মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিছে যে, লখিমপুৰ জিলাখনত ২৬০ টা বিজ্ঞান শিক্ষক, ৩৩১ টা হিন্দী শিক্ষকৰ ভিতৰত এতিয়া ৭৬ টা বিজ্ঞান শিক্ষকৰ পদ খালী আছে, ১০২ হিন্দী শিক্ষকৰ পদ খালী আছে, ১টা আৰবি শিক্ষকৰ পদ খালী আছে আৰু ৬৮ টা চকীদাৰ পদ খালী আছে। এতিয়া চকীদাৰ পদৰ ৬৮ টা sanctioned পদ খালী থাকিলে স্কুল কৰ্তৃপক্ষৰ যথেষ্ট অসুবিধা হয়। মই ভাবিছো এইকেইটা post নিযুক্তি দিয়াত নিশ্চয় অসুবিধা নহ'ব।

**শ্ৰী উৎপল দত্ত,(লক্ষীমপুৰ) ঃ**১২০ টা হিন্দী শিক্ষক আৰু ৭৬ টা বিজ্ঞান পদ খালী আছে। মই ভাবো বিজ্ঞানৰ শিক্ষকৰ অভাৱ ঘটি আছে। আৰু যদি শিক্ষক নাথাকে ৰিজাল্ট ভাল হোৱাটো আমি আশা কৰিব নোৱাৰো। গতিকে সোনকালে যাতে নিযুক্তিখিনি দিবৰ তাৰ কাৰণে ব্যৱস্থা ল'ব নেকি?

**ড০. হিমন্ত বিশ্ব শৰ্মা, (মন্ত্ৰী) ঃ** অধ্যক্ষ মহোদয়, ১০২ জন হিন্দী শিক্ষকৰ পদ আমি পূৰণ কৰিব খোজা নাই। কিয়নো হিন্দী ছাত্ৰ-ছাত্ৰী নাই। আৰু সেই পদ কেইটা যদি Science আৰু Mathematics লৈ আমি convert কৰিব পাৰো, তেতিয়া ছাত্ৰ-ছাত্ৰীৰ বেছি লাভ হ'ব। আৰবীটো আমি বহুত নিযুক্তি দিলো কিন্তু ছাত্ৰ-ছাত্ৰী নাই। সেই কাৰ ণে আমাৰ শিক্ষা বিভাগত কমিটি এখন হ'ব দুই এদিনতে। য'ত পুৰণা দিনত যিবিলাক শিক্ষকৰ পদ হৈছিল এনেকুৱা Subject wise তাতে ছাত্ৰ-ছাত্ৰী নাই। কিন্তু নতুন বিষয়ত ছাত্ৰ-ছাত্ৰীৰ শিক্ষক লাগে। ডিপাৰ্টমেণ্টৰ ভিতৰতে rationalisation প্ৰক্ৰিয়া এটা আৰম্ভ হ'ব । সেই কাৰণে আমি হিন্দী শিক্ষকৰ পদৰ যদি ডিমাণ্ড আহে যে তেতিয়া আমি ফিল্আপ কৰিম। যি ৭৬ টা বিজ্ঞান শিক্ষকৰ পদ খালী হোৱা বুলি দেখুওৱা হৈছে, আচলতে তাত পদ খালী নাই। কাৰণ তাত Contractual teacher খিনিয়ে সেই ঠাইত কাম কৰি আছে। যিহেতু প্ৰশ্নৰ উত্তৰটো আমি দিব লাগে, সেই কাৰণেতো আমি দিছো যে, ৪০০০ হাজাৰ পদ বা গোটেই অসমত খালী আছে। কিন্তু হাইস্কুলত কথাটো হৈছে যে, প্ৰতিখন স্কুলতে তিনিজন তিনিজন Contractual teacher কাম কৰি আছে। গতিকে সেইখিনিক যদি আমি চাওঁ, তেতিয়াহ'লে তাত excess teacher আমি দেখা পাওঁ। কম শিক্ষক দেখা নাপাওঁ। এতিয়া আমি কি কৰিছো হাইস্কুলৰ টেট এটা অনুষ্ঠিত কৰিছিলো হয়তো ইমান দিনে ৰিজাল্টটো নিযুক্তি হৈ গ'ল হেঁতেন। কিন্তু Contractual teacher খিনিৰ ক্ষেত্ৰত উচ্চ ন্যায়ালয়ৰ নিৰ্দেশলৈ আমি আশা কৰি আছো কাৰণে টেট টো কিছুদিনৰ কাৰণে আমি পিছুৱাই ৰাখিছো। যদি অহা তিনিমাহত Contractual teacherৰ ক্ষেত্ৰত হাইকৰ্টৰ judgement নাহে, তেতিয়াহ'লে আমি টেট পৰীক্ষা পাতি দিম। তেতিয়া শিক্ষক আহি যাব। মই নাভাবো যে শিক্ষকৰ খালী পদৰ পৰা অসুবিধা হৈছে। কাৰণ তাৰ ঠাইত Contractual Teacherখিনি কাম কৰি আছে সকলো বিদ্যালয়ত। স্পেচিফিক এখন বিদ্যালয়ত হ'ব পাৰে যে, ছাত্ৰ-ছাত্ৰী বহুত আছে, শিক্ষক নাই। সেইখিনিও গুণোৎসৱ এইবাৰ হাইস্কুলত হ'ব। যেতিয়া ধৰা পৰি যাব, তেতিয়া আমি rationalezation কৰি ল'ব পাৰিম। Grade four খিনি মুকলি কৰি দিব পৰা যায়। কিন্তু তলত বহুত হুলস্থুল হয়। এটা পদ থাকে, মেনেজিং কমিটিয়ে পৰীক্ষা পাতে। গোটেই গাওঁখনৰ ল'ৰাই তাত আবেদন কৰে। নোপোৱা-পোৱা ৰাজনৈতিক ভাৱে হুলস্থূলীয়া এটা পৰিৱেশৰ সৃষ্টি হৈ যায়। সেই কাৰণে মই অলপ লাহে লাহে গৈ আছো। কিন্তু আপোনালোকে যদি ভাৱে ভাল দৰে কৰিব পাৰিব, মেনেজ কৰিব পাৰিব খুলি দিয়াত আপত্তি নাই। এখন ঠাইত এজন ল'ৰাক কাম কৰাই ৰাখিছে জেনেৰেল ল'ৰা। পদটো হৈ গ'ল এচ চি। কাৰণ আমিতো Roaster মানিব লাগিব। বহুত হুলস্থুল হৈ যায় গাওঁখনত। কাৰণ এনেকুৱা নহয় যে,চতুৰ্থ বৰ্গৰ কাম কৰি থকা নাই। স্কুলৰ প্ৰিন্সিপালে এজনৰ দ্বাৰা কাম কৰাই আছে। যেতিয়া written হ'ব সেই ল'ৰাজনে নাপাব। নোপোৱাৰ লগে লগে হুলস্থুল লাগি যাব বা সেই পদটো এচ চি, এচ টি , অ বি চি হৈ গ'ল। সেই ল'ৰাজনে এপ্লাই কৰিব নাপায়। ফলত হুলস্থুল হৈ যায়। গতিকে এটা ৰাজনৈতিক প্ৰতিক্ৰিয়া হৈ যায়। সেই কাৰণে মই ভাবিছো এইবিলাক পঞ্চায়ত election ৰ পাছত হাতত লোৱা ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Please, Please no more discussion, Last Sanjoy Kishan.। তাৰ পিছত নাপাব। এইটো কুৱেশ্যন ২০ মিনিট দিছো এইবাৰ।

**শ্ৰী সঞ্জয় কিষান,(তিনিচুকীয়া) ঃ** অধ্যক্ষ মহোদয়, মই মাত্ৰ এটা কথা ক'ব বিচাৰিছোঁ। আমাৰ অসমৰ যিবিলাক চাহবাগিছা এই চাহ বাগিছা সমূহৰ ৮০০ খন চাহ বাগিছাৰ মাত্ৰ কেইখন জিলাতহে এল পি স্কুলবিলাক চৰকাৰীকৰণ কৰা হৈছে। কিন্তু অতি দুখৰ কথা যে, এতিয়া যিটো আমাৰ

ইউনিফৰ্ম। ইউনিফৰ্মটো যোৱা কেইবছৰমান আগতে বাগানৰ স্কুলবিলাক দিয়া হৈছিল। কিন্তু এতিয়া জানিব পাৰিছো যে এইবাৰ বাগানৰ ল'ৰা-ছোৱালীখিনিক ইউনিফৰ্ম দিয়া নহ'ব। কিন্তু সেইটো অতি দুখৰ কথা হ'ব।

**মাননীয় অধ্যক্ষ ঃ**Thank you. এইটো এটা বিষয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিছে।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, মইটো খবৰটো পোৱা নাই, যে বাগানৰ স্কুলত নিদিয়াৰ সিদ্ধান্ত লৈছে। যদি তেনেকুৱা কিবা সিদ্ধান্ত কোনোবাই লোৱা বুলি আপোনালোকক জনাইছে সেই মানুহ বিলাকৰ নাম বিলাক মোক দি দিব। লগে লগে থানাই থানাই মই ভৰাই দিম। কোনে এই বিলাক খবৰ দি থাকে। যেতিয়া মন্ত্ৰীয়েই গম নাপাই যে নিদিয়াৰ সিদ্ধান্ত হৈছে । গতিকে ক'ৰ পৰা এইটো সিদ্ধান্ত হৈছে মই জানিব লাগিব। ২য়তে ইউনিফ্ৰমৰ পইচা ৰিলিজ হোৱা নাই। ভাৰত চৰকাৰে ইউনিফ্ৰমৰ পইচা আমাক আজি যোৱা ৬ বছৰ ধৰি দিয়া নাই। আজি বা কালি ইউনিফ্ৰমৰ পইচাটো ৰিলিজ হব বুলি মই শুনি আছো। চেষ্টা কৰি আছো। ৩১ মাৰ্চৰ আগত ৰিলিজ হব। ৰিলিজ হ'লে বাগানৰ খিনিক নিদিব। এনেকুৱা ধৰণৰ কথাটো শুনা নাই মই। আপোনাক কোনে শুনাইছে, মোক নামটো দি দিব, ৩য় কথা, ৮০০ বিদ্যালয় যে বাগানত হোৱা নাই, প্ৰাদেশীকিকৰণ কৰিবলৈ চৰকাৰ খুব আগ্ৰহী। কিন্তু যিখিনি বিদ্যালয়ৰ শিক্ষক, তেওঁলোকে কৰ্টত কেচ কৰি কৈ দিছে যে বাগানৰ অধীনতহে আমি থাকিব খোজো। চৰকাৰৰ অধীনত যাব নোখোজো। গতিকে এই সমস্যাটো লৈ আমি যোৱা চৰকাৰৰ দিনটো বহুটো আলাপ আলোচনা কৰিছো। তেওঁলোকক মাতি আনি মই বুজালেও যে আপোনালোক প্ৰাদেশীকিকৰন হৈ যাওঁক। তেওঁলোকে নিজে কয় আমি প্ৰাদেশীকিকৰন নহওঁ, আমি চৰকাৰৰ নিয়মত নাথাকো, বাগান কতৃপক্ষই যিটো দৰমহা দি আছে, আমি তাতে সন্তুষ্ট। গতিকে আপোনালোকে কাৰোবাক মনাব পাৰে, প্ৰাদেশীকিক ৰনৰ কাৰণে, সেই নাম খিনি দিলে আমি ১ মাহৰ ভিতৰত প্ৰাদেশীকিকৰনৰ অৰ্ডাৰ দি দিম। কিন্তু তেওঁলোকে কৰ্টত কেচ কৰি বহি আছে।

**মাননীয় অধ্যক্ষ ঃ**-ঠিক আছে। প্ৰশ্ন নং ১৪২, শ্ৰী বিমল বড়া ।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী বিমল বৰা, টিংখংঃ**- মাননীয় অধ্যক্ষ মহোদয়, আমি যেতিয়া প্ৰাথমিক বিদ্যালয়, মাধ্যমিক বিদ্যালয়ত যেতিয়া পঢ়ি আছিলো, তেতিয়া এটা কথা মনত পৰে, যে মাজে মাজে আমাৰ বিদ্যালয় সমুহত উৎসৱ সদৃশ এটা পৰিবেশৰ সৃষ্টি হয়। উৎসৱটো হোৱাৰ ১সপ্তাহ মানৰ আগৰে পৰা আমাৰ গাত তৎ নাইকীয়া হয়। যে সেই উৎসৱৰ দিনা আমি বিদ্যালয়ত কেনেকৈ উপস্থিত থাকিম, কেনে ধৰণে প্ৰিপাৰেশ্যন কৰিম, সেই বিদ্যালয়লৈ যিজন ব্যক্তি আহিব, সেই জনৰ লগত কেনেকৈ মুখা-মুখি হম। দুদিন মান আগৰ পৰা ধুনীয়াকৈ চাফ-চিকুনকৈ থাকো, নখ কাটো। আৰু সেই উৎসৱৰ দিনা বিদ্যালয়লৈ যাওঁ খুব এটা নিজকে উৎসাহিত অনুভৱ কৰো। আৰু সেই দিনটো বেলেগ একো নহয়। সেই সময়ত আজিৰ পৰা মই ৮০ দশকৰ কথা কৈছো। তেতিয়া বিদ্যালয় সমুহলৈ প্ৰায় স্কুল এচ আই ডি আই

**মাননীয় অধ্যক্ষ ঃ**- সময়ৰ প্ৰতি নক্ষ্য ৰাখক। মুল কথাটোলৈ আহক।

**শ্ৰী বিমল বৰা, টিংখংঃ**- স্কুল এচ আই ডি আই সকলে পৰিদৰ্শন কৰিবলৈ আহে। আৰু যেতিয়া স্কুল এচ আই. ডি আই. সকলে স্কুল পৰিদৰ্শন কৰিবলৈ আহে, এসপ্তাহ মান আগৰ যিটো পৰিবেশ, সেই পৰিবেশটো শিক্ষকৰ পৰা আৰম্ভ কৰি, অভিভাৱক, অভিভাৱিকা, ছাত্ৰ-ছাত্ৰী সকলোৰে খুব সুন্দৰভাৱে দিনটো কটায়।

**माननीय अध्यक्ष ঃ-** প্ৰশ্নটো

**শ্ৰী বিমল বৰা, টিংখংঃ-** মই মাননীয় মন্ত্ৰী মহোদয়ৰ লগতে চৰকাৰক ধন্যবাদ জনাইছো, যে বিগত দিনত বিভিন্ন পৰ্য্যায়ত আমাৰ বিদ্যালয় সমুহত যি গুণোৎসৱৰ আয়োজন কৰিলে, এই গুণোৎসৱটোৱে ছাত্ৰ-ছাত্ৰী সকলক মনঃস্তাত্বিক ভাৱে যথেষ্ট এটা শক্তি-শালী বাতাবৰণ সৃষ্টি কৰিলে।

**মাননীয় অধ্যক্ষ ঃ-** Please Question

**শ্ৰী বিমল বৰা, টিংখংঃ-** প্ৰশ্ন হ'ল, প্ৰশ্ন একো নাই, এতিয়া। যিখিনি হৈ আছে মই তাত ধন্যবাদ দিছো। আজি যিটো প্ৰশ্ন কৰিছো মই ভাবিছো যে আৰোহণৰ জৰিয়তেও আমাৰ সেই কন কন ছাত্ৰ-ছাত্ৰী সকলক মনঃস্তাত্বিক ভাৱে শক্তিশালি কৰিবৰ কাৰণে যি উদ্যোগ গ্ৰহণ কৰিছে, আমাৰ বিভিন্ন বিষয়া, উচ্চপদস্থ বিষয়া, প্ৰায় ২৭৯ জন প্ৰতিপালক বিষয়া হিচাপে এতিয়া পঞ্জীভুক্ত হৈছে। আৰু ৬৭৯ জন ছাত্ৰ-ছাত্ৰীক ইতিমধ্যে পঞ্জীয়ন কৰা হৈছে। মই ভাবো যে এই উদ্যোগৰ জৰিয়তে শিক্ষা ক্ষেত্ৰ খনলৈ আৰু সেই ছাত্ৰ-ছাত্ৰী সকলক আমি সুন্দৰ ভাবে আগুৱাই লৈ যাব পাৰিম। গতিকে এই কাম সোনকালে আগবঢ়াবৰ কাৰণে মই মন্ত্ৰী মহোদক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** Thank you. শ্ৰীৰূপক শৰ্ম্মা। মন্ত্ৰীয়ে একেলগে সেইটো কৈ দিব। তেখেতে পৰামৰ্শটো লৈছে।

**শ্ৰীৰূপক শৰ্ম্মা, নগাঁওঃ-** অধ্যক্ষ মহোদয়, ইয়াত যিটো 'আৰোহণ' আঁচনিৰ বিষয়ে কোৱা হৈছিল যে ৰাজ্যৰ গ্ৰামাঞ্চল আৰু দুৰ্গম অঞ্চলত বাস কৰা দৰিদ্ৰ পৰিয়ালৰ মেধা ছাত্ৰ-ছাত্ৰী সকলক শৈক্ষিক প্ৰতিপালনৰ উদ্দেশ্যে খুব এটা সুন্দৰ আঁচনি আৰোহণ। আৰু এই আঁচনিটোত আচলতে মই যিখন তালিকা বৰ্ত্তমান চালো, মন্ত্ৰী মহোদয়ক মই কথাটো জনাব বিচাৰিছো যে মোৰ যিখন তালিকা নগাওঁ জিলাত তাত ২৫ জন ছাত্ৰক শৈক্ষিক পালন যিটো ইয়াত কৰা হৈছে, তাৰে ভিতৰত ২০ জন হৈছে এখন ব্যক্তিগত বিদ্যালয়। আৰু চহৰৰ মাজত যিখন ব্যক্তিগত বিদ্যালয়, তেওঁলোকৰ নাম ভৰ্ত্তি কৰিবৰ কাৰণে বহুত টকা দিব লাগে। তাত দৰিদ্ৰ ল'ৰা-ছোৱালী পঢ়িব নোৱাৰে। ২৫ জনৰ ভিতৰত ২০ জন সেই খন বিদ্যালয়ৰ পৰা পোৱা হৈছে। গতিকে এইটো অকণমান চাব লাগে।কিয়নো ইয়াত কোৱা হৈছে যে দুৰ্গম অঞ্চলৰ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে, মই দেখা পাওঁযে ২৫ জন ছাত্ৰ-ছাত্ৰীৰ ২০ জনেই সেই ধৰনৰ ব্যক্তিগত বিদ্যালয়ত পঢ়া. তেওঁলোকৰ এডমিশ্যন ফিজ বা মাহেকীয়া বৰঙনি বহুত টকা দি তেওঁলোকে এডমিশ্যন লব লাগে। গতিকে মই মন্ত্ৰী মহোদয়ক অৱগত কৰিছো। এই বিষয়ে অকন মান চাব লাগে। ধন্যবাদ ।

**মাননীয় অধ্যক্ষ ঃ-**মন্ত্ৰী ডাঙৰীয়া।

**ড° হিমন্ত বিশ্ব শৰ্ম্মা, মন্ত্ৰী ঃ-** অধ্যক্ষ মহোদয়, আৰোহণ আঁচনি খন, যি ধৰণে আমি কৰিব খুজিছো তাতে শৈক্ষিক অৰ্হতাৰ ওপৰত আমি তেওঁলোকক নিৰ্বাচন কৰিব খুজিছো, এতিয়া সৌভাগ্য বা দুৰ্ভাগ্যক্ৰমে হওঁক যে ব্যক্তিগত বিদ্যালয় যিখন বিদ্যালয়ৰ নাম কৈছে, তাতে বহুত খিনি মেধা সম্পন্ন ল'ৰা বৰ্ত্তমান আছে। আৰু হায়াৰ ছেকেণ্ডাৰী বা উচ্চতৰ মাধ্যমিকৰ ৰিজাল্ট দেখা পালে, সেই কেইখন স্কুলৰ পৰা ভাল ৰিজাল্ট কৰে, গতিকে, ল'ৰা ছোৱালী খিনিক ব্যক্তিগত স্কুলত পঢ়া আৰু চৰকাৰী স্কুলত পঢ়া বুলি ডিচক্ৰিমিনেট কৰিবৰ কাৰণে আমাৰ হাতত উপায় নাথাকে। যদি কোনোৱা এনেকুৱা সমষ্টিৰ বিধায়ক মহোদয়ে আৰু ২০ জন ছাত্ৰ-ছাত্ৰীৰ নাম দিয়ে, যে এওঁলোককো মেনটৰিং কৰিলে ভাল হ য়। এইটো যিহেতু কোনো বিত্তীয় আঁচনি নহয়, It is just a academic counselling বা মৰম কৰা বা প্ৰতি-পালন কৰা, ইয়াত যিহেতু বিত্ত

কোনো জড়িত নোহোৱাৰ কথা, বা এই আঁচনিটো কি ? যে মই গাঁৱৰ এজন ল'ৰা, ডি চি জনে মোক মাতি আনি বা মোৰ ঘৰত যাব , মোৰ লগত কথা পাতিব। মোক দুখন পুৰনা লাইব্ৰেৰীৰ কিতাপ হাতত তুলি দিব, বাবা তুমি পঢ়িবা। বা তুমি ডাঙৰ হৈ এই লাইনত চেষ্টা কৰা। এইখন এখন মৰমৰ আঁচনি। ইয়াত টকা পইচাৰ কথা নাই। গতিকে আপুনি যদি আৰু ২০ জন ল'ৰাৰ নাম দি দিব খোজে, আমি আৰু ২০ জন ল'ৰাৰ নাম সুমুৱাই দিম। তাত কোনো আপত্তি নাই। দুই-এদিনতে পেপাৰত এটা এডভাৰটাইজ ও ওলাব। আমি অকল আই এ এচ আৰু আই পি এচ ৰ মাজত নাৰাখি আৰু কোনোবাই যদি মেন্টৰ হব খোজে তেনেকুৱাও আমি পৰ্টেল এটা কৰি লৈছো। গতিকে আমাৰ হয়তো মেন্টৰ ১০০০ মান আমি পাম। আপোনালোকে যদি ভাবে যে এই দুজন ছাত্ৰকো ললে ভাল হব, আমি তেনেকুৱা আৰু ২জন ছাত্ৰৰ নাম দি দিব পাৰিম। গতিকে তাত কোনো অসুবিধা নাই। ২য় তে যিটো ব্যক্তিগত বিদ্যালয়ৰ কথা উল্লেখ হৈছে। মই ভাবো যে আমি চেষ্টা কৰিলে চৰকাৰী বিদ্যালয় বিলাকো ভাল কৰিব পাৰো। প্ৰতিযোগিতা কৰিব লাগিব। আপোনালোকে দেখিছে, বহুতকেইখন চৰকাৰী স্কুলত নাম ভৰ্ত্তি কৰিবৰ কাৰণে মাজ ৰাতিৰ পৰাই ভিৰ আৰম্ভ হৈছে। এইবাৰ ২৮ হাজাৰ বেছি ছাত্ৰ-ছাত্ৰী চৰকাৰী স্কুলত নাম লগাইছে, গুণোৎসৱৰ পাছত। গতিকে মই ভাবো যে ব্যক্তিগত স্কুল বিলাকৰ প্ৰতি ধাৰণাটো আমি একেলগে বদলাব লাগিব প্ৰতিযোগিতা কৰি। আমাৰ চৰকাৰী স্কুলখনক আমি ব্যক্তিগত স্কুলৰ সমকক্ষলৈ লৈ যাব লাগিব। যোৱাবাৰ যি জন ল'ৰা হায়াৰ ছেকেণ্ডাৰীত ৩য় স্থান লাভ কৰিছে, দুখীয়া ঘৰৰ ল'ৰা। কিন্তু যেনে তেনে হ'লৈও সেইখন স্কুলত গৈছে। কাৰণ ধাৰণা এটা হৈছে যে ইয়াত গলেহে মই ডাক্তৰ ইঞ্জিনিয়াৰ হ'ব পাৰিম। গতিকে তাত পঢ়া সকলো ল'ৰাই যে ধনী, এনেকুৱা নহয়, বহুতে মাটি বিক্ৰী কৰিও গৈছে, যে আমি তাতে গৈ পঢ়িম। গতিকে স্কুলখনৰ প্ৰতি আমাৰ ধাৰনাটো আৰু শিক্ষাৰ্থী জনৰ প্ৰতি ধাৰণাটো দুটা বেলেগ হব লাগিব। ৩য়তে মই ভাবো যে, আমি যি খন প্ৰত্যাহ্বান আঁচনি, আমি বাজেটত আনি আছো, সেই আঁচনিখন যদি আমি ভালকৈ কৰিব পাৰো, তেতিয়া হলে বহুত ভাল ফল আমি পাম। মই তেনেকে ভাবো। কেইদিন মান আগতে মই তেলেংগানালৈ গৈছিলো। ইউ পি লৈ গৈছিলো। তাতে এনেকুৱা ধৰণে স্কুল বিলাক কৰিছে, বৰ্তমান যে কোনোবা স্কুলক ৰেচিডেনচিয়েল কৰিছে, মিডিয়াম বিলাক গাঁৱৰ মানুহক এৰি দিছে। ইউ পি ৰ দৰে ঠাইটো কৈছে। মিডিয়াম গাৱৰ মানুহে ঠিক কৰক। তেলেংগানাত কৈছে মিডিয়াম গাঁৱৰ মানুহে ঠিক কৰক। এটা খুব সুন্দৰভাবে সজাই পৰাই টোলাৰ চেষ্টা চলিছে। আমি ইমান দূৰলৈকে নগলেও যদি প্ৰত্যাহ্বান আঁচনিখনক ভালকৈ কৰিব পাৰো। তিনি হাজাৰ স্কুল যদি বনাব পাৰো, তেনেহলে মোৰ মতেদি বহুতখিনি দুখীয়া মানুহে উপকাৰ পাই যাব। এই কাৰণে সকলোৱে টেষ্টা কৰো, ভাল হব বুলি মই আশা কৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । এতিয়া মাননীয় সদস্য কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ ,সদস্যঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মেধাৱী ছাত্ৰ-ছাত্ৰীৰ প্ৰতিপালনৰ কথা কোৱা হৈছে, মোৰ সমষ্টিত পিন্টু দাস নামৰ B.com (থাৰ্ড চেমিষ্টাৰ)ৰ লৰা এজন আছে। তেওঁৰ দেউতাকে daily labour কৰে । অধ্যক্ষ মহোদয়, তেখেতে মোক কাতৰেৰে এখন আবেদন দিছিল , সেই আবেদনখন যাতে মই বিধানসভাৰ জৰিয়তে পঢ়ি দিওঁ ।

**মাননীয় অধ্যক্ষ** ঃ আপোনালোকক শিক্ষাৰ ক্ষেত্ৰত মই দুদিন আলোচনা কৰিব দিম , মূল কথালৈ আহক

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয় , পিন্টু দাসৰ দুয়োটা কিড্‌নী বিকল হৈ গৈছে । সেই কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যে ইমান মেধাৱী ল'ৰা,তেওঁক কিবা

এটা আঁচনিৰ জৰিয়তে সহায় কৰিব পাৰিলে ভাল হয়। আমি মোটা-মোটি ৪০-৫০ হাজাৰ টকা যোগাৰ কৰি দিছো । তাতকৈ আমাৰ বেছি কৰাৰ উপায় নাই । মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিম যাতে তেওঁৰ কিড্‌নীটো সলনি কৰি হ'লেও জীয়াই ৰাখিব পৰা যায় তাৰ কাৰণে কিবা ব্যৱস্থা লব নেকি ? তেওঁৰ আবেদনখন মই মন্ত্ৰী মহোদয়ক দিম

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য ডাঙৰীয়াই জানে যে -' অটল অমৃত যোজনা'ৰ জড়িয়তে কিড্‌নী ট্ৰেন্সপ্লেন্ট কৰা ৰোগী সকলক ২ লাখ টকালৈকে দিব পাৰে । তাৰ উপৰি যদি সন্মানীয় বিধায়ক কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই তেওঁৰ "সুহৃদ" আঁচনিৰ পৰা আৰু ২ লাখ টকা দিব খোজে,সেইটো আমি PND বিভাগৰ পৰা স্পেচিয়েলি allow কৰি দিম । যদিও" সুহৃদ" আঁচনিৰ limit ১০ হাজাৰ টকা । কিন্তু under this scheme এই ছাত্ৰ জনৰ কাৰণে তেতিয়াহ'লে আপোনাৰ "সুহৃদ" আচঁনিত যিহেতু ৫০ লাখ আছে তাৰ পৰা ২ লাখ টকা পিন্টু দাসৰ নামত দিব পাৰি বুলি আপুনি যদি কয়specially কৰি দিম । 'অটল অমৃত অভিযান'ৰ পৰা আৰু ২ লাখ টকা পাব । এই ৪ লাখ টকা আৰু আপুনি ৫০ হাজাৰ টকা যোগাৰ কৰি দিছে । গতিকে এই ৪লাখ ৫০ হাজাৰ টকা মই Narayana Hrudalaya Super Speciality Hospital বা এইম্‌চত সুন্দৰ কৰি ৰি-প্লেচ কৰাৰ ব্যৱস্থা কৰি দিয়া হ'ব । গতিকে আপুনি আৰু সাতদিন মান চেষ্টা কৰিলেই এই ৪ লাখ ৫০ হাজাৰ টকাটো তেওঁৰ একাউন্টত আহিব পাৰে । মই আপোনাক অনুৰোধ কৰিম, আপুনি অলপ initiative লৈ কামখিনি শেষ কৰি পেলাওঁক ।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ । মাননীয় সদস্য ঋতুপৰ্ণ বৰুৱা ।

**শ্ৰীঋতু পৰ্ণ বৰুৱা, সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, মই ৰূপক শৰ্মাৰ দৰেই ডিব্ৰুগড় জিলাৰ লিষ্টখন চালো, তাত এখনো মাতৃভাষাৰ মাধ্যমৰ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী কিন্তু পোৱা নাই ।এখনো মাতৃভাষাৰ বিদ্যালয় পোৱা নাই কাৰণে এইটোৰ ক্ষেত্ৰত আমাৰ জিলাবোৰত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি হ'ব । তাৰ লগতে দৰিদ্ৰৰ কথাটো যিহেতু আহিছে, ইয়াত মই দেখিছো যে ডিব্ৰুগড়ৰ এগৰাকী নাৰ্চিং হোমৰ মালিকৰ পুত্ৰও এইখন তালিকাত আছে । গতিকে বিষয়টো মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টিগোচৰ কৰিছো ।

**ড০হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী** ঃ মাননীয় অধ্যক্ষ মহোদয়, নাৰ্ছিং হোমৰ মালিকৰ লৰাজনে ভৱিষ্যতে ন'বেল বটা পাব পাৰে । দেউতাক নাৰ্ছিং হোমৰ মালিক হ'ল বুলি আমি ল'ৰাজনক কিয় বেয়া কৰো ! মোৰ কথাটো হ'ল ইঞ্জিনীয়াৰৰ লৰা,অমুকৰ লৰা এই কথাবোৰ আহিবই নালাগে । দেউতাক আৰু ল'ৰা এই দুজন সম্পূৰ্ণ বেলেগ মানুহ । গতিকে মই ভাবোঁ যে ল'ৰা-ছোৱালীৰ identity দেউতাকৰ জৰিয়তে চোৱাটো উচিত নহয়। সেই ল'ৰাজনে যদি নিজে আগবাঢ়ি আহি কৈছে যে মোক এজন মেন্টৰ লাগে, I want to excel , মই অসমৰ কাৰণে নাম আনিব খোজো, আপত্তি নাই ।গতিকে বিধায়ক মহোদয়, তেওঁলোকেটো প'ৰ্টেল আবেদন কৰিছে । আমাৰ যিকোনো বিধায়কে যদি ২০জন ২০জন ল'ৰাৰ নাম দিয়ে, আমাৰটো ইয়াত আপত্তি নাই। এইটো কোনো ফাইনেন্সিয়েল নহয় আৰু বিৰূপ প্ৰতিক্ৰিয়া কিয় হ'ব ? প্ৰতিক্ৰিয়া কৰা মানুহসকল অসমত থাকিবই। কোনোবাই যদি কয়, মই আপোনাৰ পৰা দুটা কথা শিকিব খোজো, তেওঁ যদি আবেদন কৰে,সেইটোৰ ওপৰত বিৰূপ প্ৰতিক্ৰিয়া কিয় হ'ব? তাত কোনো লেনা-দেনা,টকা-পইচা, স্কলাৰশ্বিপ একো নাথাকে । ইয়াত মাত্ৰ মাজে মাজে মেইল কৰিব,Reply হ'ব, সপ্তাহত,মাহত বা বছৰত দুদিন সাক্ষাৎ হ'ব । আমাৰ অফিচাৰজন ঘৰত গৈ মানুহজনৰ লগত দুদিন কথা পাতিব । তেখেতৰ পুৰণি নোটবুক থাকিলে দিব । গতিকে নাৰ্ছিং হ'মৰ মালিকৰ লৰাজনে হয় ইন্টাৰনেট চাই স্কীমটো দেখা পাইছে

আৰু আবেদন কৰিছে । গাঁৱৰ দৰিদ্ৰ মানুহে আবেদন কৰিব নোৱাৰে ,পোৰ্টেইল দেখা নাপায় । তেওঁলোকে বিধায়ক সকলক ভোট দিছে । গতিকে আপোনালোকে২০ জনৰ নাম দি দিয়ক, কাইলৈ মই সেইখিনিৰ নাম সন্নিবিষ্ট কৰি দিম। মোৰ এটা অনুৰোধ আছে যে - বাপেকৰ নাম দি পুতেকৰ চিনাকী বিচৰা স্বভাৱটো বাদ দিব লাগে। কাৰণ তেওঁ নিজে Choice কৰি জন্ম নলয়।

. **মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ, এতিয়া মাননীয় সদস্য নুৰুল হুদা ।

**শ্ৰীনুৰুল হুদা,সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়, ভাৰতবৰ্ষৰ আন আন ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যখনত আই এ এছ, আই পি এছ, আই এফ এছ আদিৰ সংখ্যা কম । আমাৰ মেধাবী ছাত্ৰ-ছাত্ৰী সকলে বি,এ পাছ কৰাৰ পিছত আৰ্থিক দুৰৱস্থাৰ বাবে পঢ়া-শুনা কৰিব নোৱাৰে । মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যে এই সকলৰ কাৰণে সুকীয়াকৈ যদি এটা Coaching চেন্টাৰ বিনামূলীয়াকৈ কৰি দিব পৰা যায় ভাল হয় । যিহেতু বিভাগটো মানৱ সম্পদ সৃষ্টিকাৰী বিভাগ,গতিকে আমাৰ মানৱ সম্পদ সৃষ্টিৰ বাবে মাননীয় মন্ত্ৰী মহোদয়ে এই পদক্ষেপটো যদি লয়,আমাৰ বহুত উপকাৰ হব ।

**মাননীয় অধ্যক্ষ** ঃ মাননীয় মন্ত্ৰী, ড০ হিমন্ত বিশ্ব শৰ্মা ।

**ড০ হিমন্ত বিশ্ব শৰ্মা,মন্ত্ৰী** ঃ অধ্যক্ষ মহোদয়, বিভিন্ন ধৰণৰ ট্ৰেইনিং চেন্টাৰ অসমত আৰম্ভ হৈছে। বিভিন্ন NGO ই কৰিছে, অইল ইণ্ডিয়াইও কৰিছে ।আমি তাত এইটো ৰুল কৰিছো যে যি সকলে preliminary পাছ কৰে, তেওঁলোকক আমি সহায় কৰো । কাৰণ কোন লৰাই কিমান দূৰলৈকে যাব পাৰিব বা নোৱাৰিব এইটো আগতে ধৰা টান । আই এ এছ ট্ৰেইনিং স্কুলবিলাকত সাধাৰণতে বহুত ওপৰৰ কোৰ্চ মেটেৰিয়েলচ লাগে,কিন্তু মই ভাবো যে আমাৰ Administrative Staff collage ত আমি তেনেকুৱা এটা ব্যৱস্থা কৰিব পাৰো। আগতে এটা ট্ৰেইনিং চেন্টাৰ আছিল কিন্তু মাজতে সেইটো বন্ধ হৈ গৈছে । গতিকে মই এবাৰ এছ এ আৰ টি বিভাগৰ লগত আলোচনা কৰি চাম । তেওলোকে যদি ষ্টাফ কলেজত সেই ট্ৰেইনিং প্ৰগ্ৰেমটো আকৌ আৰম্ভ কৰিব পাৰে তেতিয়া আমি আৰম্ভ কৰিব পাৰো । যি সকলে preliminary পাচ কৰে,তেওলোকক আমি ১ লাখ টকালৈকে স্ক'লাৰশ্বিপ দিও । mains পৰীক্ষাৰ বাবে সাজু হ'বৰ কাৰণে এইবাৰ সেই স্ক'লাৰশ্বিপটো বঢ়োৱাৰ প্ৰস্তাৱ এটা আমি বিবেচনা কৰি আছো । ২,৩ লাখ টকা প্ৰিলিমিনাৰেৰি পাছ কৰা লৰা-ছোৱালী খিনিক দিব পাৰি নেকি সেই বিষয়ে চৰকাৰে বিচাৰ-বিবেচনা কৰি আছে ।

**মাননীয় অধ্যক্ষ** ঃ প্ৰশ্ন নং ১৪৩, বিনন্দ কুমাৰ শইকীয়া ।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া,সদস্য** ঃ মাননীয় অধ্যক্ষ মহোদয়,মই মাননীয় মন্ত্ৰী ডাঙৰীয়াই দিয়া উত্তৰখিনি পঢ়ি চাইছো । ক্ৰীড়া ক্ষেত্ৰখনত বৰ্তমান চৰকাৰখনে ভালেখিনি উল্লেখনীয় পদক্ষেপ গ্ৰহণ কৰা কথাটো সচা, আৰু দেখিছো ইয়াত ১৭ বছৰ অনুৰ্ধৰ 'ফিফা বিশ্বকাপ ' হৈছে,বেডমিন্টন প্ৰিমিয়াৰ লিগ হৈছে, বিশ্ব যুৱ মহিলা বক্সিং চেম্পিয়নশ্বিপ হৈছে । আমাৰ অসমৰ ছোৱালীয়ে গ'ল্ড মেডেল পাইছে আমি ভাল পাইছো । ইয়াত এখন তালিকাত দিছে যে বৰ্তমান অসমত চৰকাৰে কি কি ক্ৰীড়াৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ কৰিছে । কিন্তু চাৰ, আমাৰ গুৱাহাটীত বা চহৰ অঞ্চলত যি ধৰণে কিছু কাম হৈছে, দেখিছো যে সমান্তৰালভাৱে গ্ৰাম্যঞ্চলৰ ক্ৰীড়াৰ ক্ষেত্ৰত তেনেকুৱা ধৰণৰ পদক্ষেপ বিভাগে গ্ৰহণ কৰিব পৰা নাই । আঁচনিবোৰ ঘোষণা কৰিছে কিন্তু সেই হিচাপে হোৱা নাই । বেছিভাগ প্ৰতিভা ৱান খেলুৱৈ গাওঁৰ পৰাই ওলাইছে , আৰু গাঁৱত এনেকুৱা টেলেন্টেড বহুত আছে । এতিয়া কথাটো হৈছে মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম বিকাশ যোজনাৰ অধীনত ৫০০খন খেলপথাৰ উন্নতি কৰাৰ আঁচনি এটা আমাৰ ক্ৰীড়া বিভাগে লৈছিল ।তাত ৫/৬ খন মান খেল পথাৰ উন্নীতকৰণ কৰাৰ আঁচনি

মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্যবিকাশ যোজনাৰ অধীনত ২০১৭-১৮ বিত্তীয় বৰ্ষত ক্ৰীড়া বিভাগে লৈছিল। আজি ২০১৭-১৮ বিত্তীয় বৰ্ষ শেষ হ'বলৈ আৰু এটা মাহ আছে। আমি এতিয়া নামবোৰ দি থৈছো। এতিয়ালৈকে কিয় এই খেলপথাৰসমূহৰ উন্নীতকৰণৰ কামবোৰ আৰম্ভ কৰা নাই। আমাৰ working season মাত্ৰ আৰু এটা মাহ আছে আৰু খেলপথাৰ বুলি ক'লেতো তাত মাটিৰ কাম হ'ব। এতিয়া অন্যস্থানত কাম থাকিব। এই কামখিনি কেতিয়া আৰম্ভ কৰিব? কিমান সোনকালে আৰু কিমান দিনৰ ভিতৰত আৰম্ভ কৰিব সেই কথাটো স্পষ্টভাৱে মাননীয় মন্ত্ৰী ডাঙৰীয়াই জনাব নেকি?
মাননীয় অধ্যক্ষ ঃ ধন্যবাদ।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য ডাঙৰীয়াই যি বিষয় উত্থাপন কৰিছে যে ২০১৭-১৮ বিত্তীয় বৰ্ষত মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্যবিকাশ যোজনাৰ অধীনত অসম যুৱ উন্নয়ণ অভিযান সমিতিৰ জৰিয়তে অসমৰ উন্নয়ণ খণ্ড সমূহত দুখনকৈ খেলপথাৰ উন্নীতকৰণৰ বাবে ৫০০ খন খেলপথাৰত এনেধৰণৰ আঁচনি লোৱাৰ ব্যৱস্থা কৰা হৈছে। এই আঁচনিৰ বৰ্তমান মডেল প্ৰস্তুতিকৰণৰ বাবে কিছু সময় ল'লে। এই আঁচনিখন বৰ্তমান প্ৰস্তাৱিত পৰ্য্যায়ত আছে আৰু আমি আশা ৰাখিছো যে অতি কম দিনৰ ভিতৰতে পুঁজি সাপেক্ষে আমি ব্যৱস্থা গ্ৰহণ কৰিব পাৰিম।

**শ্ৰী বিনন্দ কুমাৰ শইকীয়া, চিপাঝাৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই সঠিকভাৱে উত্তৰটো নাপালো মন্ত্ৰী ডাঙৰীয়াৰ পৰা। তথাপি কম দিনৰ ভিতৰত বুলি কৈছে। গতিকে আশ্বস্ত হোৱাৰ বাহিৰে অন্য উপায় নাই আৰু এটা প্ৰশ্ন মোৰ এইখিনিতে আছে। আমাৰ বিভিন্ন ঠাইত ক্ৰীড়া ষ্টেডিয়ামৰ কথাটো ইয়াত আহিছে ডিব্ৰুগড়, কামৰূপত। ছাৰ, আপুনিও জানে আৰু আপুনিও দিছে, হয়তো বিত্তীয় বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই বিভাগ সমূহৰ পৰা এটা Signature Scheme বিচাৰিছিল। মই মোৰ বিধান সভা সমষ্টিত এখন Stadium নিৰ্মাণৰ কাৰণে সেই আঁচনিখন দিছিলো। এই ক্ষেত্ৰত ক্ৰীড়া বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই তেওঁৰ লগত কিবা আলোচনা কৰিছে নেকি? বা ক্ৰীড়া বিভাগে এই বিষয়টোত কিবা কৰিছে নেকি? কাৰণ Stadium নিৰ্মাণৰ কথাটো মই অগ্ৰাধিকাৰ দি দিছিলো আৰু এইখন চৰকাৰৰ দিনত নতুন Stadium নিৰ্মাণ হোৱা নাই। গতিকে প্ৰথমখন মোৰ সমষ্টিত নিৰ্মাণ হ'ব নেকি? মই এই কথাটো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীৰ সমগ্ৰ গ্ৰাম্যবিকাশ যোজনাৰ অধীনত পাঁচ শ খন ফিল্ড ক্ৰীড়া বিভাগে ইতিমধ্যে আমালৈ পঠিয়াইছে। আৰু আমি চেষ্টা কৰিম যে ৩১ মাৰ্চৰ আগতে গোটেই টকাখিনি জিলা পৰ্য্যায়লৈ পঠিয়াই দিয়াৰ কাৰণে আৰু এইটো আমি অগ্ৰাধিকাৰ ভিত্তিত লৈছো। দ্বিতীয়তে যিখিনি Signature Scheme আছিল সেইখিনি কাইলৈ বা পৰহিৰ ভিতৰত finalise কৰিম আৰু এইবাৰৰ বাজেটত গোটেইখিনি Scheme reflect হ'ব আৰু বিনন্দ শইকীয়াই যি Stadium বিচাৰিছে দহ কোটি টকাৰ ভিতৰত হ'লে সেইটো নিশ্চিত ভাৱে এইবাৰৰ বাজেটত reflect হ'ব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া বলীন চেতিয়া ডাঙৰীয়া।

**শ্ৰী বলীন চেতিয়া, শদিয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ আজি খেলপথাৰ নিৰ্মাণৰ যিটো প্ৰশ্ন মাননীয় বিনন্দ শইকীয়া দেৱৰ ফালৰ পৰা আহিছে, তাত দেখা গ'ল যে অসমৰ প্ৰায়বিলাক জিলাত খেলপথাৰ নিৰ্মাণৰ বহুখিনি আঁচনি হাতত লোৱা হৈছে। শদিয়া অতি পিছপৰা এটা সমষ্টি আৰু এখন underground খেলপথাৰ ইয়াত আছে। এই আণ্ডাৰ গ্ৰাউণ্ড খেলপথাৰ অসমৰ ভিতৰত শদিয়াতে আছে যি মেইন ৰাস্তাৰ পৰা ১৫ ফুট তলত। এইখন এখন সৰু Stadium আৰু সেইখনৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে বহুবাৰ আমি আবেদন কৰিছিলো। এবাৰ বিভাগৰ ফালৰ পৰা

আমাক জনোৱা হ'ল যে ২.৫০ কোটি টকা চৰকাৰে দিব সেইবাবে এটা আঁচনি প্ৰস্তুত কৰিব লাগে। আমি বিভাগৰ বিষয়াসকলৰ লগত মিলি আঁচনি প্ৰস্তুত কৰি সম্পূৰ্ণ কৰি বিভাগলৈ পঠোৱা হ'ল।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কি হৈ আছে?

**শ্ৰী বলীন চেতিয়া, শদিয়া ঃ** আজিলৈকে কোনো ধৰণৰ উত্তৰ পোৱা নাই বিভাগৰ ফালৰ পৰা। মই আজি আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে এই আঁচনিখন কি হ'ল?

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই ২০১৭-১৮ বিত্তীয় বৰ্ষত IRDF ৰ ফালৰ পৰা ২৫ লাখ টকা ক্ৰীড়া বিভাগলৈ অনুমোদন দিয়া হৈছিল কিন্তু পৰৱৰ্ত্তী দিনত যেতিয়া আমি এই ২৫ লাখ টকাত আঠখন Stadium নিৰ্মাণৰ বাবে প্ৰস্তাৱ কৰিলো তেতিয়া IRDF এ ক'লে যে Stadium নিৰ্মাণৰ বাবে IRDF ৰ শিতানৰ টকা দিয়া নহ'ব। সেয়েহে এইবাৰ State budget ৰ পৰা বলীন চেতিয়া ডাঙৰীয়াই যি Stadium ৰ প্ৰস্তাৱ আগবঢ়াইছিল তেখেতৰ Stadium টো অন্তৰ্ভূক্ত কৰি নিৰ্মাণ কৰাৰ ব্যৱস্থা হাতত লৈছোঁ।

**মাননীয় অধ্যক্ষ ঃ** আমিনুল ইছলাম ডাঙৰীয়া।

**শ্ৰী আমিনুল ইছলাম,ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়, ক্ৰীড়াৰ ক্ষেত্ৰত আমাৰ ৰাজ্যখনৰ যি সকলে বহিঃৰাজ্যত আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত যথেষ্ট ভাল এটা ফলাফল প্ৰদৰ্শন কৰিছে, এই ক্ষেত্ৰত দেখা গৈছে যে বহু সময়ত আমি হয়তো গম নাপাওঁ। যোৱা সপ্তহত আমাৰ ধিঙৰ এগৰাকী অতি দুখীয়া ছোৱালী সীমা দাস। তেওঁ ইমান দুখীয়া যে ৰাইজৰ পৰা সহায়-সহযোগিতা লৈ আন্তঃৰাষ্ট্ৰীয় এথলেটিক্চ জাকাৰ্টাত গৈ দুটা সোণৰ পদক পাইছে। এই সপ্তাহত আহি অসম পাবহি। মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰিছো যিহেতু আন্তঃৰাষ্ট্ৰীয় Athletics ত সীমা দাসে দুটা সোণৰ পদক লৈ আহিছে, গতিকে ৰাজ্য চৰকাৰৰ ফালৰ পৰা কিবা এককালীন সহায় কৰিব পাৰিব নেকি? কোনো চাকৰি বা অন্য কোনো সাহাৰ্য্য দিব পৰা যায় নেকি?

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে কম কথাত প্ৰশ্ন কৰিবলৈ এটা আৰ্ট শিকক। নহ'লে অসুবিধা হ'ব।

**শ্ৰী নৱ কুমাৰ দলে, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মুখ্য মন্ত্ৰী ডাঙৰীয়াৰ পৰামৰ্শমতে অতি গুৰুত্বপূৰ্ণ ক্ৰীড়া প'লিচিখন লোৱা হৈছে। বিশেষকৈ যিসকল খেলুৱৈ অলিম্পিক খেলত সোণৰ পদক অৰ্জন কৰে তেখেতসকলক এক কোটি টকা, ৰূপৰ পদক পোৱা সকলক ৭৫ লাখ টকা আৰু ব্ৰঞ্জৰ বাবে ৫০ লাখ টকা দিয়াৰ ব্যৱস্থা কৰা হৈছে। ঠিক তেনেকৈ এছিয়ান গেইমছত সোণৰ পদক পোৱা সকলক ৫০ লাখ টকা, ৰূপৰ ৩০ লাখ টকা আৰু ব্ৰঞ্জৰ ২০ লাখ টকা আৰু ঠিক তেনেদৰে কমন ওৱেলথ্ গেমছত সোণৰ পদকৰ বাবে৫০ লাখ টকা, ৰূপৰ ৩০ লাখ টকা আৰু ব্ৰঞ্জৰ ২০ লাখ টকা দিয়াৰ বাবে আমি ইতিমধ্যে সিদ্ধান্ত লৈছো। আৰু যি গৰাকী ক্ৰীড়া পৰীক্ষকৰ অধীনত প্ৰশিক্ষণ লৈ আমাৰ এই কেইগৰাকী খেলুৱৈয়ে অলিম্পিক, এছিয়ান, কমন ওৱেলথ্ আৰু বিশ্ব ক্ৰীড়া প্ৰতিযোগিতাত পদক বুটলিবলৈ সক্ষম হ'ব সেই গৰাকী প্ৰশিক্ষককো আৰ্থিক পুৰস্কাৰ দিম। আৰু অলিম্পিক পদক প্ৰাপ্ত ৰাজ্যৰ স্থায়ী বাসিন্দা খেলুৱৈক প্ৰথম শ্ৰেণীত অসমৰ অসামৰিক সেৱা,অসম আৰক্ষী সেৱা, সমবায় সমিতিৰ পঞ্জীয়ক, কৰ অধীক্ষক, আৱকাৰী অধীক্ষক, জিলা পৰিষদৰ বিষয়া আদি পদত পোন-পটীয়া ভাৱে নিযুক্তি দিয়াৰ ব্যৱস্থা হাতত লৈছো। তাৰোপৰি এছিয়ান গেমছ, কমন ওৱেলথ গেমছ, আৰু বিশ্ব ক্ৰীড়া প্ৰতিযোগিতাত পদক পোৱা ভাৰতীয় অলিম্পিক সন্থাৰ দ্বাৰা স্বীকৃতি প্ৰাপ্ত ক্ৰীড়া পদক বিজয়ী ৰাজ্যখনৰ স্থায়ী বাসিন্দা খেলুৱৈ সকলক শ্ৰম বিভাগৰ , পৰিদৰ্শক, আৱকাৰী পৰিদৰ্শক সহকাৰী নিয়োগ বিষয়া, আদি পদত পোনপটীয়া

নিযুক্তি দিয়াৰ ব্যৱস্থা হাতত লোৱা হৈছে। গতিকে আমাৰ সীমা দাস ডাঙৰীয়ানী ইয়াৰ ভিতৰত পৰিলে নিশ্চয়, তাৰ বিহীত ব্যৱস্থা গ্ৰহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** প্ৰশ্নটো আছিল ক্ৰীড়া বিভগৰ আন্তঃগাঁথনি সম্পৰ্কত। এতিয়া সকলোৱে ক'লেতো অসুবিধা হ'ব। সেয়েহে ক্ৰীড়াৰ আন্তঃগাঁথনিৰ ওপৰত প্ৰশ্ন থাকিলে কৰক। নহ'লে নকৰিব। কাৰণ মন্ত্ৰীযে সকলো কথাৰ বাবে well equipped হৈ নাহে। আহিবলৈ সম্ভৱ নহয়। এতিয়া বিনোদ হাজৰিকা। মন্ত্ৰী ডাঙৰীয়া আপুনি প্ৰশ্ন সমূহ নোট কৰি ল'ব আৰু উত্তৰ একেলগে দিব।

**শ্ৰী বিনোদ হাজৰিকা, চাবুৱা ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাবাৰ কেবিনেটত আমি গম পাইছো যে ৭ টা আমাৰ ইণ্ডোৰ ষ্টেডিয়ামৰ বাবে ২.৫০ কোটি টকা ধাৰ্য্য কৰিছিল আৰু সেইধৰণে বিভগীয় মানুহ গৈ চাবুৱাতো এটা ষ্টেডিয়ামৰ কথা কোৱা হৈছিল। এইটোৰ কাৰণে মাটি চোৱা হৈছিল আৰু গোটেইখিনি লেণ্ড ডকুমেণ্ট দিয়া হৈছিল। কিন্তু ষ্টেডিয়ামটো হোৱা নাই।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া কথাটো হ'ল, যে ২.৫০ কোটি টকাৰ চাবুৱাৰ ষ্টেডিয়মটো হোৱা নাই।

**শ্ৰী বিনোদ হাজৰিকা, চাবুৱা ঃ** এটা কথা আছিল ছাৰ, আমাৰ যিটো সৰ্বানন্দ সোণোৱাল ষ্টেডিয়াম আছে, সেই ষ্টেডিয়াম আছে, আমাৰ মাননীয় মুখ্য মন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া যেতিয়া union মিনিষ্টাৰ আছিল সেই সময়ত ২০ কোটি টকা চেংছন কৰিছিল আৰু ধুনীয়া এটা পৰিৱেশ চলি আছে। কিন্তু ইয়াৰ আগতে যিখিনি কাম হৈছে, সেইখিনি সম্পূৰ্ণ বিসংগতিপূৰ্ণ আৰু আধাৰুৱা হৈ আছে। তাৰ কাৰণে এটা উচ্চ পৰ্য্যায়ৰ তদন্ত গ্ৰহণ কৰিবলৈ অনুৰোধ কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া গুৰুজ্যোতি দাস।

**শ্ৰী গুৰুজ্যোতি দাস, মঙ্গলদৈ ঃ** ধন্যবাদ অধ্যক্ষ মহোদয়। গুৱাহাটীৰ ওচৰতে মংগলদৈ। এতিয়া আমৰ বি চি চি আই লেভেলৰ বহুখিনি খেল হৈ গৈছে। মংগলদৈ Stadium টো অৰ্ধ নিৰ্মিত হৈ আছে। সেইটো সম্পূৰ্ণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া আজিজ আহমেদ খান।

**শ্ৰী আজিজ আহমেদ খান,দক্ষিণ কৰিমগঞ্জ ঃ** মাননীয় অধ্যক্ষ মহোদয়, উন্নয়ন খণ্ডত দুটা দুটা খেল দিয়াৰ কথা কৈছে মন্ত্ৰী মহোদয়ে। কিন্তু আমাৰ সমষ্টিত এটাও উন্নয়ন খণ্ড নাই। এতিয়া আমাৰ তাত কি ভাৱে দিব?

**মাননীয় অধ্যক্ষ ঃ** এইটো বেলেগ হ'ব। পিছত আলোচনা কৰিম। এতিয়া গুণীণ দাস ডাঙৰীয়া।

**শ্ৰী গুণীন্দ্ৰ নাথ দাস, বৰপেটা ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অৱগত কৰিব খুজিছো যে আমাৰ বৰপেটাৰ ৰামদিয়া ষ্টেডিয়ামখনৰ "খেলো ইণ্ডিয়া খেলোত" DPR কৰি পঠোৱা হৈছে। এই ক্ষেত্ৰত কি ব্যৱস্থা লোৱা হৈছে? তাৰোপৰি হাউলী চণ্ডীগ্ৰাম Stadium ৰ আন্তঃগাঁথনিৰ কামখিনি অতি লেহেমীয়া হৈ আছে গতিকে এইটো চাব লাগে।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্বেৰমান আলী আহমেদ ।

**শ্ৰী শ্বেৰমান আলী আহমেদ, বাঘবৰ ঃ** মাননীয় অধ্যক্ষ মহোদয়, ১৪৩ নং প্ৰশ্নৰ উত্তৰৰ যোগেদি তথা মন্ত্ৰী মহোদয়ৰ আশ্বাস মতে জানিব পাৰিছো যে ক্ৰীড়াৰ ক্ষেত্ৰত আন্তঃগাথনি উন্নয়নৰ কাৰণে যথেষ্টখিনি কাম কৰা হৈছে। আৰু ভৰিষ্যতে উন্নয়ন কৰা হ'ব। কিন্তু মাননীয় অধ্যক্ষ মহোদয়, আমাৰ যিটো sports policy তাত গম পাইছো যে আমাৰ যিটো physical education সেইটো বাধ্যতামূলক বিষয় কৰিব লাগে। অসমৰ বাহিৰৰ বহু ৰাজ্যত physical education বাধ্যতামূলক। গতিকে physical education মহাবিদ্যালয় পৰ্য্যায়ত বাধ্যতামূলক বিষয় কৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় ক্রীড়া মন্ত্রী এতিয়া উত্তৰ দিব।

**শ্রীনৱ কুমাৰ দলে, মাননীয় মন্ত্রী, সাংস্কৃতিক পৰিক্রমা ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য বিনোদ হাজৰিকা ডাঙৰীয়াই যিটো ষ্টেডিয়ামৰ বিষয় উত্থাপন কৰিছে, এইটো আৰ আই ডি এফৰ যিখিনি বিষয় বলিন চেতীয়া ডাঙৰীয়াৰ উত্তৰত কৈছো , ঠিক তেনেদৰে তেখেতৰ ষ্টেডিয়ামখন ৰূপায়নৰ বাবে আমি এই আঁচনিখন বাজেটত অৰ্ন্তভূক্ত কৰিছো আৰু যিখিনি মাননীয় মুখ্যমন্ত্রীৰ নামত ষ্টেডিয়াম নির্মানৰ কিছু আসোঁৱাহৰ কথা কৈছে ,এই বিষয়ে আমি উচিত তদন্ত কৰি তাৰ বিসংগতিসমূহ দুৰ কৰাৰ ব্যৱস্থা কৰিম। মাননীয় সদস্য গুৰুজ্যোতি দাস ডাঙৰীয়াই মঙ্গলদৈ ষ্টেডিয়ামৰ বিষয়টো উত্থাপন কৰিছে এই বিষয়টো আমি পৰীক্ষা কৰি পুঁজি সাপেক্ষে বিহীত ব্যৱস্থা গ্রহণ কৰিম। মাননীয় সদস্য আজিজ আহমেদ খান ডাঙৰীয়াই যিখিনি বিষয় উত্থাপন কৰিছে , সেইটো ক্ষেত্রত কৈছো, আপুনি আমাৰ ওচৰলৈ আহিব আমি বিষয়টো আলোচনা কৰি তাৰ ব্যৱস্থা গ্রহণ কৰিম। মাননীয় সদস্য গুনীন দাস ডাঙৰীয়াই ''খেলো ইণ্ডিয়া''ৰ আঁচনি এখন তেখেতেআমালৈ প্রেৰণ কৰিছে, এই বিষয়টো আমি ভাৰত চৰকাৰলৈ প্রেৰণ কৰাৰ ব্যৱস্থা কৰিছো। ভাৰত চৰকাৰৰ অনুমোদন সাপেক্ষে তাৰ ব্যৱস্থা গ্রহণ কৰা হ'ব।

**মাননীয় অধ্যক্ষঃ** ধন্যবাদ....। মই বাকী সকলো সন্মানীয় সদস্যকে স্পৰ্টছত ইমান ইনটাৰেষ্ট দেখুৱা বাবে ধন্যবাদ দিছো । মোৰ সময়ৰ কনচট্রেইন আছে। সেই কাৰনে দিব পৰা নাই। কিন্তু এই বিষয়ে বিস্তাৰিত আলোচনা যদি আপোনালোকে কৰিব বিচাৰে মই আগবাঢ়িবলৈ ইচ্ছা কৰিম। পিছৰ প্ৰশ্নটো ১৪৪ - দেবব্ৰত শইকীয়া ডাঙৰীয়া , তেখেতে অথৰাইজড কৰি গৈছে খালেক ডাঙৰীয়াক।...... খালেক ডাঙৰীয়াই কওঁক।

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, স্বাস্থ্য ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্রীআব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰশ্নৰ উত্তৰত দেখা গৈছে যে, আমাৰ ২০১৭ চনত ১ লাখ ৮৮ হাজাৰ ৬২৯ জন কলা শাখাত ছাত্র-ছাত্রী অৱতীৰ্ণ হৈছে উচ্চতৰ মাধ্যমিকত, বিজ্ঞান শাখাত ৩৬ হাজাৰ ৫শ ১৬ জন, বানিজ্য শাখাত ১৭ হাজাৰ ৪ শ ৩৮ জন প্রশ্নটো হৈছে অধ্যক্ষ মহোদয়, মন্ত্রী মহোদয়ে নিশ্চয় এই কথা অনুভৱ কৰে যে বিজ্ঞান শাখা আৰু বানিজ্য শাখাত আমাৰ এনৰোলমেন্ট যথেষ্ট কম। তাৰ কাৰন হৈছে বিজ্ঞান শাখা আৰু বানিজ্য শাখা প্রভাইড কৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা কম। তদুপৰি বৃত্তিমূলক শাখা বুলিও উচ্চতৰ মাধ্যমিকত এটা শাখা আছে। মন্ত্রী মহোদয়ে, আপোনাৰ জৰিয়তে জনাব নেকি এই কথা সদনত যে যিহেতু আমাৰ বিজ্ঞান শিক্ষা আৰু বানিজ্য শিক্ষাৰ প্ৰয়োজনীয়তা আছে, গতিকে নতুনকৈ কিমান হায়াৰ চেকেণ্ডেৰী চেকচন খোলা হ'ব বা কিমানখন খুলিবলৈ প্ৰস্তাৱ কৰা হৈছে, আৰু ক'ত ক'ত খুলিবলৈ বিচৰা হৈছে ? মন্ত্রী মহোদয়ে অনুগ্রহ কৰি জনাব নেকি ?

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, স্বাস্থ্য ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, এই বছৰ , যিবিলাক মহাবিদ্যালয়ত বিজ্ঞান শাখা নাই , সেই বিলাক মহাবিদ্যালয়ত বিজ্ঞান শাখা খুলিবলৈ অনুমতি দিয়াৰ প্ৰক্ৰিয়া আমি আৰম্ভ কৰিছো। ইতিমধ্যে আমি চিপাঝাৰ মহাবিদ্যালয়ত বিজ্ঞান শাখা খুলিবলৈ অনুমতি দিলো। বৰনগৰ কলেজতো আমি বিজ্ঞান শাখা খুলিবলৈ অনুমতি দিলো। শদিয়া আৰু চিলাপথাৰ কলেজত বিজ্ঞান শাখা খোলাৰ প্ৰস্তাৱ আমাৰ বিবেচনাধীন হৈ আছে। গোটেই আইডিয়াটো হ'ল যে হায়াৰ চেকেণ্ডেৰী স্কুলত বিজ্ঞান শাখা আমি খুলিম কিন্তু বৰ্ত্তমান আমি কলেজ বিলাকত বিজ্ঞান শাখা খুলি ল'ব বিচাৰিছো । যি যি কলেজত বিজ্ঞান শাখা নাই তাত

বিজ্ঞান শাখা আমি খুলিম, কাৰণ হায়াৰ চেকেণ্ডেৰী আৰু ডিগ্ৰি তাত দুয়োটাই পাব। নহ'লে হায়াৰ চেকেণ্ডেৰী স্কুলত বিজ্ঞান শাখা খোলাৰ পিচত ডিগ্ৰী পঢ়িবৰ কাৰনে আকৌ কলেজত ছিট লাগিব। সেই কাৰনে অন্ততঃ ৫০ ৰ পৰা ৬০খন কলেজ য'ত বিজ্ঞান শাখা নাই বা বানিজ্য শাখা নাই তাতে আমি অহা ৪-৫ মাহৰ ভিতৰতআমি বিজ্ঞান শাখা, বানিজ্য শাখা খুলিব খুজিছো। তাৰোপৰি উচ্চতৰ মাধ্যমিক বিলাকত ক্লাচ ৰূম বনোৱাৰ কাম আমাৰ চলি আছে। আমি এনেকুৱা এটা প্ৰস্তাৱ লৈছিলো যে, ৫০০ ক্লাচ ৰূম বনাম। আজিকালি নতুনকৈ টেট পৰীক্ষা পাঁচ কৰা শিক্ষকখিনিয়ে হায়াৰ চেকেণ্ডেৰীতো পঢ়াব পাৰে গতিকে য'ত য'ত তেনেকুৱা শিক্ষক আছে তাত হায়াৰ চেকেণ্ডেৰীত এডমিচন ল'বলৈ এইবাৰ আমি অনুমতি দিম য'ত য'ত ইনফ্ৰাচট্ৰাকচাৰটো বৃদ্ধি হৈছে। কিন্তু স্পেচিফিকেলী এনচাৰড ইয়ৰ কোৰেশ্চন এইবাৰ আমি যিমান পাৰো, যিবিলাক কলেজত বিজ্ঞান শাখা নাই, সেই কলেজ বিলাকত বিজ্ঞান শাখা খোলাৰ কাৰনে এইবাৰ আমি গুৰুত্ব আৰোপ কৰিছো।

**শ্ৰীআব্দুল খালেক, জনীয়াঃ** মাননীয় অধ্যক্ষ মহোদয়, কলেজ বিলাকত বিজ্ঞান শাখা খুলিছে ভাল কথা । কিন্তু আমাৰ মূল প্ৰশ্নটো আছিল হায়াৰ চেকেণ্ডেৰী চেকচনৰ ওপৰত। গতিকে অধ্যক্ষ মহোদয় যিখিনি স্কুলত অলৰেডী স্কুল বিল্ডিং বনালে, সেইখিনি স্কুলত অতিশিঘ্ৰে চৰকাৰে বা মন্ত্ৰী মহোদয়ে বিজ্ঞান শাখা বা বানিজ্য শাখা খোলাৰ ব্যৱস্থা কৰিব নেকি? তদুপৰি ভকেচনেল স্কীমৰ যিটো, যিহেতু প্ৰধান মন্ত্ৰীৰ কৌশল যোজনাও কৰি আছে গতিকে এই ভকেচনেল স্কীমৰ সংখ্যাও বৃদ্ধি কৰিব নেকি?

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, স্বাস্থ্য ইত্যাদিঃ** অধ্যক্ষ মহোদয় এই মুহুৰ্ত্তত আমাৰ চৰকাৰৰ সন্মূখত কলেজবিলাকত বিজ্ঞান শাখা খোলাটোহে বিবেচনাধীন হৈ আছে। হায়াৰ চেকেণ্ডেৰীৰ ফাৰ্ষ্ট ইয়েৰৰ পৰা পোষ্ট গ্ৰেজুৱেটলৈ বিজ্ঞান শাখা কলেজবিলাকত খোলাৰ প্ৰস্তাৱ বিবেচনাধীন হৈ আছে। মই সন্মানীয় বিধায়কসকলক অনুৰোধ কৰিম যে তেওলোকে যাতে ইনেচিয়েটিভ লয়।, দুই- চাৰিজন বিধায়ক এনেকুৱা ক্ষেত্ৰত ইনিটিয়েটিভ লোৱা কাৰনে তাত হৈছে। বিশেষকৈ আমাৰ বিনন্দ কুমাৰ শইকীয়া ডাঙৰীয়াই ইনিচিয়েটিভ লোৱা কাৰনে চিপাঝাৰ কলেজত বিজ্ঞান শাখাটো খুলি গ'ল। তেনেকৈ আমাৰ ৰঞ্জিত দাস ডাঙৰীয়াই খুৱ ইনিচিয়েটিভ লোৱা কাৰণে আমাৰ বৰ নগৰ কলেজত বিজ্ঞান শাখাটো খুলি গ'ল। বিত্ত বিভাগে পদ মঞ্জুৰি দিব কাৰণে প্ৰস্তুত হৈ আছে যিসকল সন্মানীয় বিধায়কৰ সমষ্টিত কলা চলি আছে কলেজত , কিন্তু বিজ্ঞান শাখা নাই সেই প্ৰাদেশীকৃত মহাবিদ্যালয় বিলাকত একোটা আমি চাইন্স ষ্ট্ৰীম দিবৰ কাৰনে ইচছুক। আমি চেষ্টা কৰি আছো । মই যেনেকৈ ক'লো শদিয়াত হ'ব, জোনাইত হ'ব আৰু যদি কাৰোবাৰ তেনেকুৱা প্ৰস্তাৱ আছে অকনমান আপোনালোকেও ডি পি আইৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনালো। ফাইলবিলাক সোনকালে আহি গ'লে এই বছৰ এডমিছনৰ আগতে মই অন্তত মিনিমাম ৫০ খন কলেজত চাইন্স আমি ইনট্ৰডিউচ কৰিব পাৰিম। ফ্ৰম হায়াৰ চেকেণ্ডেৰী ফাৰ্ষ্ট ইয়েৰ টু ডিগ্ৰি থাৰ্ড ইয়েৰ। হায়াৰ চেকেণ্ডেৰী স্কুলবিলাকৰ ক্ষেত্ৰত আমি অহা বছৰ পদ ল'ম। এই বছৰ মই কলেজখিনিত কনফাইন কৰিব খুজিছো। চাৰ মই ক্লেৰিফাই কৰি দিব খুজিছো, যিবিলাক কলেজত অকল আৰ্টছ ষ্ট্ৰীম আছে চাইন্স ষ্ট্ৰীম নাই, সেই কলেজবিলাকত আমি চাইন্স ষ্ট্ৰীম দিম। তেনেকৈ গহপুৰ কলেজত কলা শাখা আছে বিজ্ঞান শাখা নাই গতিকে তাত আমি বিজ্ঞান শাখা দিব বিচাৰো।

**মাননীয় অধ্যক্ষ ঃ** please no discussion. this is question hour, you must follow the rules.

**ড° হিমন্ত বিশ্ব শৰ্মা, মাননীয় মন্ত্ৰী, শিক্ষা, স্বাস্থ্য ইত্যাদিঃ** কাৰণ ৩০০ খন কলেজ আছে। ব্যক্তিগতভাবে মই এক্ৰজ দা বোৰ্ড স্কীম দিছো যে, যিবিলাক মহাবিদ্যালয়ত কলা শাখা চলি আছে বিজ্ঞান শাখা নাই সেই সমষ্টিবিলাকৰ বিধায়কসকলে যদি প্ৰপোজেলবোৰ গৰ্ভনিঙ বডিৰ পৰা লৈ আহে , ডি পি আইক ইতিমধ্যে অৰ্ডাৰ দি থোৱা আছে তেওলোকে ফাইলবিলাক ফাৰ্ষ্ট ট্ৰেকত লৈ আহি এইটো প্ৰায়োৰিটি বেচিচত কৰি দিব আৰু য'ত য'ত অসুবিধা হয় মোকো আপোনালোকে যোগাযোগ কৰিলে হ'ব। কিন্তু কোনোবা সমষ্টিৰ পৰা তিনিটা প্ৰপোজেল আহে তেতিয়া হয়তো আমি বিধায়ক ডাঙৰীয়াৰ লগত কথা পাতি এটা দিম । কাৰন এই বছৰ আমি ৫০ খন কৰিব খোজো। মই অগ্ৰাধিকাৰ দিম যিবিলাক সমষ্টিত এখনো কলেজত বিজ্ঞান শাখা নাই। যদি দৰকাৰ হয় ১০০ খন প্ৰপোজেল যদি আহিছে আমি দৰকাৰ হ'লে ১০০ খনেই দিম। বিজ্ঞান শাখা খোলাৰ বাবে আমি অনুপ্ৰানিত কৰিব খুজিছো। এইখন এখন ভাল আঁচনি গতিকে আমাৰ সন্মানীয় বিধায়কসকলক এইটো ক্ষেত্ৰত নিজে অলপ আগবাঢ়ি আহি ইনেচিয়েটিভ ল'বলৈ অনুৰোধ জনাম। আৰু আমি পথবিলাক লগে লগে মঞ্জুৰ কৰি দিম।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি, আপোনাৰ বিসংগতি টো কওঁক।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, বাঘবৰ সমষ্টিত স্বাক্ষৰতাৰ হাৰ যথেষ্ট কম। আজিও প্ৰশ্নৰ উত্তৰত আহিছে, 38 % only. বাঘবৰ সমষ্টিত মাত্ৰ দুখন কলেজ আছে, সেই দুখন কলেজও কলা শাখাত আছে। মই মাননীয় মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ জনাব খুজিছো যে বাঘবৰ সমষ্টিৰ মণ্ডিয়া মহাবিদ্যালয় আৰু লুহিতপুৰীয়া মহাবিদ্যালয়ত যিহেতু স্বাক্ষৰতাৰ হাৰ অতি কম আৰু এখনো মহাবিদ্যালয়ত বিজ্ঞান শাখা নাই। এই দুখন কলেজত বিজ্ঞান শাখা introduce কৰিব নেকি ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে। মন্ত্ৰী ডাঙৰীয়া কওঁক।

**শ্ৰী হিমন্ত বিশ্ব শৰ্মা, শিক্ষাবিভাগৰ মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, এখন কৰিম বুলি আজিয়ে প্ৰতিশ্ৰুতি দিছো। যদিহে দুয়োখন মহাবিদ্যালয় প্ৰাদেশিকৃত হয়। Venture ৰ কাৰণে এইটো আচঁনি নহয় আৰু কাম কৰি থকা শিক্ষকক regularize কৰাৰ কাৰণে এইটো আচঁনি নহয়। Fresh appointment হব লাগিব। বহুতে ধৰক কালি গুৱাহাটিৰ এখন কলেজ আহিছিলে তেওঁলোকে Commerce চলাই আছে। তাত already professor কাম কৰি আছে। তেওঁলোকৰ কাৰণে এইটো আচঁনি নহয়। এইটো Fresh আঁচনি। যেনেকৈ সৰভোগত হৈছে, ছিপাঝাৰত হৈছে, আমি post create কৰিম। তেওঁলোকে advertise কৰিব, appointment দিব। গতিকে বাঘবৰ সমষ্টিত দুখন কলেজৰ যিকোনো এখন কলেজত Science stream দিম বুলি আজিয়ে কৈছো। আপুনি প্ৰস্তাৱটো আনি আমাক দিব, লম কিন্তু দুখন কলেজৰ একেলগে নহয় এখন কলেজৰ হ'ব।

**মাননীয় অধ্যক্ষ ঃ** Question Hour is over. point of order কিবা আছে যদি raise you point of order. শ্ৰী শ্বেৰমান আলি আহমেদ ডাঙৰীয়া।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিলে Unstarred Question No. 348. P&RD সম্পৰ্কীয়। মোৰ প্ৰশ্নটো হৈছিল যে **২০১৬ -১৭** বৰ্ষত মণ্ডিয়া block ত যথেষ্ট work demand দিয়া হৈছিলে। Huge labour ৰে work demand দিছিলে, muster roll generate হ'ল, কিন্তু পৰবৰ্তী পৰ্য্যায়ত FTO

বন্ধ থকা কাৰণে আৰু MGNREGA payment বন্ধ থকা কাৰণে কেইবা কোটি টকা muster roll generate হ'ল যদিও, কামো হ'ল কিন্তু সেইখিনি payment কৰা হোৱা নাই। ইয়াত উত্তৰ দিছে যে ১.২ লাখৰ হে payment pending আছে । এতিয়া system টো হ'ল যে প্ৰথমতে muster roll generate হ'ব, field ত কাম কৰিব, কাম কৰি যেতিয়া block office ত আহিব, তেতিয়াহে MIS হ'ব। MIS হোৱাৰ আগতে FTO বন্ধ হৈ গ'ল। এতিয়া প্ৰায় ৩ কোটি টকাৰ কাম হৈ গ'ল। ২৭ টা পঞ্চায়ত মণ্ডিয়া block অসমৰ ভিতৰত, ইয়াতে বিসংগতিটো হৈছে যে তেওঁলোকে কৈছে ১.২ লাখ অকল MIS generate হৈছে। MIS generate হোৱা খিনি ধৰিলে কিন্তু নহব।

**মাননীয় অধ্যক্ষ ঃ** অকনমান ৰব, point of order যিখিনি আমি rule মতে চলিব লাগে তাত violate হ'লে হয়। আপোনালোকৰ যদি বিসংগতি থাকে, কাৰণ question is vital part of discussion কিন্তু প্ৰত্যেকৰ কথা তেনেকৈ শুনিলে অসুবিধা হ'ব। আপুনি বিসংগতি খিনি লিখিত ভাৱে দিয়ক। মই তাৰ আগতে এটা special announcement কৰিব বিচাৰিছো, তাৰ পিছত মই শুনিম আপোনাৰ কথা।

আজি আপোনালোকৰ table ত vision document ৰ এটা Assam Agenda, ২০৩০ পাইছে। মই এই ক্ষেত্ৰত কব বিচাৰিছো যে United Nations সৰ্বসন্মতক্ৰমে ২০১৫ চনৰ ২৫ চেপ্তম্বৰত Sustainable Development Goals (SDG) লক্ষ্য ঘোষণা কৰি ১৭ টা লক্ষ্য পৃথিৱীৰ সকলো দেশে ২০৩০ চনৰ ভিতৰত যাতে achieve কৰিব পাৰে তাৰ কাৰণে প্ৰচেষ্টা গ্ৰহণ কৰিছিল। অসমত আমাৰ চৰকাৰে ২০১৬ চনত ১ জানুৱাৰীত এই লক্ষ্যত উপনিত হোৱাৰ বাবে দায়বদ্ধতা ঘোষণা কৰে। আৰু ভাৰতবৰ্ষৰ গোটেই ৰাজ্যৰ ভিতৰত এনে ঘোষণা অসমত বোধকৰো প্ৰথম হৈছে।লোক সভাৰ অধ্যক্ষই যোৱা ভাৰতবৰ্ষৰ Presiding Officer's meeting ত SDG কথাটো আমাৰ বিধায়ক বা সাংসদসকলে ভালধৰণে তেওঁলোকে যদি অধ্যয়ণ কৰি লয়, তেতিয়া হ'লে ইয়াক achieve কৰাৰ ক্ষেত্ৰত Executive আৰু Legislator যিটো সংযোগ লাগে সেইটো কৰাতো সম্ভৱ হ'ব। সেই কাৰণে তেখেতে এটা কথা কৈছিল যে আমাৰ ভাৰতবৰ্ষৰ সাংসদ আৰু বিধান সভাৰ কক্ষত, বিধান সভাৰ অধিবেশনত এই কথাবিলাক details আলোচনা কৰাতো প্ৰয়োজন। আমি তেতিয়া সকলোৱে লোক সভাৰ অধ্যক্ষক এটা অনুৰোধ কৰিছিলো যে আপোনালোকে সকলোয়ে মুখ্যমন্ত্ৰীলৈ এখন চিঠি লিখক যাতে আমি এই ব্যৱস্থাটো কৰিব পাৰো। আমি বিৰোধী, শাসকীয় দুয়োটা পক্ষৰ সন্মতি সাপেক্ষে কথা বিলাক কৰিব পাৰো। আৰু accordingly তেখেতে এখন চিঠি লিখিছিল ডিচেম্বৰ মাহত আৰু এতিয়া ভাৰতবৰ্ষত সকলো বিধান সভাত এই Sustainable Development Goal ৰ ওপৰত আমাৰ বিতং আলোচনা আৰম্ভ হ'ব। আমি এটা এটা বিন্দুকৈ আলোচনা কৰিলে বেছি ভাল আছিল, কিন্তু আমাৰ হাতত সময় কম। আমি সেই কাৰণে এইবাৰ এটা দিন ১৭ বিন্দুৰ আলোচনাৰ বাবে ঠিক কৰিছো আপোনালোকে ইতিমধ্যে গম পাইছে। কিন্তু আমি আলোচনা কৰাৰ আগতে আমিও কথা বিলাক বুজিব লাগিব, সেই কাৰণে আমি বুজাৰ কাৰণে আমাৰ হাতত যিহেতু তথ্যপাতি বিলাকৰ অলপ অভাৱ আছে। গতিকে আমি Assembly ৰ break ত ২৬ আৰু ২৭ ফেব্ৰুৱাৰী, ২০১৮ তাৰিখত আমি দুটা দিন ধাৰ্য্য কৰিছো SDG ৰ লগত যিখিনি resource person আছে, আমাৰ যিখিনি মনৰ উৎসুকতা থাকিব পাৰে, সেই খিনি তেওঁলোকৰ লগত আলোচনা কৰি কেনেকৈ আমি অসমত ২০৩০ ত achieve কৰিব পাৰো তাৰ কাৰণে এতিয়া প্ৰস্তুতি চলাব লাগিব। সেই কাৰণে

সেই আলোচনাতো খুব গুৰুত্বপূৰ্ণ। মই সন্মানীয় সদস্য সকলক কৈছো যে আমাৰ অহা ২৩ তাৰিখে সামৰণিৰ পিছত সদন কিছুদিন স্থগিত থাকিব। স্থগিত সময়ত SDG ৰ ওপৰত resource person লগত দুদিনীয়াকৈ আলোচনা কৰিম আমাৰ Central Hall বা New MLA Hostel ৰ Conference Hall তে হওঁক আমি যিকোনো এটাত কৰিম। এই দুই দিনত বোধকৰো মাননীয় বিত্তীয় বিভাগৰ মন্ত্ৰী প্ৰথমদিনা থাকিব। তেখেতেও সেই বিষয়ত অলপ আগবঢ়াই আছে, কি হৈ আছে অসমত সেই খিনি কব। গতিকে আমি সদস্যসকলেও বাকীখিনি কথা বুজিবৰ কাৰণে এটা চেষ্টা চলাম। আৰু গোটেই কথাখিনিত আমি যে empower হম, আমাৰ আলোচনাতো ফলপ্ৰসূ হব। আলোচনা আমি ২৯ মাৰ্চত SDG ৰ ওপৰত দিছো। গতিকে আমি আগতীয়াকৈ ২৬ আৰু ২৭ ফেব্ৰুৱাৰীত যিটো আলোচনা, ইয়াত আমাৰ সন্মানীয় সকলো সদস্যক এই programme টো পোৱাকৈ আহিবলৈ অনুৰোধ কৰিছো। It is very vital. আমি সচাই যদি SDG achieve কৰিব লাগে ২০৩০ ভিতৰত অসমত, চৰকাৰে এটা লক্ষ্য লৈছে , চৰকাৰে এটা আৰম্ভ কৰিছে, গতিকে আমিও তাত যদি সহযোগ নকৰো সকলোৱে তেতিয়াহ'লে এইটো সম্ভৱ নহয়। সেয়ে এই আলোচনাটোত মই সকলোকে থাকিবলৈ অনুৰোধ কৰিছো আৰু মই বিধায়িনি দলৰ Group Leader সকলক এটা অনুৰোধ কৰিছিলো যে আপোনালোক SDG ৰ ওপৰতযিকেইজনে বিশেষ ভাৱে অধ্যয়ন কৰিব, তেওঁলোকৰ লগত মই শুক্ৰবাৰে বা শণিবাৰে এটা আলোচনা কৰিব বিচাৰোঁ। গতিকে আপোনালোকে সেই নামখিনিও দিব, মই আপোনালোকক কথাটো এই কাৰণে কৈছো যে বিধান সভাত আমি কিছুমান নতুন কথা কৰিবলৈ চেষ্টা কৰিছোঁ সকলোৰে সহযোগত। গতিকে আপোনালোকৰ সহযোগ নহ'লেতো কামবিলাক নহ'ব, মই সেই কাৰণে বিশেষভাৱে এই কথাতো এই সময়ত আজি ঘোষণা কৰিলো। এতিয়া মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি আহমেদ ডাঙৰীয়া।

**শ্ৰী শ্বেৰমান আলি আহমেদ, বাঘবৰঃ** মাননীয় অধ্যক্ষ মহোদয়, এটা বিসংগতি আঙুলীয়াই দিলো। দ্বিতীয় বিসংগতিতো হ'ল- ২০১৬-১৭ ৰ pending payment খিনি কেতিয়া কৰিব। উত্তৰ দিলে-payment will be made as and when Block Officer generate the Fund Transfer Order. Fund Transfer যদি বন্ধ হৈ থাকে ২০১৬-১৭ ত কেনেকৈ BDO য়ে generate কৰিব। আৰু এটা কথা অধ্যক্ষ মহোদয়, ইয়াত কৈছে যে high expenditure ৰ কাৰণে মণ্ডিয়া Block ত payment বন্ধ হৈ আছে। মণ্ডিয়া Block ত ১০ কোটি টকা হৈছে যদিও বেলেগ কিছুমান Block ত ৪০, ৫০কোটি টকা লৈ payment হৈছে।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী শ্বেৰমান আলি ডাঙৰীয়া, সকলো কথা সদনত বহি শেষ কৰিব নোৱাৰি। Please give me in written, I will arrange a discussion. এতিয়া মাননীয় সদস্যা শ্ৰীমতী নন্দিতা দাস।

**শ্ৰীমতী নন্দিতা দাস, বকোঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ ১৪৫ যিটো Starred Question তাত Block বিলাকৰ যিটো list দিয়া হৈছিলে reorganization ৰ ক্ষেত্ৰত কামৰূপ জিলাৰ (গ্ৰাম্য) চমৰীয়া সত্ৰ বুলি এটা Block reorganization ৰ list ত নামটো আহিছে। অধ্যক্ষ মহোদয়, এইটো এটা আগতে ভুল হৈ আছিলে। এইটো আচলতে সোনতলী Block হ'ব লাগে মই মন্ত্ৰী মহোদয়ক already চিঠিও দিছিলো এখন। এইটো correction হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটোৰ কাৰণে মন্ত্ৰীক এখন চিঠি দিব, যদি নহয় মোক কব। দৰকাৰ হ'লে chamber ত এবাৰ লগ কৰিব যদি নকৰে মই কৰিম ব্যৱস্থাটো।

এতিয়া মাননীয় সদস্য শ্ৰী বৃন্দাবন গোস্বামী।

**শ্ৰীবৃন্দাবন গোস্বামী (তেজপুৰ)ঃ** অধ্যক্ষ ডাঙৰীয়া, পূৰ্বৰ কংগ্ৰেছ চৰকাৰৰ দিনত যি বিলাক ৰাস্তা ব্লক কৰিছিল, সেই ব্লকটোৰ মই বিৰোধীতা কৰিছিলো আৰু লিখিত ভাবে এক পত্ৰও দিছিলো। কিন্তু মই আচৰিত হৈছো, সেই ব্লকটো সেইধৰণে দিয়া হৈছে। এই বিষয়টোত মোৰ আপত্তি সদায় থাকিব।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মাননীয় সদস্য শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা আপুনি যিটো এছ.ডি.জিৰ ওপৰত কৈছিল।

**শ্ৰীৰমেন্দ্ৰ নাৰায়ণ কলিতা (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এছ.ডি.জিৰ আলোচনা সম্পৰ্কত আপুনি যিটো ২৬-২৭ তাৰিখ দিলে সেই তাৰিখ কেইটাত আমাৰ ডি.আৰ.এছ.চিৰ মিটিং আছে।

**মাননীয় অধ্যক্ষ ঃ** মই ২৬-২৭ মাৰ্চৰ কথা কোৱা নাই, ২৬-২৭ ফেব্ৰুৱাৰীহে হ'ব।

**শ্ৰীআব্দুল খালেক (জনিয়া) ঃ** চাৰ পইন্ট অৱ অৰ্ডাৰ। চাৰ ব্লকৰ কথাটো ওলাইছে আৰু সদনত বিত্ত মন্ত্ৰী মহোদয় উপস্থিত আছে। চিগনেচাৰ প্ৰজেক্টত মই জনিয়া ডেভালপমেন্ট ব্লকটো দিছিলো। গতিকে সেইটো যাতে ইনক্লুড হয় তাৰ বাবে আহ্বান জনালো।

**শ্ৰীআমিনুল ইছলাম (ধিং) ঃ** অধ্যক্ষ মহোদয়, পইন্ট অৱ অৰ্ডাৰ। আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ে পূৰ্বৰ চৰকাৰৰ দিনত শিক্ষামন্ত্ৰী হৈ থকা সময়ত ৫০০ খন উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নিতকৰণৰ কথা কৈছিল। তেখেতে এইবাৰ কৈছে, যত টেট টিচাৰ আছে .......

**মাননীয় অধ্যক্ষ ঃ** অনুগ্ৰহ কৰি আপুনি বহক। এইবিলাক পইন্ট অৱ অৰ্ডাৰ নহয়। এতিয়া কাৰ্য্যসূচী নং ২। যোৱাকালি আমাৰ মাননীয় সদস্য শ্ৰীআব্দুল ৰচিদ মণ্ডল ডাঙৰীয়াই শেষ কৰিছিলে। এতিয়া মই মাননীয় সদস্য শ্ৰীসঞ্জয় কিষাণক বক্তব্য ৰাখিবলৈ অনুৰোধ জনালো তাৰ পিছত শ্ৰীপ্ৰদীপ হাজৰিকাই বক্তব্য ৰাখিব।

**শ্ৰীসঞ্জয় কিষাণ (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটি সৰু গীতৰ কলিৰে মোৰ বক্তব্য আৰম্ভ কৰিব বিচাৰিছো - " চু'ন চু'ন চু'ন ভাই, চল জাৰ মিলে আগুৱাই।। শাসক বিৰোধী, মিলিয়ে কৰিব হামাৰা কাম, বিশ্বই প্ৰতিষ্ঠা কৰিবই, আচাম দেশেৰ নাম।। ধন্যবাদ। অধ্যক্ষ মহোদয়..

**মাননীয় অধ্যক্ষ ঃ** মই আপোনাক এটা অনুৰোধ কৰিম, এই গীতটো আপুনি লিখি আমাৰ প্ৰতিবেদক সকলক দিব। শব্দবিলাক ভুল হলে আমাৰ পিচত দিগদাৰ হয়।

**শ্ৰীসঞ্জয় কিষাণ (তিনিচুকীয়া) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ সকলোৰে মনত আছে যোৱা দিনবিলাকৰ ৰাস্তা-পদুলিৰ কথা। তেনে বহু সমস্যাৰ মই নিজে সম্মুখীন হৈছো, চাইকেল কান্ধত লৈ, ৰাস্তাত তামুল গছ পেলাই ৰাস্তা পাৰ হ'ব লাগিছিল। এই ধৰণৰ অৱস্থা আছিল আমাৰ অসমৰ। মাননীয় প্ৰাক্তন প্ৰধানমন্ত্ৰী শ্ৰীবাজপেইয়ে এই প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনি হাতত লৈছিল যাৰ ফলশ্ৰুতিত আজি গাৱৰ মাজত বিভিন্ন পকী পথ পাবলৈ সক্ষম হৈছো। আমি সচাঁকৈৰে ভাগ্যৱান এই আঁচনিটো সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমটো ৰূপায়ণ কৰি থকা হৈছে। অধ্যক্ষ মহোদয় মই ভাবো আমাৰ কৰ্তন প্ৰস্তাৱ অনাসকলে যদি আগতে কথাবিলাক ভাবিলে হয় তেতিয়া আমাৰ অসমখন বাট-পথৰ দিশত বহু আগুৱাই যাব পাৰিলে হেতেন। মোৰ তিনিচুকীয়া সমষ্টিৰ লগতে সমগ্ৰ তিনিচুকীয়া জিলাত প্ৰায় তিনিশ কিলোমিটাৰ পথ এই পি.এম.জি.এছ. ৱাইৰ আঁচনিৰ

জৰিয়তে পাৰবলৈ সক্ষম হৈছো। এইয়া সঁচাকৈয়ে এক ইতিহাস ৰচনা কৰিছে। মই ভাবো সমগ্ৰ অসমতে ঠিক তেনেদৰে কাম হৈছে আমাৰ চৰকাৰৰ দিনত। অধ্যক্ষ মহোদয়, মই কেইটামান গুৰুত্বপূৰ্ণ বিষয় উত্থাপন কৰিব বিচাৰিছো। এই আঁচনিটো ৰূপায়ণৰ ক্ষেত্ৰত নিৰ্মাণ কাৰ্য্যত কিছুমান বিসঙ্গতি দেখা পোৱা যায়। এটা কথা হৈছে মেটেল বিলাক সহজতে পোৱা নাজায়, যাৰফলত বহু দুৰৰ পৰা মেটেল বিলাক আনিব লগা হয়। এই অজুহাত দেখাই ঠিকাদাৰ সকলে ৰাস্তাৰ কাম নকৰাকৈ জৰাজিৰ্ণ কৰি পেলাই থয়। লগতে আৰু এটা কথা আমি দেখা পাইছো যে অভযন্তা আৰু বিভাগীয় কৰ্মচাৰী সকলে এন.আৰ.চিৰ কামত লাগি থকা বুলি কৈ কোনো ধৰণৰ কাম নকৰে। যাৰ কাৰণে মোৰ সমষ্টিত বহু ৰাস্তা চোৱা-চিতা নকৰাৰ ফলত পৰি আছে। এই বিষয়টো আচনি ৰূপায়ণৰ ক্ষেত্ৰত এক বাধা হিচাপে পৰিগণিত হৈছে। এই পথসমূহ চোৱা-চিতা কৰাৰ বাবে কাৰিকৰী বিশেষজ্ঞৰ যিহেতু প্ৰয়োজন সেয়ে মই বিভাগৰ লগত কথাপাতি গম পালো যে তেখেতসকলৰ কাৰিকৰী দিশ চোৱা মানুহৰ যথেষ্ট অভাৱ আছে। কেতিয়াবা দিল্লীৰ মানুহ আহি কামবোৰ চাই যায়, তেতিয়া কাম ভাল হয়। এই ব্যৱস্থাটো আমাৰ ইয়াতো থাকিলে নাইবা বিষয়াসকলে ভালদৰে চোৱা-চিতা কৰিলে কোনো ধৰণৰ বিসঙ্গতি নহ'ল হেতেন। মই ভাবে এই বিলাক দিশ ভালদৰে চাব লাগে। এইবিলাক ভুল হোৱাৰ বাবে আজি অসমবাসীয়ে ভুগিব লগা হৈছে। মই ভাবো শাসক-বিৰোধী সকলোৱে একলগ হৈ এই বিসঙ্গতি বিলাক দুৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অধ্যক্ষ মহোদয় আৰু এটা কথা মন কৰিছো পূৰ্বতে যিসকল বিয়াগোম ঠিকাদাৰে কাম কৰিছিল সেই ঠিকাদাৰসকলে এতিয়াও কাম কৰি আছে। এই ঠিকাদাৰ সকলে বিল' ৰেটত কাম বিলাক লৈ কাম নকৰাকৈ কামবিলাক পেলাই থয়। মোৰ তাত এজন ঠিকাদাৰ আছে ৰজত গগৈ তেখেতে মোৰ সমষ্টিত চাৰিটা কাম লৈছে তাৰ পিছত বিনোদ হাজৰিকাৰ সমষ্টিত, বিমল বৰাৰ সমষ্টিত, ভাস্কৰ শৰ্মাৰ সমষ্টিত কাম লৈছে, সুৰেণ ফুকনৰ সমষ্টিটো কাম লৈছে। এই কাম বিলাক লৈ গোটেই বিলাক ৰাস্তা কাম নকৰাকৈ পেলাই থৈছে। অধ্যক্ষ মহোদয়, এনেধৰণে যদি কাম নকৰা ঠিকাদাৰে আৰু কাম পাই থাকে এইযিটো চিষ্টেম সেইটো সোনকালে বন্ধ কৰিব লাগে আৰু যিসকল ঠিকাদাৰে কামলোৱাৰ প্ৰতিযোগীতাত থাকে সেইটো বন্ধ কৰিব লাগে। অভিযন্তাৰ নিৰ্দেশত ঠিকাদাৰে কাম কৰিব লাগে কিন্তু আমি দেখিবলৈ পাইছো ঠিকাদাৰৰ মতে অভিযন্তাই কাম কৰে। ঠিকাদাৰে যেনেকৈ বনাই দিয়ে তেনেকৈ কাম কৰে। এইটো এটা আমাৰ কাৰণে যথেষ্ট অসুবিধাৰ কাৰণ। গতিকে যদি এই বিসংগতিখিনি সোনকালে শেষ কৰা হয় তেতিয়া হ'লে মই ভাবো ভাল হ'ব আৰু এতিয়া যিমান কাম হৈছে আৰু সুন্দৰ হৈ উঠিব। এটা ডাঙৰ সমস্যা হৈছে মোৰ সমষ্টিতে বজালনী চাহ বাগান তাত পি.এম.জি.এছ. ৱাইৰ কাম হৈছে তাত বাগানত ৰাস্তাটো সোমাই যোৱাৰ লগে লগে বাগানে গছ উঠাবলৈ দিয়া নাই। তেওলোকে বহুদিন ধৰি বাধা দি আছে। বজালনী গাৱৰ মানুহ আৰু চাহ বাগিছাৰ মানুহৰ মাজত এটা সংঘাট হোৱাৰ এটা পৰিস্থিতি সৃষ্টি হৈছে। গতিকে মই ভাবো যে এই ধৰণ সমস্যা বহু চাহ বাগিচাত হ'ব। চাহ বাগিচাসমূহ মালিকৰ পৈতৃক সম্পত্তি নহয়, তেখেতসকলে লিজত লৈ চলাই আছে। তেওঁলোকে পি.এম.জি.এছ ৱাই আঁচনিৰ ক্ষেত্ৰতে নহয় বহু চৰকাৰী আঁচনিৰ ক্ষেত্ৰত মালিক বিলাকে বাধা দি আছে। গতিকে সোনকালে মালিকগোষ্ঠীক মাতি তেওঁলোকে যাতে কামবিলাক কৰাৰ ক্ষেত্ৰত বাধা আৰোপ কৰিব নোৱাৰে তাৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰিব লাগে। অধ্যক্ষ মহোদয় আৰু এটা কথা দেখিবলৈ পাও যে ৰাস্তা এটা নিবিদা হৈ যোৱাৰ পিছতো কামৰ অৰ্দাৰ পাবৰ বাবে কেতিয়াবা পোন্ধৰ দিন কেতিয়াবা এমাহ লাগি যায়। এতিয়া বৰযুণৰ দিন আমাৰ

সময় নাই, অভিযন্তাসকলে নাইবা ঠিকাদাৰ সকলে কিবা কিবি টেক্‌নিকেলৰ কথা কৈ থাকে। নিবিদা হোৱাৰ লগে লগে যাতে কামটো কৰিব পৰা যায় তাৰ ব্যৱস্থা কৰিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, এতিয়া বৰষুণৰ দিন, সেয়েহে আমাৰ সময় নাই কিবা কিবি টেকনিকেল কৈ থাকে, Contractors বা Engineer সকলে অলপ দিনৰ পিছতে আহিব কিন্তু সেইটো চাওঁতে চাওঁতে প্ৰায় এক-ডেৰ মাহ লাগি যায়। টেনদাৰ হোৱাৰ লগে লগে যাতে কামটো আনিব পৰাকৈ Order হয়, তেতিয়া হে আমি কাম বিলাক সোনকালে কৰিব পাৰিম আৰু এটা অনুৰোধ কৰিব বিচাৰিছো, অধ্যক্ষ ডাঙৰীয়া যে এই চৰকাৰৰ দিনত আমি যথেষ্ট ৰাস্তা বনাইছো, কিন্তু মোৰ সমষ্টিত হয়তো যদি হাজাৰতকৈ বেছি ৰাস্তা আছে, তাৰ ভিতৰত নিশ্চয় আমি ভালেখিনি ৰাস্তা বনাইছোঁ, কিন্তু বহু ৰাস্তা এনেকুৱা আছে, যিবোৰ কেৱল বোকাময়। শিলগুটিৰ যোগান বন্ধ হোৱা কাৰণে ৰাস্তাবিলাক অতি জৰাজীৰ্ণ হৈয়ে থাকিল। কোনো কাৰণতে শিলগুটি সেই ৰাস্তা বিলাকত দিব পৰা নাই যাৰ কাৰণে সঁচাকে আমি কথা শুনি থাকিব লগীয়া হৈছে, মানুহে সদায় ঘৰত আহি মোক আপত্তি কৰি আছে, আপোনালোকে একো নকৰিলে, গতিকে মই ভাৱো এই কথাটো অলপ বিবেচনা কৰাটো ভাল। যি বিলাক ৰাস্তা একেবাৰে বেয়া, সেই ৰাস্তা বিলাকত যাতে অলপ শিলগুটি দিব পাৰো, মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়লৈ এই অনুৰোধ কৰিব বিচাৰিছো লগতে আৰু এটা কথা কৈছো, যে আমাৰ একো একোখন চাহ বাগিচাত প্ৰায় ৫হাজাৰৰ পৰা ৬হাজাৰ মানুহ বসবাস কৰে। যিহেতু বৰ্তমান এই আঁচনিখন ২৫০ মানুহ বসবাস কৰা অঞ্চলত যাব পাৰে বুলি কোৱা হৈছিল, অধ্যক্ষ ডাঙৰীয়া মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিব বিচাৰোঁ, যে চাহ বাগিচাৰ ভিতৰত যিহেতু হাজাৰ হাজাৰ মানুহ আছে, গতিকে তাৰ মাজতে যিবিলাক ৰাস্তা বহল ৰাস্তা গৈছে, সেই বিলাক ৰাস্তা যাতে PMGSY ৰ যোগেদি নিৰ্মাণ কৰিবৰ কাৰণে ব্যৱস্থা গ্ৰহণ কৰা হয়, তাৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো আৰু আশা কৰিছো যে আমাৰ দিনত এই যিখিনি পদক্ষেপ লৈছো ইয়াৰ পৰা অসমবাসী লাভান্বিত হৈছে, মই আজি এইখিনি কথা সদনত অৱগত কৰিবৰ কাৰণে সুবিধা পালো তাৰ কাৰণে ধন্যবাদ জনাই মই মোৰ বক্তব্যৰ সামৰণি মাৰিলোঁ।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা।

**শ্ৰী প্ৰদীপ হাজৰিকা (মাননীয় বিধায়ক, আমগুৰি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি PWD বিভাগক আচলতে আৰু পইচা আৰু দিয়াটো বিচাৰিছোঁ, সেই কাৰণে যিটো কৰ্ত্তন প্ৰস্তাৱ বিৰোধীয়ে আনিছে, সেইটো আমি বিৰোধ কৰি মই কেইটা মান কথা দৃষ্টি গোচৰ কৰিব বিচাৰিছোঁ, PWD বিভাগৰ ২০১০ ত যিখন আইন বনোৱা হৈছে, সেই আইনখনৰ এতিয়াও কিন্তু ৰুলছ্ বিলাক হোৱা নাই। ৰুলছ্ বিলাক নোহোৱাকে যদি বিভাগটোয়ে কাম কৰে তেতিয়া বিভাগটোৰ কাম কোনফালে যাব সেইটো কিন্তু অতি গুৰুত্ব সহকাৰে লোৱা ভাল। সেই বিষয়টো মই দাঙি ধৰিছো আৰু দ্বিতীয় কথাটো হল জৰীপ। এই জৰীপৰ যিটো বিষয়, এই জৰীপ যদি শুদ্ধকৈ নকৰে, তেতিয়া হলে পৰিকল্পনা ভালকৈ কৰিব পাৰিব নেকি? যদি Survey Properly নহয়, তেতিয়া পৰিকল্পনা ভালকৈ হ'ব জানো আৰু যদি Survey ভুল হয়, তেতিয়া পৰিকল্পনা ভুল হব আৰু পৰিকল্পনা ভুল হলে পিছৰ কাম বিলাক গোটেই ভুল হব। এতিয়া সেই কাৰণে মই ভাবিছো যে সঠিকভাৱে Survey হোৱা নাই। সেই কথাটো কিন্তু বিশেষভাৱে লক্ষ্য কৰা ভাল। সেই কাৰণে বিজ্ঞান সন্মত ভাৱে ইয়াৰ পৰিকল্পনা হোৱা আমি দেখা নাই। PMGSY প্ৰায় বিলাক পথেই যেতিয়া বানপানী হয়, তেতিয়া এইখিনি Over Top হয়। ৩/৪ফুট ওপৰেদি পানী বৈ থাকে। এতিয়া সেই বিলাক ৰাস্তা

Survey কৰি তাত PMGSY ৰ অধীনত নিৰ্মাণ কৰিব দিয়ে। যদি পৰিকল্পনা শুদ্ধকৈ হয়, তেতিয়া হলে ৩/৪ফুট ওপৰেদি যে পানী যায়, বানপানীৰ সময়ত এই ৰাস্তা বিলাকত যদি Earth Work নকৰে High Flood ত ৰাস্তা কিমান বুৰি থাকে সেইটো Survey হ'ব লাগিছিল। এতিয়া যদি তাৰ ওপৰতে পকা কৰি দিয়ে, যি বিলাক আমাৰ সদস্যই ইয়াত কৈ আছে, ময়ো দেখিছো একে ঘটনা আমাৰ তাতে হৈ আছে। যোৱা চৰকাৰৰ দিনত যিবিলাক PMGSY আঁচনি ৰাস্তা কৰিছিল, এইবোৰ ৰাস্তা প্ৰায় নাই। এইটো সকলোয়ে কৈ আছে, কি কাৰণে নাই This is not the only one reason, তাত বহুতখিনি কাৰণত এই ৰাস্তা বিলাক নাই। আকৌ এতিয়া পইচা খৰচ কৰিব, তাৰ মানে অধ্যক্ষ মহোদয়, পইচাখিনি হ'ল বুলিয়ে অকল মানে খৰচ হৈ থাকিব লাগে নেকি, তাৰ মানে পইচাখিনিৰ পৰা কামটো হোৱাটো আমি চাব নালাগে নেকি, কিছুমান বৰ ধনী মানুহ আছে, কিছুমান দুখীয়া মানুহ আছে, কিন্তু সেই দুখীয়া মানুহৰ ঘৰতে তেওঁলোকৰ নিজৰ বাৰীৰ শাক-পাচলি আনি আপোনাক যদি ভাত, পানী খুৱাই সেইটো ভাত কিন্তু ধনী মানুহৰ ঘৰত খোৱা ভাততকৈ বহু ওপৰত। তাৰ সোৱাদটো বহুত বেছি, এতিয়া সেই কাৰণে Financial Management সেইখিনি কথাও কিন্তু বিশেষকৈ মানে কোৱা ভাল, পইচাখিনি দি দিলেই চৰকাৰৰ দায়িত্ব শেষ নহয়, পইচাটো দি দিলে আমাৰ এটা এটা সমষ্টিত ৫০/৬০ টাকৈ PMGSY ৰ ৰাস্তা আমি লৈছো। এইটো ভাল কথা মই PWD বিভাগক ধন্যবাদ জনাইছোঁ কাৰণ প্ৰত্যকজন বিধায়কে গম পাইছে, কি কি হেডত ৰাস্তা বিলাক নিৰ্মাণৰ কাৰণে প্ৰতিটো সমষ্টিলৈ পইচা দিছে। কোন কোন হেডত পইচা দিছে, কিমান পইচা দিছে, সেই Details টো হ'ল মানে কথাটো হৈছে, মই ও ইয়াত ১৯৮৫ পৰা কেইবাৰো বিধায়ক হৈ আহিছো। ইয়ালৈ আহি মই দেখিছো বা মোৰো মনত আছে। কিন্তু মই এইটো কৈছো, বিধায়ক সকলক জনোৱা প্ৰয়োজন আছে, বিধায়ক সকলে জনা প্ৰয়োজন আছে, আজি এতিয়া মই PMGSY ৰ ৰাস্তাটোৰ ওপৰত ক'বলৈ উঠিছো, মই যদি নেজানো তেতিয়া হ'লে মইটো ক'ব নোৱাৰিম। মই জানিব লাগিব মোৰ সমষ্টিত কোনখিনি ৰাস্তা লোৱা হৈছে, এইখিনি কাম হৈছে নে নাই, চৰকাৰৰ পইচা ভালদৰে খৰচ হৈছে নে নাই জানিব লাগিব। মই এই কাৰণে আমাৰ চৰকাৰ বৰ্ত্তমানৰ চৰকাৰখনক ধন্যবাদ জনাইছোঁ, যে কাম যিখিনি কৰিব দিয়া হৈছে, কোনটো হেডত পইচা দিয়া হৈছে, এই বিলাক সকলোয়ে গম পাইছে, কোনোটো পেলাই অঞ্চলত কাম কৰিবলৈ দিছে, তেওঁলোকে নজৰ দিব পাৰিছে, এই বিলাক চোৱা কাৰণে কিছু কাম হয়তো ভাল হ'ব। কিন্তু Policy টো কোনোও লব নোৱাৰে, Policy টো চৰকাৰে লব লাগিব, সেই কাৰণে PMGSY ৰ আঁচনিখনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ প্ৰধান ভূমিকা থাকিলেও ৰাজ্য চৰকাৰে কিন্তু এই Policy খনৰ ক্ষেত্ৰত চাব লাগিব। কাৰণ আজি যদি এটা ৰাস্তাৰ ওপৰেদি ৩/৪ হাত পানী পাৰ হৈ যায় তেতিয়া সেই ৰাস্তাটোৰ যি বিধ্বস্ত অৱস্থা হ'ব সেই ক্ষেত্ৰত যদি Earth Work নকৰে, তেতিয়া হ'লে এই ৰাস্তাটো নাথাকিব আৰু পইচাখিনি এনেয়ে খৰচ হ'ব। সেই কাৰণে Earth works policy খন চৰকাৰে ভালকৈ লোৱাটো অন্ততঃ প্ৰয়োজন। অধ্যক্ষ মহোদয়, মই দেখিলো যে ১৯৯১ চনত, সেই Period ত অসমৰ কাঠৰ দলং বোৰ আতৰাই পকি দলং কৰিব বুলি চৰকাৰে এটা সিদ্ধান্ত গ্ৰহণ কৰিলে। আমি খুব ভাল পালো যে এইবাৰ কাঠৰ দলঙৰ ঠাইত পকি দলং হ'ব। এদিন মই নিজে গাড়ী চলাই গৈ গৈ আছিলো, দেখিছো যে এজন অভিযন্তা থিয় হৈ আছে, মোৰ চিনাকি বিষয়া, মই ৰৈ সুধিলো কি হ'ল ? তেওঁ কলে যে চাৰ এই দলং খন আমি dismentu কৰিব বিচাৰিছোঁ। মই সুধিলো, কেনেকুৱা হ'ব এতিয়া ? তাতে Hume পাইপ লৈ গৈছে। তাৰমানে কাঠৰ দলং খন গুচাই দিব আৰু তাত হিউম পাইপ পুতি মাটি দি দিব। মই আচৰিত

হ'লো। মই ক'লো আপোনালোকে এইটো কি কাম কৰিব বিচাৰিছে? আপুনিটো এজন অভিযন্তা আৰু মই যদিও এজন বিধায়ক মই এজন Lay Man কিন্তু, আপুনি এজন অভিযন্তা হয়, আপুনি জানেই যে এই দলং খন গুচাই যদি Hume pipe দি দিব লগা হয়, ইয়াত যিমান পানী যি ধৰণে বৈ আছিলে সিমান খিনি এই Hume pipe দুটাই টানিব পাৰিব নে নাই? যদি নোৱাৰে তেতিয়াহলে এই ৰাস্তাটো over flood হব আৰু ৰাস্তাটো চিঙিব। তেওঁক'লে নহয় চাৱ এইটো। মই ক'লো তেনেহ'লে ঠিক আছে। আপুনি থাকিব আৰু মইও থাকিম যদি ইয়াত Over talk হয়, সেইদিনাখন অনন্তঃ আপুনি আৰু মই আকৌ এবাৰ কথা পাতিম। সভাপতি ডাঙৰীয়া, মই আচৰিত হ'লো, তেওঁ এজন অভিযন্তা কিন্তু I am not an Engineer, কিন্তু, ৩০ ফুট দীঘল কাঠৰ দলং খন আৰু ওখ প্ৰায় ১০ ফুট বা ১২ ফুট clearance আছে। গতিকে ১০-১২ ফুট clearance আৰু ৩০ ফুট দীঘল, এই নৈ খনে তেনেদৰে পানী টানি থাকে, এতিয়া সেইটো হেচা মাৰি hume pipe দুটা দি দিলে। এইটো সু-পৰিকল্পিত ভাৱে কৰা কাম হয়নে? এইটোৰ পৰিকল্পনা ভালকে কৰা হোৱা নাই। এনে ধৰণৰ অবিজ্ঞানসন্মত ভাৱে, অপৰিকল্পিত ভাৱে হাজাৰ হাজাৰ কোটি টকা অসমৰ উন্নয়নৰ নামত কৰিছে বুলি খৰচ কৰা, মই ভাৱিছোঁ পানীত গৈ আছে। মই যিবোৰ অঞ্চলত গৈছো তাত দেখি এই কথাখিনি ক'ব পাৰো যে This become a caronic problems এইটো হোৱাৰ কাৰণে ৰাস্তা over flooding হৈ ৰাস্তা ভাঙিলে, যানটো বাম হৈ গ'ল, এতিয়া কাম কৰিবৰ কাৰণে যথেষ্ট অসুবিধা হ'ল। সেই কাৰণে এনে ধৰণৰ আগ-পিছ নোচোৱাকে কৰা কামৰ ফলত আজি অসমে কিন্তু বহুত ভুগিব লগা হৈছে। সভাপতি ডাঙৰীয়া, আৰু এটা PMGSY ৰ ৰাস্তাৰ কথা কব বিচাৰিছো, মই এখন নৈৰ গড়া চিঙা চাবলৈ বৰপেটালৈ গৈছিলো, PMGSY ৰ ৰাস্তাৰ ওপৰেদি মই গৈ আছিলো, মানুহ বিলাকৰ ঘৰ ইমান ভিতৰত, PMGSY ৰ ৰাস্তা ধুনীয়া পকা, আপুনি আচৰিত হ'ব যে ৰাস্তাটোৰ পকাৰ যিটো এৰিয়া, পকাৰ এৰিয়াটোৰ বাহিৰে যদি গাড়ী এখন কাষেৰে যায় ভাঙি যাব। তাৰমানে ইয়াত চাইড বাম বনোৱা হোৱা নাই। সেইটো ৰাস্তা সুব সম্ভৱ এতিয়া ভাঙিছে। পইচা কিন্তু গৈছে তাত। গতিকে এনে ধৰণৰ যিবিলাক ঘটনা ঘটি আছে, ইয়াৰ পৰা পইচা যোৱাটো দেখিছো কিন্তু তাত যিটো হৈ আছে সেই কথাটো সভাপতি ডাঙৰীয়া কোনে চাব এতিয়া? এইটো কোনে ঠিক কৰিব আৰু এইবোৰ পৰিকল্পনা কোনে কৰিব? বিজ্ঞান সন্মত ভাৱে কোনে কাম কৰিব? তাৰ কাৰণে হাজাৰ হাজাৰ মানুহৰ সমস্যা যিটো who will understand this. মই সেই কাৰণে সভাপতি ডাঙৰীয়া ধন্যবাদ দিছো, মই ধন্যবাদ দিয়াৰ লগতে কথাখিনি আনিছো। মই প্ৰথমতে কৈছো যে ২০১০ চনৰ যিখন পি ডব্লিউ ডি আইন, সেই খনৰ এতিয়াও Rules হোৱা নাই। এই কথাখিনি মই ভাৱো খুব গুৰুত্ব সহকাৰে ললে মই ভাল পাম। কাঠৰ দলং আমাৰ তাত খুব কমেও ৮-১০ খন তেনেকুৱা ধৰণে ৰিমোভ কৰা হ'ল। এতিয়া কিন্তু প্ৰত্যেকটো পথেই বাৰিষা আহিলে মানুহে ৰাস্তা বুলিব নে নুবুলিব তেনেকুৱা অৱস্থা হ'ল। এতিয়া মই দেখিছো যে বিধায়ক পুঁজি দি আকৌ এখন দলং বনাব পাৰিম নেকি? চৰকাৰক ক'লেও সেই দলং খন Separately লব পাৰিবনে নাই, কাৰণ দুখন দলং দিছে। সেই দুখন দলং আমি তাত কৰিছোঁ, সেইটো কৰিও সমস্যাটো সমধান কৰিব পৰা নাই। এতিয়া বিধায়ক পুঁজিৰে সেই দলং খন বনাব নোৱাৰি সভাপতি ডাঙৰীয়া, পইচা যথেষ্টখিনি তাত দিব লাগিব। সেই কাৰণে এই কথাখিনি মই দাঙি ধৰিছো। ইয়াৰ পিছত মই ক'ব বিচাৰিছো যে যিহেতু ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ Breath টো বহুত ওপৰলৈ আহিলে, এতিয়া অসমত যিমানবিলাক কাম হৈ আছে, ঘৰ যিমান বিলাক বনাই আছে সেই ঘৰ বিলাকৰ Plinth লেভেলটো সকলোৰে ওপৰলৈ আনিছে। কিয় আনিছে? কাৰণ

ব্ৰহ্মপুত্ৰৰ Breath টো যিহেতু বহুত ওপৰলৈ আহিলে সেইটোৰ কাৰণে এতিয়া আপুনি ঘৰ বনালে ঘৰৰ Plinth লেভেল টো ওপৰলৈ আনিব লাগিব কিয় নহলে বানপানীত হয়তো ঘৰটো বুৰিব পাৰে। সেই কাৰণে অকল ঘৰটো নহয়, এতিয়া Four Lane যে আহিছে এই Four Lane টোৰ Height বহুত ওপৰলৈ গুচি গৈছে। ব্ৰহ্মপুত্ৰৰ যিহেতু Height চাই তেওঁলোকে বনাইছে সেই কাৰণে এতিয়া Four Lane ৰ Height বহুত Raise কৰিছে। গোটেই বিলাক এতিয়া Raise হৈ আহিছে। এতিয়া সেই কাৰণে আমাৰ যিবিলাক ৰাস্তা এই যেতিয়া পৰিকল্পনাটো কৰা হয় বা আঁচনি যুগুত কৰা হয় বা বনোৱা হয়, এতিয়া Plan Estimate তাৰ পৰা বনাই দিছে, Plan Estimate কোনটোত বনাই দিছে? যিটো আছে সেইটোৰ ওপৰত বনাই দিছে। কিন্তু পিছৰ কথাটো চিন্তা নকৰাকৈ যদি বনাই দিয়ে তেতিয়াহলে এই ৰাস্তা বিলাকৰো কোনো কামত নাহিব। সেই কাৰণে যিহেতু ব্ৰহ্মপুত্ৰ খন হৈছে আমাৰ Backbone, সেই খনৰ অৱস্থা যদি তেনেকুৱা, তেতিয়াহলে স্বাভাৱিকতে PMGSY ৰ পথয়ে হওঁক বা যি পথেই হওঁক তাৰ Breath টো Raise কৰিবই লাগিব। এই কথাটো কিন্তু যদি কেন্দ্ৰীয় চৰকাৰক কোনোবাই কৈছে যে, কেন্দ্ৰীয় চৰকাৰৰ কোনোবাই আহি চেক কৰে, আৰু তেওঁলোকে কাটি দিয়ে তেওঁলোকে বানপানীৰ সময়ত থাকিব লাগিব। সেই কাৰণে Apprised কৰিব পাৰিব লাগিব We will make them understandable অসমৰ Situation আমি যিটো Face কৰিছো। এইটো নহ'লে বুজাই দিব লাগিব, Situation আনি দিব লাগিব। তেওঁলোকে যাতে আঁচনি প্ৰস্তুত কৰোঁতে ৰাজস্থানত আঁচনি প্ৰস্তুত কৰাৰ নিচিনা জানো ইয়াত হব নোৱাৰে। সেই Differance টো তেওঁলোক বুজাই দিব লাগিব। সেইটো এটা মই দৃষ্টি গোচৰ কৰিলোঁ। PMGSY ৰ পথৰ যিবিলাক Quality of the Works, Quality ৰ ক্ষেত্ৰত মই ভাৱো যে চৰকাৰে আপোচ কৰিব নালাগে। এতিয়া PMGSY ৰ সকলোবোৰ ৰাস্তা ভাঙিছে বুলি সকলোৱে কৈ আছে। তাৰ মানে কি হৈছে, নিশ্চয় Quality ৰ কিবা গণ্ডগোল আছে। সেই Quality টো বা বহুতেই কয় যে অসমৰ মাটি বেয়া। ইয়াত বৰষুণ হৈ থাকে। সেইকাৰণে ৰাস্তাবোৰ ভাঙি যায়। মইও বহুত দিনলৈ কথাটো বিশ্বাস কৰি আছিলোঁ। আমাৰ এপ্ৰিলৰ পৰা বৰষুণ আৰম্ভ হয়। মাজত মাত্ৰ তিনি-চাৰি মাহ বৰষুণ নোহোৱা বতৰ পাওঁ। সেইকাৰণে আমাৰ মাটিখিনি বেয়া বুলি কোৱা কথাষাৰ মইও বিশ্বাস কৰিছিলোঁ। কিন্তু একে সময়তে যদি আপুনি মন কৰে সভাপতি ডাঙৰীয়া, স্বৰ্গদেউ সকলে গড় বনাই থৈ গৈছে। সেই সময়ত আমাৰ JCB নাছিল, সেইটো সময়ত মাটিবিলাক Compact হোৱাৰ কাৰণে বা টিপ যোৱাৰ কাৰণে ৰোলাৰ মাৰিবৰ কাৰণে ব্যৱস্থা নাছিল। সেইটো সময়ত মাত্ৰ হাতীৰে মাটি গচকাইছিল বুলি আমি শুনিছো। এতিয়া তেনেকুৱা যিবিলাক গড় আছিল, সেইবিলাক এতিয়াও অতি সুন্দৰ অৱস্থাত আছে যদিও হাবি জঙ্গলেৰে ভৰি আছে। এতিয়া সেইবোৰক আমি কি বুলি কম ? সেইবোৰৰ মাটি কি বেয়া নেকি ? সেইবোৰ অসমৰ মাটি নহয় নেকি ? সভাপতি ডাঙৰীয়া, মাটিৰ কোনো গণ্ডগোল নাই আৰু মাটিৰ যদি কিবা গণ্ডগোল আছে তেতিয়াহ'লে বিজ্ঞানে সেইটো ঠিক কৰাৰ ৰাস্তা উলিয়াব লাগিছিল। এতিয়া আপুনি ব্ৰহ্মপুত্ৰৰ ওপৰলৈ যায় যদি দেখিব যে তাৰ তলিখন ওলাই আছে। কিন্তু বাহিৰ ফালটো বহুত দ। খৰালি দিনত আপুনি যদি মথাউৰিৰ তলত থিয় হৈ থাকে আপুনি ওপৰলৈ চাব লাগিব আৰু দিনে দিনে এইটো ওপৰলৈ উঠি গৈ আছে। সেইকাৰণে মথাউৰি বনাই গৈয়ে আছে। এতিয়া ৰাস্তাটোৰ ইপাৰেও পানী থাকে সিপাৰেও পানী থাকে। সেইকাৰণে ৰাস্তাটো সোনকালে বেয়া হয়। সেইকাৰণে মই Quality Maintain কৰাৰ কথাটো এইকাৰণেই কৈছোঁ যে, যদি ভালকৈ কৰে এটা ৰাস্তা যদি এতিয়া ৫ বছৰ গৈছে আমি যদি ১০ বছৰলৈ যোৱা ৰাস্তা বনাব পাৰো

তেতিয়া হলে আমি ৫ বছৰলৈ পইচা বচাব পাৰো। এটা Term ৰ পইচা বাচিলে কিমান টকা বাচি যাব। ৮০০ কোটি CRF ত দিছে। এতিয়া এটা Term ত যদি আমি ১০ টা বছৰ যোৱা কৰিব পাৰো, তেতিয়াহলে আমি ক'ব পাৰো যে, আপোনালোকে হাজাৰ হাজাৰ কোটি টকা বচাব পাৰিব। সেইটো সম্ভৱ, অসম্ভৱ নহয়। PMGSY ৰ কাম প্ৰত্যেক সমষ্টিতে ইমান লোৱা হৈছে। মোৰ মতে এইটো আমি কৰি দেখুৱাব পাৰিব লাগে। এইটো কৰিব পাৰিলে দেশৰ কাৰণে আমি হাজাৰ কোটি টকা বচাব পাৰিম। এতিয়া মই 61 Highway ৰ কথা কব বিচাৰিছো। এই Highway টো বনোৱা আজি প্ৰায় ৮-১০ বছৰেই হ'ল। কিন্তু এতিয়ালৈ তাত কোনো ধৰণৰ Repairing কাম হোৱা নাই। নাগালেণ্ড আৰু অসম দুয়োখন ৰাজ্য সংযোগী ৰাস্তা এটাৰ কথা কৈছো। সেই ৰাস্তাটোৰ base টো ভাল আছিল কাৰণে এতিয়ালৈ হোৱা নাই আৰু যিজন মানুহে তাত কাম কৰিছিল তেওঁ তাত কাম ভালকে কৰিছিল। চোৱা-চিতা ভালকৈ হৈছিল। সেইকাৰণে আমি যাতে পইচাটো খৰচ কৰোতে অলপ সংযমী হওঁ আৰু অলপ ভাল ধৰণে Financial Management টো হয়। স্বৰ্গদেউ সকলে বনাই যোৱা মাটিৰ গড় বিলাকৰ ওপৰেৰে চৰকাৰে গাড়ী চলাই আছে, ONGC ৰ ৫০-৮০ টনৰ গাড়ী তাৰ ওপৰত চলি আছে। ৰজাই এবাৰ বনোৱা ৰাস্তা এতিয়া ৬০০ বছৰ পাছতো ভালে আছে আৰু আহোমে বনোৱা শিল সাকোৰ ওপৰেদিও ১০০-২০০ টন গাড়ী গৈয়ে থাকে। ব্ৰিটিছে বনোৱা দিখৌ দলঙো কিন্তু বন্ধ হৈ গৈছে। সেইকাৰণে কামৰ Quality টো আমি যদি Maintain কৰিব পাৰো ভাল। আমাৰ পৰিবৰ্তনটো ঠিকে আছে। কাম দিয়াটোও ভালেই হৈছে। মই তাৰ কাৰণে চৰকাৰকো ধন্যবাদ জনাইছোঁ। পইচা আৰু দিয়াৰ কথাটোও কৈছোঁ। কিন্তু পইচা দিলেই নহ'ব, খৰচ কৰিবও জানিব লাগিব। খৰচ কৰিব নাজানিলে কাম ভাল নহ'ব। কিছুমান মানুহে কম টকাৰেই ধুনীয়া কাম কৰি আছে। সেইকাৰণে আমি Quality ৰ ক্ষেত্ৰতো সাৰধান হ'ব লাগিব, ব্যয়ৰ ক্ষেত্ৰতো সাবধান হ'ব লাগিব। চাৰ্ভে কৰাৰ ক্ষেত্ৰতো সাৰধান হ'ব লাগিব। এই কথাটো সভাপতি মহোদয়, পৰিকল্পনা কৰাৰ ক্ষেত্ৰতো সাবধান হ'ব লাগিব। PWD ৰ গোটেই ব্ৰাঞ্চটোৰেই অভিযন্তাৰ ব্ৰাঞ্চ, সকলো টেকনিকেল মানুহ। সেইকাৰণে এই কথাখিনি তাত প্ৰতিফলিত হ'ব লাগিব যে হয় , আমাৰ Engineer, আমাৰ Scientis, আমাৰ Technocrat They are very Expert. যদি কিবা কাম আছে তেন্তে বিভাগে চাওক। কিন্তু They will have to briught themself to be a very nice Technological person .আৰু এটা গুৰুত্বপূৰ্ণ কথা মই ক'ব বিচাৰিছো। সভাপতি মহোদয়, ৰাস্তাৰ কাম কৰিবলৈ যাওঁতে যিবিলাক জান জুৰি প্ৰাকৃতিকভাৱে বৈ আছে সেইবিলাক আমি ধ্বংস কৰিব নালাগে। পৌৰাণিক দিনৰ পৰাই গংগা, যমুনা,ব্ৰহ্মপুত্ৰ,গোদাবৰী, কাবেৰী যেনেকৈ বৈ আছে সকলোবোৰ তেনেকেই বৈ আছে। কোনেও সেইবোৰ পুতি পেলোৱা নাই। কিন্তু সৰু জান এটা দেখি যদি সেইটো পুতি পেলাব লাগে বুলি ভাৱো সেইটো ভুল। আমাৰ শৰীৰৰ সৰু Artery কেইডাল যেনেকে আমি নালাগে বুলি কাটি পেলাব নোৱাৰো কাৰণ They are supplying blood to all the tissues we are having in the body.ঠিকতেনেদৰে এই যিবিলাক জান জুৰি আছে এই সকলোবিলাকে দিয়েই পানী গৈ নদ নদী আৰু সাগৰ হৈছে। ৰাস্তা বনাওঁতে কিন্তু এই জান জুৰি বোৰক গুৰুত্ব দিয়া নহয়। বহু ঠাইত পুতি পেলোৱা হয়। এইবোৰ পুতি পেলোৱা কাম আমি বন্ধ কৰিব লাগে আৰু পানীবোৰ প্ৰাকৃতিকভাৱে বৈ থাকিব দিব লাগে। ইয়াৰ বৈ থকা পথ সলনি কৰাৰ কথাটো বেলেগ। PMGSY ৰ ৰাস্তা নিৰ্মাণ কৰোতে এনেধৰণৰ জান জুৰি বিলাক বন্ধ কৰি তাৰ ওপৰত ৰাস্তা ঘাট বনোৱা হৈছে। এইবোৰ আমি দেখিছো। আৰু এটা ৰাস্তাৰ কথা মই

কব বিচাৰিছো সভাপতি মহোদয়, এটা ৰাস্তাৰ কথা মই ক'ব বিচাৰিছো, এইটো অৱশ্যে PMGSY ৰ ৰাস্তা নহয়। কিন্তু ইয়াৰ পৰা হোৱা অপকাৰ খিনি PMGSY ৰ ৰাস্তাত পৰিছে। সভাপতি মহোদয়, এই কথাটোকে মই দাঙি ধৰিব বিচাৰিছোঁ। সেইটো আমাৰ মন্ত্ৰী ডাঙৰীয়াই National Highway ৰে অহা-যোৱা কৰোঁতে যদি লক্ষ্য কৰিছে তেতিয়া নিশ্চয় দেখিব যে গুৱাহাটীৰ পৰা উজনিলৈ যোৱা NH-37 যিটো আছে, সেইটোৰে শিৱসাগৰ সমষ্টি পাৰ হয় আৰু সেই শিৱসাগৰ সমষ্টিত সোমোৱাৰ সময়ত স্বৰ্গদেউ সকলৰ দিনৰ ৰূপহী পথাৰ নামৰ এখন ক্ৰীড়াংগন দেখিবলৈ পোৱা যায়। সেই সময়ত NH-37 ৰে ৰূপহী বুলি জানটো পাৰ হৈছিল। কিন্তু By pass নিৰ্মাণ কৰাৰ সময়ত ৰূপহী জানটোক পুতি পেলোৱা হ'ল। এই ৰূপহী জানটো পুতি পেলোৱাৰ বাবে ৰূপহী পথাৰ, জেৰেঙা পথাৰ, মগৰা হাত পথাৰ, গোঁহাই পথাৰ, এই গোটেই বোৰ পথাৰ জলমগ্ন হৈ থাকে। Engineer সকলে আঁচনি কৰোঁতে কিয় এই কথাটোক লক্ষ্য নকৰিলে, তাত কিয় এখন দলং নিৰ্মাণ কৰি পাৰ নকৰিলে এই কথাখিনি আজিও আমাৰ সন্মুখত এটা সাঁথৰ হৈ আছে। সেই অঞ্চলৰ সোঁ ফালে যদি মন কৰে দেখিব যে বাৰিষা কালত গোটেই বোৰ পথাৰ পানীৰ তলত বুৰ গৈ থাকে। পথাৰ বোৰ পানীৰ তলত বুৰ গৈ থকাৰ বাবে সকলোৱে ভাৱে যে ইয়াৰ কোনো ব্যৱস্থা লোৱা নহয় নেকি? কিন্তু সভাপতি মহোদয়, আমি ইতিমধ্যে তাত ভুল কৰিয়েই থৈছোঁ গতিকে তাত কি ব্যৱস্থা ল'ব। সেই কাৰণে এনে ধৰণৰ মাৰাত্মক ভুলৰ বাবে আমি বহুত মানুহে জীয়াতু ভুগি আছো। মই আজি কথাখিনি মুখা-মুখিকৈ ক'বলৈ সুবিধা পোৱাৰ বাবে ইয়াত দাঙি ধৰিছো। আগতে ব্ৰহ্মপুত্ৰৰ পাৰত বানপানী হৈছিল কিন্তু আজিকালি বানপানী কেৱল ব্ৰহ্মপুত্ৰৰ পাৰতে নহয় একেবাৰে নগা পাহাৰৰ ওচৰলৈ হয় আৰু এই কথাখিনি মই আপোনালোকক ফটো আৰু video সহকাৰে presentation কৰি দেখাই দিব পাৰিম। এতিয়া জান-জুৰি বোৰৰ মথাউৰি যে অকল ব্ৰহ্মপুত্ৰতে দিছে তেনে নহয়, এই মথাউৰিবোৰ পাহাৰৰ ওচৰৰ যিবোৰ জান-জুৰি আছে সকলোতে দিব লগীয়া হৈছে। যাৰ ফলত মথাউৰিৰ সংখ্যা দিনক দিনে বাঢ়ি গৈ আছে। এই সমস্যাটো আমাৰ সমাজৰ বাবে এটা অতি চিন্তনীয় বিষয় হৈ পৰিছে। সেই কাৰণে এই বিষয়টোৰ ক্ষেত্ৰত মই আমাৰ বিভাগৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। সভাপতি মহোদয়, PMGSY ৰ ৰাস্তাৰ জৰিয়তে আমি বহুত কাম কৰিব পাৰো। PMGSYৰ ৰাস্তাৰে যিটো connectivity হ'ব লাগিছিল, সেইটো তেনেধৰণে নহৈ ৰাস্তাৰ ইটো মূৰ আনটো মূৰত connect নোহোৱাকৈয়ে ৰাস্তাটো বনাই থৈ দিছে আৰু আমি তাৰ প্ৰত্যক্ষদৰ্শী। দুখন জিলাৰ ইমূৰৰ পৰা সিমূৰ লৈকে PMGSY ৰ কাম কৰি আহিছে কিন্তু জাঁজী নৈ খনত বাঁহৰ দলং দি থৈ দিছে। বাঁহৰ দলঙৰ ওপৰেৰে বাৰিষাত কোনোৱে অহা-যোৱা কৰিব নোৱাৰে। গতিকে এই ৰাস্তাটোত যদি এখন দলং হ'ল হেতেঁন, তেতিয়া এই দুখন জিলাক বৰ ধুনীয়াকৈ communicate কৰিব পৰা গ'ল হেঁতেন আৰু তাৰ জৰিয়তে হাজাৰ হাজাৰ মানুহৰ সহায় হ'ল হেঁতেন। গতিকে এইটো এটা প্ৰস্তাৱ মই বিধান সভাৰ মজিয়াত আনিব বিচাৰিছোঁ।

যিহেতু PMGSY ৰ ৰাস্তা নিৰ্মাণ কৰি ৰাইজক সহায় কৰিব বিচাৰিছে, গতিকে মই ভাৱো, এই দুয়োখন জিলাৰ ৰাস্তা দুটা লগ-লগাই যদি জাঁজী নৈৰ ওপৰত দলংখন বনাই দিয়া হয়, তেনেহ'লে কেইবাটাও উপকাৰ হ'ব, যেনে, শিৱসাগৰ আৰু যোৰহাট দুয়োখন জিলাই connect হৈ যাব। তেতিয়া হাজাৰ হাজাৰ বাগিচা অঞ্চলৰ ৰাইজৰ এই গোটেই কেইখন জিলাত অহা-যোৱা কৰিবলৈ সুবিধা হ'ব। ইয়াৰ উপৰিও, সভাপতি মহোদয়, আপুনি নগা ৰাজ্যৰ সীমান্ত অঞ্চলটো দেখিছে, এই ৰাস্তাতো সীমান্ততো আছে। চৰকাৰে সীমান্ত অঞ্চল গুৰুত্ব দি থকা বুলি কৈছে।

গতিকে গুৰুত্ব দিয়াৰ বাবে আমি সকলোৰে ভাল পাইছোঁ। কিন্তু এতিয়া মই যিটো কথা কৈছো, এই দলং খন তাত নথকাটোৰে গুৰুত্ব দিয়াটো প্ৰমাণ কৰিছে নে গুৰুত্ব নিদিয়াটো প্ৰমাণ কৰিছে? যদি, গুৰুত্বই দিছে তেনেহ'লে ইয়াতকৈও আৰু গুৰুত্ব থকা কাম হ'ব পাৰে নেকি? এই জাঁজী নৈ খন দুখন জিলাৰ সীমান্ত অঞ্চ ল আৰু আমাৰ বাগিচা অঞ্চলৰ মাজেৰে গৈছে। ইয়াতকৈও গুৰুতৰ আন কিবা হ'ব পাৰে নেকি? সেইকাৰণে মই এই কথাটো দাঙি ধৰিছো যাতে আৰু অধিক গুৰুত্ব পায় আৰু লগতে যাতে এই কামটো হয়। আমি শৰীৰৰ কথা ক'লে অকল bicep ৰ কথা ক'লেই নহ'ব, গোটেই শৰীৰটোৰ কথা ক'ব লাগিব। ঠিক তেনেদৰে PMGSY ৰ কথাৰ ক্ষেত্ৰতো আমি অকল এটা অংশৰ কথা কৈ শেষ কৰিব নোৱাৰো। কাৰণ this PMGSY relates to many other things. ইয়াৰ লগত জান-জুৰি, বানপানী, মোৰ অঞ্চলৰ দলং উটুৱাই নিয়া, গাওঁ উটুৱাই নিয়া, হাজাৰ হাজাৰ মানুহ জীয়াতু ভুগা ইত্যাদিৰ সম্পৰ্ক আছে। This is so close to everything. সেইকাৰণে, সভাপতি মহোদয়, আজি বিৰোধী পক্ষই যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ মই বিৰোধিতা কৰিছো আৰু চৰকাৰক পইচা দিয়াৰ ক্ষেত্ৰত মোৰ ফালৰ পৰা কৃপণালি একেবাৰে কৰা নহ'ব। কিন্তু এই পইচাৰ যাতে সৎ ব্যৱহাৰ হয়, ইয়াৰ পৰা যাতে ৰাইজৰ উপকাৰ হয় আৰু এনে ধৰণৰ আসোঁৱাহ যিবোৰ আমি দাঙি ধৰিছো এই আঁসোৱাহবোৰ দূৰ কৰিবৰ বাবে চৰকাৰৰ ফালৰ পৰা যাতে যত্ন কৰে তাৰ প্ৰতি বিশেষ লক্ষ্য ৰাখিবলৈ মই নিবেদন জনাই মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ

**মাননীয় সভাপতিঃ** ধন্যবাদ। ইয়াৰ পিছত মই মাননীয় সদস্য শ্ৰী সুজাম উদ্দিন লস্কৰ ডাঙৰীয়াক বক্তব্য ৰাখিবলৈ অনুৰোধ জনাইছো।

সুজাম উদ্দিন লস্কর (কাঠলিছড়া) :- আমার বিধায়নী দলের দলপতি যে কর্ত্তন প্রস্তাব এনেছেন তার পক্ষে দুটি কথা বলার সুযোগ করে দেওয়ার জন্য আপোনাকে ধন্যবাদ জানাচ্ছি। মাননীয় সভাপতি মহোদয়, আমার কাঠলিছড়া সমষ্টির প্রধানমন্ত্রী গ্রাম সড়ক যোজনার অধীনে ১১ টি রাস্তার কাজ অর্ধ সমাপ্ত অবস্থায় পড়ে আছে। আমি বিগত দুটি অধিবেশনে বিশেষ প্রশ্নের উত্তরে পেয়েছিলাম ২০১৭ এর ৩১ মার্চের মধ্যে কাজ গুলো সম্পূর্ণ হবে। কিন্তু ৩১ মার্চের মধ্যে কোন ঠিকাদার আমি দেখতে পাই কাজে হাতই দেননি। তারপরে সেপ্টেম্বর মাসের ৩ তারিখে আমি written আবার এক প্রশ্নের উত্তরে পাই ৩১ জানুয়ারীর মধ্যে এই ১১ টি রাস্তার কাজ সম্পূর্ণ হবে। কিন্তু দুঃখের বিষয় দুইবার এই written উত্তর পাওয়ার পরও আজ পর্য্যন্ত ঠিকাদার আমার এই সমষ্টির ১১ টি কাজের মধ্যে হাতই দেয়নি। একটি রাস্তা আপোনার ২৭ কিলোমিটার দৈর্ঘ্য প্রধানমন্ত্রী গ্রামীন সড়ক যোজনার under এ ২০০৯ - ১০ ইংরাজীতে নেওয়া হয়েছিল। যেটা আমাদের বিভাগীয় আধিকারিকরা উত্তরে দিয়েছেন ৮৬ শতাংশ progress হয়েছে। বর্তমানে এই রাস্তার জন্য ১ কোটি টাকা আছে। কিন্তু রাস্তাটি অর্ধ সমাপ্ত অবস্থায় আছে। আমাদের যে ঠিকাদার আছেন আমি উনার সঙ্গে যোগাযোগ করলাম রাজু বরুয়া নামে যে ঠিকাদার গুয়াহাটী থেকে কাজ নিয়েছেন, আমার সমষ্টি তে উনি আরেকটি রাস্তা দামছড়ায় যেটা ৮ কোটি উপরে টাকা সেংশন হয়েছে। ঠিক ২০০৯ - ১০ ইংরাজীতে নেওয়া হয়েছিল। এই দুটি রাস্তার কোনো কাজেই হাত দেননি। আমি আমার বিভাগীয় মন্ত্রী মহোদয়ের সঙ্গে দেখা করে দুইবার written এই তথ্যগুলো দিয়েছিলাম। উনি বিভাগীয় আধিকারিকগণকে তদন্ত করার কথা বলেছিলেন, কিন্তু আজ পর্যন্ত কোনো তদন্তই হয়নি। অতি দুঃখের বিষয় যে ১১ টি রাস্তা আমি বিধায়ক নির্বাচিত হওয়ার পরে আজ পর্যন্ত আমার যে executive engineer মহাশয় উনাকে বারবার বলা সত্বেও ঠিকাদার মহাশয় কোনো

কাজে হাত দেননি। কিন্তু তদন্ত হলে দেখতে পারবেন আমার মনে হয় আসামের ১২৬ টি সমষ্টির মধ্যে দূর্নীতিতে লিপ্ত আমার সমষ্টিই এক নম্বরে স্থান পাবে। কাঠলিছড়া সমষ্টির পূর্বের সরকারের আমাদের প্রাক্তন মন্ত্রী গৌতম রায় ২০ বছর এই সমষ্টির বিধায়ক ও মন্ত্রীও ছিলেন। হিতেশ্বর শইকীয়া সরকারে ৫ বছর আর তরুণ গগৈর সরকারে ১৫ বছর। রাস্তার অভাব নেই কিন্তু সম্পূর্ণ রাস্তা একটিও নেই। আমি অনুরোধ রাখছি আমার বিভাগীয় মন্ত্রী মহোদয়ের কাছে যে অতি সত্তর একটি তদন্ত করে যে ঐ রাস্তা গুলির টাকা কে বা কারা লুটে পুটে খেয়েছেন। যদি তদন্ত করা হয় আসল তথ্য বেরিয়ে আসবে। যে রাস্তাগুলো আমি জানি department এর একটি টাইম বেন্ধে দেওয়া থাকে ২ বছর মতো। কিন্তু বিগত ১০ বছর থেকে কাজ চলছে, এখনও কোনো কাজ সম্পূর্ণ হয়নি। আমি বিগত যে written প্রশ্নের উত্তরে বলেছিলাম ধলাই মলাই পার্ক ৯ ব্লক বাউণ্ডারির ২০৫৩২/As০৯১৬ ২৭.২০ কিলোমিটার। progress ৮৬ শতাংশ কিন্তু দুঃখের বিষয় ৩০ শতাংশ progress হয় নাই। কিন্তু রিপোর্টে ৮৬ শতাংশ প্রগরেস, ৮ কিমি কমপ্লিট এবং ১৯.২০ কিমি ব্যালেন্স রয়েছে। কিন্তু যে ৮ কিমি যা কমপ্লিট হয়েছে, বর্তমানে সেখানে ১ ইঞ্চি জায়গায়ও ব্ল্যাকটপিং নেই। ২০০৯ সালে কাজ শুরু হয়েছিল, কিন্তু বর্তমানে রাস্তাগুলো পুকুরের মত হয়ে গেছে। দামছড়া এফবি জামুরা টু দামছড়া এএস ০৯৩০৭.৫০ কিমি রাস্তায় ৭২ শতাংশ প্রগরেস। সেই রাস্তায় দেখানো হয়েছে ৭২ শতাংশ প্রগরেস, কিন্তু বাস্তবে ২২ শতাংশ প্রগরেস হবে। এভাবে টাকা পেমেন্ট হওয়াতে যে executive engineer, SDO, JE যদি তদন্ত করে দেখা হয় যে কিভাবে পেমেন্ট দেওয়া হলো, তাহলে আসল তথ্য বেরিয়ে আসবে।

আজ যে প্রধানমন্ত্রী গ্রামীণ সড়ক যোজনার কথা হচ্ছে, আমি জানি পূর্বের প্রধানমন্ত্রী অটল বিহারী বাজপেয়ীর উদ্যোগে সেই প্রকল্পে ১ হাজার থেকে ৫ হাজার জনসংখ্যার মধ্যে গ্রামীণ রাস্তাগুলো নেওয়ার নিয়ম ছিল। হাইলাকান্দি জেলায় আমি বিধায়ক হওয়ার পর গিয়ে দেখলাম সরকারের core net- এ আমাদের প্রত্যেক গ্রামের নাম নেই। পূর্বের সরকার ২০০২ ইংরেজিতে যে গ্রামগুলি নিয়েছিল, তাতে বহু গ্রামের নাম বাদ পড়েছে। আমি অনুরোধ রাখব সভাপতির মাধ্যমে বিভাগীয় মন্ত্রী মহোদয়ের কাছে, যদি কোর নেটের মাধ্যমে আমাদের জেলার বাকি যে গ্রামগুলি বাকি রয়েছে সেগুলি যাতে প্রধানমন্ত্রী গ্রামীণ সড়ক যোজনার অধীনে নেওয়া হয়, তাহলে আমরা সুফল পাব। ০৩-০২-২০১৭ ইংরেজিতে আমি বিধানসভায় যে written প্রশ্ন করি তার জবাবে ঠিক সেই রাস্তাগুলি প্রথমে বলা হয়েছিল ৩১ মার্চ ২০১৭ সালের মধ্যে শেষ হবে। তারপর দেওয়া হয়েছে ৩০ জানুয়ারির মধ্যে শেষ হবে। কিন্তু ঠিকাদার ১১টি রাস্তার কাজে হাতই দেয়নি। আমি বিভাগীয় মন্ত্রী মহোদয়ের কাছে বারবার অনুরোধ রাখব যে কোন উপায়ে, যদিও সেটা পূর্বের সরকারের কাজ, তবে বর্তমান PWD minister খুব ভালো লোক, স্বচ্ছ লোক। আমরা নিজে সবসময় দেখা করি উনার সঙ্গে, সুযোগ সুবিধা পাই। তাই আমি অনুৰোধ রাখছি, আমর আগের সরকারের আমলের ১১ টি রাস্তার কাজের তদন্ত যেন অতি সত্বর হয়। না হলে ৫০ বছর চলে যাবে, ওই ১১টি রাস্তার কাজ সম্পূর্ণ হবে না।

এর মধ্যে আরেকটি গুরুত্বপূর্ণ কথা হলো ওই প্রধানমন্ত্রীর গ্রামীণ সড়ক যোজনার অধীনে একই রাস্তার ওপর ওভারলেপিং করে দুটো রাস্তা, ধলাই পার্ট থ্রি বলে আরেকটি রাস্তা নেওয়া হয়েছে। কিন্তু সেখানে ধলাই পার্ট থ্রিতে কোনও রাস্তাই হয়নি। ওই ব্লক বাউন্ডারি হয়ে ২৭ কিমির যে রাস্তা, সেই রাস্তার ওপর ওভারলেপিং করে আরও ৪ কিমি ‘পার্ট থ্রি’ বলে আরেকটি রাস্তা নেওয়া হয়েছে। ঠিক সেই রাস্তার ওপর জানলাছড়া গ্রাম বলে আরেকটি রাস্তা ওভারলেপিংয়ে নেওয়া হয়েছে। সেই

একই রাস্তার ওপর মোট তিনটি রাস্তা হচ্ছে। আগের সরকার যখন ছিল, আমাদের ওই বিধায়ক তখন মন্ত্রী ছিলেন, উনি যেভাবে ইচ্ছে স্কিম নিয়েছেন। কিন্তু কোনও কাজ সম্পূর্ণ হয়নি। আমার বিধানসভা কেন্দ্রে আরেকটি স্টেট রোড, যা বিভাগীয় মন্ত্রী মহোদয় এবং আমার বিধানসভা কেন্দ্রের সীমান্ত এলাকা। এনইসি থেকে ৮৫ কোটি ২১ লক্ষ টাকা মঞ্জুর হয়েছিল, যেটি ধোয়ারবন্দ-বিলাইপুর-ফাইসং রোড। এনইসি কাজ শেষ না করেই স্টেট রোডকে হস্তান্তর করে দিয়েছে। বর্তমানে ওই রাস্তা চলাচলের উপযোগী নয়। যেখানে প্রায় ৮৬ কোটি টাকা মঞ্জুরি ছিল, সেখানে কোনও কাজ হয়নি। আমি মন্ত্রী মহোদয়ের কাছ থেকে জানতে পেরেছি, বর্তমানে একটি বিল দাখিল করা হয়েছে সেখানে। উনি তদন্ত দিয়েছেন, এসি মহোদয় গিয়েছেন। কিন্তু আমি খবর পেয়িছে, দশ কোটি টাকা এখনও জমা রয়েছে। যদি ওই টাকা থেকে থাকে, তাহলে পরবর্তীতে আমার ওই রাস্তার কাজ সম্পূর্ণ করে দেও আমার একটি গ্রাম পঞ্চায়েত উপকৃত হবে। যা মন্ত্রী মহোদয় জানেন, উনার এবং আমার কেন্দ্রের সীমান্ত এলাকা। যে বিলাইপুর-ধলছড়া গাঁও পঞ্চায়েতে ৩২ হাজার জনসংখ্যা রয়েছে, সেখানে মাত্র একটি রাস্তা, অথচ সেটি অসম-মিজোরাম সীমান্ত ছুঁয়েছে। ফাইসাং হচ্ছে মিজোরাম সীমান্ত। সেই রাস্তায় ম্যানটেনেন্স ফান্ড থেকে দেড় কোটি টাকা দিয়েছি, বর্তমানে কাজের টেন্ডার হবে। দেড় কোটি টাকায় কোনও কাজ হবে না। যে দৈর্ঘ তার মধ্যে অনেক খারাপ রাস্তা রয়েছে, যা এসি মহোদয় দেখে এসেছেন। আমি মন্ত্রী মহোদয়কে অনুরোধ করব এনইসি-র যে টাকা রয়েছে, সেই টাকা দিয়ে ওই কাজ সম্পূর্ণ করা হলে আমার এলাকা উপকৃত হবে।

তদরূপ আমার বিধানসভা কেন্দ্রে তিনটি গাঁও পঞ্চায়েত রয়েছে— ধলাই, সোনাছড়া, রূপাছড়া। তিনটি গাঁও পঞ্চায়েতের মধ্যে একটি সেতুর দরকার, যা আমি 'সিগনেচার' প্রকল্পে জমা দিয়েছি। যদি 'সিগনেচার' প্রকল্পে হয়ে যায়, ভাল কথা। না হলে মন্ত্রী মহোদয়কে অনুরোধ করব ওই সেতুটি হলে প্রায় ৩০ হাজার লোক উপকৃত হবেন। একটি সেতুর জন্যই রাস্তার যোগাযোগ নেই। চার দিকে রাস্তা রয়েছে, অথচ একটি সেতুর জন্য আমার ওই তিনটি গাঁও পঞ্চায়েতের মধ্যে রাস্তার যোগাযোগ নেই।

মাননীয় সভাপতি মহোদয়, বিশেষ করে আমার হাইলাকান্দি জেলায় যে কোর নেট সেটি খোলার জন্য বিভাগীয় মন্ত্রীর কাছে অনুরোধ করছি। আগেও আমি বলেছি যে পূর্বের সরকার যে গ্রামগুলি এন্ট্রি দিয়েছিল, সেই কাজ হয়েছে। কিন্তু বহু রাস্তা বাকি থেকে গেছে এখনও। আজ যে সুযোগ দেওয়া হচ্ছে প্রধানমন্ত্রীর গ্রামীণ সড়ক যোজনায়, অসমে হাজার-হাজার কিমি হচ্ছে. দুঃখের বিষয় আমার হাইলাকান্দি জেলা সেই সুযোগ থেকে বঞ্চিত। তাই যদি সেটা খুলে দিয়ে কোর নেটগুলি সম্পূর্ণ করা হয়, তাহলে আমরা উপকৃত হব। এই বলে বক্তব্য সম্পূর্ণ করছি।

**সভাপতি, শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা,( পূৱ গুৱাহাটী) ঃ** ধন্যবাদ । ইয়াৰ পিছত মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাস ডাঙৰীয়াক বক্তব্য ৰাখিবৰ কাৰণে মই অনুৰোধ জনাইছো।

**শ্ৰী গুৰুজ্যোতি দাস,(মঙ্গলদৈ) ঃ** ধন্যবাদ সভাপতি মহোদয়,অসম চৰকাৰৰ গড়কাপ্তানি মন্ত্ৰী ডাঙৰীয়াই যি পৰিপূৰক দাবী মঞ্জুৰী উঠাইছে। তাৰ সমৰ্থনত মই দুষাৰ ক'বলৈ লৈছো আৰু কবলৈ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছো। বাট পথৰ উন্নয়নে খেতিয়কৰ উন্নয়ন। খেতিয়কৰ অৰ্থনৈতিক অৱস্তা উন্নয়ন কৰে তাৰ লগে লগে দেশৰ অৰ্থনৈতিক উন্নয়ন মুখ্যভূমিকা পালন কৰে। অসমৰ মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোণোৱাল দেৱৰ নেতৃত্বত আৰু অসম চৰকাৰৰ গড়কাপ্তানী মন্ত্ৰী শ্ৰীপৰিমল শুক্লবৈদ্য ডাঙৰীয়াৰ সহযোগত আমাৰ বৰ্তমান অসমৰ বাট পথসমূহ উন্নয়ন হৈ আছে আৰু ইয়াৰ তুলনাত পৰৱৰ্তী চৰকাৰৰ তুলনাত যে অসমৰ চাৰিওফালে বৰ্তমান ৰাস্তাঘাটৰ কাম ইতিমধ্যে চলি

আছে। বিভিন্ন সময়ত আমি দেখিবলৈ পাইছো। চ'চিয়েল মিডিয়া বা বাতৰি শিৰোনাম দখল কৰা বিভিন্ন ৰাস্তা -ঘাট। বিভিন্ন বিৰোধী দলৰ সদস্যই তেওঁলোকে বক্তব্য ৰাখিছে। কিন্তু কথাটো হ'ল সুদীৰ্ঘ ১৫ বছৰ এটা ৰাজনৈতিক দলে অসমত চৰকাৰ চলোৱাৰ পাছত, আমাৰ চৰকাৰখন প্ৰায়ডেৰ বছৰ হৈ গৈছে। দুই বছৰত ভৰি দিয়া নাই আৰু দুই তিনিমাহ বাকী আছে। কিন্তু তেওঁলোকে দাবী কৰে বিগত চৰকাৰৰ যে আমি বহু ৰাস্তা-ঘাট কৰিছিলো। যদি তেওঁলোকে ৰাস্তা-ঘাটসমূহ কৰিছিল। ৰাস্তা-ঘাটসমূহ ক'ত গ'ল। পাহাৰত লুকাল নে পানীত উটি গ'ল। ক'ত গ'ল,সেইটো এটা এশকোটি টকীয়া প্ৰশ্ন। কিন্তু আমাৰ চৰকাৰখনে ইতিমধ্যে যি ব্যৱস্থা লৈছে গড়কাপ্তানী বিভাগটোৰ ক্ষেত্ৰত সকলোৱে প্ৰশংসা বনাইছে। ইতিমধ্যে বহুকেইজন বিধায়কে ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী শ্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ শ্লো-গান চব কে চাথ চব কা বিকাশ আৰু আমাৰ মূল নীতি আছিল চৰকাৰখনৰ এইটো। মাননীয় সদস্য শ্ৰী নজৰুল হক ডাঙৰীয়াই কৈছে যে, তেওঁ ১৩ কোটি টকা ইতিমধ্যে লাভ কৰিছে আমাৰ চৰকাৰৰ পৰা। আমাৰ সন্মানীয় সদস্য শ্ৰী ৰঞ্জিত দাস ডাঙৰীয়াই ক্ষোভো উজাৰিছে যে তেওঁ কৈছিল ক্ষোভ আছিল তেওঁ যেতিয়া বিধায়ক হৈছিল, তেওঁ ৫০ লাখ টকা পাইছিল। তাৰ অনুপাতে এতিয়া বিৰোধী পক্ষই কিমান পাইছে এই কথাটো কব নাজাওঁ। আপুনি নিজেই উপস্থিত আছে আৰু সদনে ইতিমধ্যে গম পাইছে। আজি পি এম জি এচ ৱাইৰ যি আঁচনি এই আঁচনি প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ প্ৰধানমন্ত্ৰীহে থকাৰ সময়ত নিতিন গাডকাৰী ডাঙৰীয়াৰ পৰিকল্পনাত এই গাওঁৰ অৰ্থনৈতিক ব্যৱস্থাৰ উন্নয়নৰ যি ভূমিকা লৈছে সচাঁকৈ প্ৰশংসনীয়। মৃত্যু হয় আৰু মৃত্যু সচাঁ কথা। কিন্তু ভাল কামৰ কেতিয়াওঁ মৃত্যু নহয়। এই কথাটো সকলোৱে প্ৰশংসা কৰি আছে আৰু আপোনালোকক জনাবলৈ পাই সুখী হম সদনত যে এইবাৰ আমাৰ মঙ্গলদৈত প্ৰায় ৪৩.৫১ কিলোমিটাৰ ৰাস্তা আমি পাইছো আৰু সক্ষম হৈছো পাবৰ কাৰণে আৰু ৬ খন আৰ চি চি ব্ৰীজ, প্ৰায় ১৭ টা ৰাস্তা পি এম জি এচ ৱাইৰ অধীনত ১৭-১৮ ৰ আৰু এই গোটেইখিনি ৰাস্তাৰ কাৰণে মই মাননীয় মন্ত্ৰী শ্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো। কাৰণ এইখিনি অতি জৰুৰী আৰু আৱশ্যকীয় আছিল। কাৰণ মই সমষ্টিত চুকে কোণে প্ৰায় ঘুৰিছো। ঘুৰোতে বিভিন্ন ৰাইজৰ এটাই অভিযোগ যে, আমাৰ ৰাস্তাটো কেতিয়া হ'ব? ইতিমধ্যে আমি যেতিয়া ২ কোটি টকা অনুমোদন পাইছিলো গড়কাপ্তানী বিভাগৰ পৰা। তেতিয়া মই ২ খন কাঠৰ ব্ৰীজ কৰিছিলো। তাৰে এখন কাঠৰ ব্ৰীজ উদ্বোধন কৰোতে গাওঁৰ ৰাইজে নাম ধৰি বৰ আনন্দ উৎসাহে তেওঁলোকে শুভ উদ্বোধন অনুষ্ঠান আয়োজন কৰিছিল। সচাঁকৈ মইও গৌৰান্বিত হৈছিলো আৰু চৰকাৰৰ শাসক দলৰ এজন প্ৰতিনিধি হিচাপে আৰু এখন কাঠৰ ব্ৰীজ সেইখন মই জন্মাৰ পৰা প্ৰায় ওচৰত পাইছো আমাৰ আলহী আছে মই তাত প্ৰায়ে গৈ থাকো। ভাৰত স্বাধীন হোৱাৰ পাছত আজিলৈকে হৈ নুঠিল। তাত বহুতো মন্ত্ৰী বিধায়কে শাসন কৰি থৈ গৈছিল। এইবিলাক আৰু মই কব নাযাওঁ। কিন্তু যেতিয়া আমি মেৰামতিৰ পইচা পাইচো, তাত এখন কাঠৰ ব্ৰীজ কৰি দিছো। তাৰ ৰাইজে যথেষ্ট সকাহ পাইছে তাত ২০০-৩০০ বিঘা মানৰ খেতি হয়। খেতিয়কসকল বহুত উপকৃত হৈছে আৰু প্ৰায় ৪-৫ খন গাওঁ উপকৃত হৈছে। তদুপৰি আমি বহুখিনি ৰাস্তা কৰিবলৈ সক্ষম হৈছো গড়কাপ্তানী বিভাগৰ জৰিয়তে। কিন্তু আমাৰ বৰ্তমান মঙ্গলদৈত বহুকেইটা ৰাস্তা ইতিমধ্যে পাছবছৰ পাৰ হৈ গৈছে পি এম জি এচ ৱাইৰ । বান্দিয়া পৰা নেশ্যনেল হাইৱে ১৫, প্ৰায় ৬.৬০০ কিলোমিটাৰ। যোগীঘোপাৰ পৰা নেশ্যনেল হাইৱে ১৫নং আগতে ৫২ আছিল ৫.০০ কিলোমিটাৰ, গেৰীমাৰীৰ পৰা নেশ্যনেল হাইৱে ১৫,৩.০০ কিলোমিটাৰ, বৰহমপুৰ পৰা কানাইচোৰা ৬.৮৫ চি এম দত্ত বান্ধ ৰোডটো। কঠানাইচোৱাৰ পৰা পাতৰি ঘাট ২.১৮৫ কিলোমিটাৰ, মোলাপাৰাৰ পৰা কানাইচোৰা

৩.০৮ কিলোমিটাৰ, জোনাৰাম চৌকাৰ পৰা ৰান্ধনি সত্ৰ ১.৮৭ কিলোমিটাৰ, মেধিপাৰাৰ পৰা নেশ্যনেল হাইৱে ১৫,১৫৬ কিলোমিটাৰ চালৌপাৰাৰ পৰা চমুৱাপাৰা ২.২১৪ কিলোমিটাৰ , পকাবাঙীপাৰাৰ পৰা চমুৱাপাৰা নেশ্যনেল হাইৱে ১৫নং ৪.২৫ কিলোমিটাৰ। মাঘুৰমাৰীৰ পৰা নেশ্যনেল হাইৱে ১৫নং ২.৮০ কিলোমিটাৰ গেংলন বাগিচাৰ পৰা নেশ্যনেল হাইৱে ১৫ নং ৭.৭০ কিলোমিটাৰ। এই কেইটা ৰাস্তা প্ৰায় পাছবছৰ সমাপ্ত হৈছে। কিন্তু আমি ইয়াৰ যথেষ্টখিনি মেৰামতি কৰিব লগীয়াা আছে. আপোনাৰ  জৰিয়তে মই বিভাগীয় মন্ত্ৰীক অৱগত কৰাইছো। কিন্তু মই ধন্যবাদো জ্ঞাপন কৰিছো যে আমাৰ চৰকাৰ হোৱাৰ পাছত দেখিছো ৰাতিয়ে দিনে বিভিন্ন বিভাগৰ অভিযন্তা সমূহে ৰাস্তা-ঘাটৰ কামসমূহ কৰি আছে। আমি এইটোত তেওঁলোকক ধন্যবাদ জ্ঞাপন কৰিব লাগিব কাৰণ তেওঁলোকে  ৰাতিটো কষ্ট কৰিও বহু ৰাস্তাৰ কাম কৰি থাকে। ধন্যবাদ জ্ঞাপন কৰিছো মই বিধায়ক হোৱাৰ পাছত যিটো নেশ্যনেল হাইৱে, ৫২ নং আছিল আগতে এতিয়া ১৫ নং ৰাষ্ট্ৰীয় ঘাই পথ। সেইটোৰ বহুত দুৰবস্থা হৈছিল। বহু বেয়া অৱস্থা  হৈছিল। বিভিন্ন চ'চিয়েল মিডিয়াততো ইয়াৰ বাতৰি আহিছিল বা আমাৰ নিউজেও ইয়াক বহল কৰিছিল। কিন্তু তাৰ লগে লগে মই যেতিয়া বিভাগীয় মন্ত্ৰী আৰু বিভাগীয় সকলক লগ ধৰিছিলো তাৰ পাছত তেওঁলোকে কথা দিছিল যে, আমি কম দিনৰ ভিতৰত মেৰামতি কৰি দিম আৰু তেওঁলোকৰ কথা মতে এতিয়া কামটো সুন্দৰভাৱে চলি আছে। কিন্তু এতিয়া দুৰ্ঘটনাৰ পৰা  ৰক্ষা পৰিছে। কিন্তু এটা কথা মই আপোনাৰ জৰিয়তে সভাপতি মহোদয়, জনাব বিচাৰিছো যে, মঙ্গলদৈ টাউনৰ মাজেৰে হাইৱেটো ইতিমধ্যে গতি কৰি আছে। মই বিধায়ক হোৱাৰ পিচতে প্ৰশ্নটো উত্থাপন কৰিছিলো আৰু এই কথাটো যে আমাৰ যিটো বাইপাছ এই বাইপাছটো কেতিয়া হব। আৰু কি পৰ্য্যায়ত আছে। কাৰণ আমাৰ টাউনৰ যিটো হাইৱেৰ ওচৰৰ বহুকেইখন শিক্ষানুষ্ঠান আছে। সৰু চহৰ, যিহেতু এতিয়ালৈকে হয়তো অসমতে এনেকুৱা সৰু চহৰ নাই যে হাইৱে গৈছে। যাতে অনতি পলমে  ব্যৱস্থাকৰণ কৰা হয়, কি পৰ্য্যায়ত আছে? তাৰোপৰি আমাৰ যিটো মেৰামতি কৰি থকা হৈছে, হাইৱেটো কোনোবা সময়ত দেখিছো যে, কোনোবা ঠাইত যথেষ্ট বহল আৰু কোনোবা ঠাইত যথেষ্ট ঠেক। ইয়াৰ কাৰণটো হয়তো বিশেষ জানিব পৰা নাই। মই জিলা উপায়ুক্ত মহোদয়ক এই কথাটো অৱগত কৰিছিলো । অৱগত কৰোতে তেওঁ কৈছে, যে মেপৰ এনেকুৱা এটা কণ্ডিশ্যন হৈছে। তেওঁক বহুবাৰ কৈছিলো আপুনি অলপ নিজে স্ব-তদন্ত কৰি ইয়াৰ ব্যৱস্থা এটা কৰক। মই ভাৱো যে, ইয়াৰ ব্যৱস্তা কৰণ কৰিব লাগে কাৰণ যদি আমাৰ ৰাস্তাটোৰ বাইপাছটো হৈ যায়, ইয়াৰ পাছত হয়তো আমাৰ ড্ৰেইনখিনি বনোৱা নহ'ব। যাতে এক ব্যৱস্তা লয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। তাৰ লগে লগে আমাৰ এপ্ৰোচখিনি বহুত বেয়া হৈ গৈছে। তাৰ ফলত বহুতে  দুৰ্ঘটনাত পতিত হৈছে। তাৰে মই ব্ৰীজকেইখনৰ নাম খিনি কৈ দিবলৈ ওলাইছো। ৰাষ্ট্ৰীয় ঘাইপথ ১৫নং ৰপৰা মঙ্গলদৈ ভূটিয়া চাংপথ ভায়া জাবৰীকুচি আজি বহুদিন ধৰি এই ব্ৰীজকেইখনৰ এপ্ৰোচটো বহুত বেয়া হৈ আছে। কাম কৰা নাই আচলতে। তলেদি গৈ ৰাইজে অহা-যোৱা কৰিবলগীয়া হৈছে। অতি সোনকালে যাতে ব্ৰীজখনৰ এপ্ৰোচখিনি কৰি দিব লাগে আৰু ব্যৱস্থা কৰণ কৰা হয় তাৰ লগে লগে আমি ৰাজঘাটৰ ব্ৰীজখন, মোৰ ঘৰৰ পৰা প্ৰায় ৩-৪ কি. মি. মান হব। এই ৰাজঘাটৰ ব্ৰীজখনো অতি এপ্ৰ'চ ওৰৰ্কখিনি কৰা নাছিল। বহুবাৰ বহু ঠিকাদাৰে প্ৰায় ৪ বছৰ হ'ল, লেহেমীয়া কৰিছিল।  মই বহুবাৰ কৈছিলো, এইটো বহুবাৰ নিউজত আহিছিল। তাৰ পাছত এতিয়া কৰিছে, কিন্তু এতিয়ালৈকে ভাল হৈ উঠা নাই। এতিয়াও ৰাইজে বহুত  কষ্ট পাই আছে। বহুত আগতেও মই জনাইছো কিন্তু যি গৰাকী ঠিকাদাৰে পাইছিল, আকৌ বেলেগ ব্ৰীজ পালে, তেতিয়া সেইখন বা কি কৰে? মোৰ ঘৰৰ প্ৰায় সেইখনৰ পৰা মাত্ৰ আকৌ ১ কি. মি ডেৰ কি. মি. মান দূৰত

হব। মই নকও ঠিকাদাৰ জনৰ নামটো , মই নামটো কব বিছৰা নাই। কিন্তু এনেকুৱা ধৰণৰ ঠিকাদাৰ যদি হয়, কাম বিলাক লেহেমীয়া হৈ যাব ক্ৰমান্বয়ে। যাতে এই বিলাকৰ ওপৰত গুৰুত্ব আৰোপ কৰে, তাৰ লগে লগে ভকতপাৰা ৰ পৰা অভয়াপুৰী ব্ৰীজখন, সেই ব্ৰীজখনৰো এপ্ৰোচ টো অতি বেয়া হৈ আছে। সেই খিনিও যাতে গুৰুত্ব প্ৰদান কৰে তাৰ লগে লগে আমাৰ মঙ্গলদৈ পাথৰিঘাট এটা ৰোড আছে, টেঙাবাৰী চ'কৰ পৰা পাথৰিঘাটলৈ, সেই ৰাস্তাটোত এখন মঙ্গলদৈ নদীৰ ওপৰত দলং আছে, ইছলামপুৰ বুলি ঠাই খিনিত। সেই ব্ৰীজখন অতি ঠেক আৰু এতিয়া ইমান জনসংখ্যা বৃদ্ধিৰ ফলত প্ৰায় ১৫-২০ মিনিট সময় এটা ফালে ৰখি থাকিব লগীয়া হয়। ৰাইজৰ সুবিধাৰ্থে সেই ব্ৰীজখন যাতে ডাবল লাইনৰ ব্যৱস্থা কৰে, মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো। তাৰ লগে লগে , ভাৰতৰ স্বাধীনতাৰ পাছত এতিয়ালৈকে ৰৌমাৰী এটা পঞ্চায়ত গুৰুত্ব প্ৰদান কৰা দেখা নাই এতিয়ালৈকে। মই প্ৰায় দুই তিনিবাৰ তাত গৈছো আৰু আমাৰ দৰং জিলাত আপোনাক জনাবলৈ পাই সুখী হম সভাপতি মহোদয়, মাকৈ উৎপাদন অসমৰ ভিতৰত অধিক হয় আৰু যথেষ্ট পৰিমাণে আমি খেতিত দৰং চহকী। এইটো কথা সকলোৱে জানে। দৰঙৰ শাক-পাচলি অসমৰ বিভিন্ন প্ৰান্তলৈ আহি আছে। কথা হ'ল, আমাৰ ৰৌমাৰী অঞ্চলত যথেষ্ট পৰিমাণৰ খেতি হয়। খেতিয়ক সকলৰ যি সময়ত ভাৰতবৰ্ষৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই কৃষকৰ ইনকাম ডাবল কৰাৰ কথা ঘোষণা কৰিছে আৰু তেওঁলোকৰ ইনকাম কেতিয়া ডাবল হব যেতিয়া তেওঁলোকে উৎপাদন সামগ্ৰী বজাৰত বিক্ৰী কৰিবলৈ সক্ষম হব , আৰু কেতিয়া সক্ষম হব যেতিয়া বাট-পথ উন্নয়ত থাকিব। তেওঁলোকে উৎপাদন কৰা সামগ্ৰীখিনি বিক্ৰী কৰিবলৈ আনিবৰ কাৰণে বজাৰত তেনেকুৱা একো সুবিধা নাই। নদী পাৰ হব লাগে। বা সুঁতি পাৰ হব লাগে। তাৰ কাৰণে এখ ন ৰৌমাৰীত ব্ৰীজৰ প্ৰয়োজন, ১০০০ ব্ৰীজ লোৱাৰ কথা যে আমাৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াই, মন্ত্ৰী পৰিমল শুক্লবৈদ্যই ব্যৱস্থা লৈছে, তাত যাতে অহা বছৰ, এই বছৰ বিত্তীয় বৰ্ষত যাতে ৰৌমাৰী ব্ৰীজখন লয়, তাকে মই আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো। যদি ৰৌমাৰী ব্ৰীজখন হয় আমাৰ তিৰাসকলৰ উন্নয়ন হব। তাৰ লগে লগে দেশৰ অৰ্থনৈতিক ব্যৱস্থা উন্নত হব। আমাৰ সমষ্টিটোৰ প্ৰায় ৰাস্তা-ঘাট বহুতখিনি এতিয়াও বেয়া হৈ আছে, ৪ নং এটা ওৱাৰ্ড আছিল। ৪নং ওৱাৰ্ডটো হ'ল বৰুৱাপাৰা। প্ৰায় ৪০০০ হাজাৰ ভোটাৰ এই ওৱাৰ্ডটোত আছে মঙ্গলদৈ চহৰ ১০ টা ওৱাৰ্ডৰে গঠিত। আটাইতকৈ দুখ লগা কথা তাত যোৱা কাৰ্য্যকালত এটাও ৰাস্তা-ঘাট নাছিল আৰু এইবাৰ আমাৰ মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়াৰ নেতৃত্বত এই বিভাগটোৰ জৰিয়তে আমি কৰিবলৈ সক্ষম হৈছো, ৰাইজ বহুত সুখী হৈছে আনন্দ লাভ কৰিছে । মই এইখিনি কথা এই কাৰণে কব বিচাৰিছো যে যোৱা চৰকাৰে ১৫ বছৰ একেৰাহে অসমত শাসন কৰি আছিল। তাত সেই সময়ত কিমান ৰাস্তা-ঘাট হৈছে, সেই কথাৰ পৰা অনুমান কৰিব পাৰো মই আমাৰ ল'ৰা কেইজন মানক এটা ছাৰ্ভে কৰিবলৈ দিলো, কিমানটা পঞ্চায়তত কিমান ৰাস্তা এতিয়ালৈকে কৰিবলৈ আছে, যে বাই লেণ্ডয়েই হওঁক প্লেইন পথেই হওঁক। মোৱামাৰী পঞ্চায়তৰ পৰা ১৫৫ টা ৰাস্তা বাইলেণ্ডলৈকে ধৰি কৰিবলৈ বাকী আছে। প্ৰতিদিনে মোৰ ওচৰত ৰাস্তাৰ দৰ্খাস্ত লৈ আহে, আপুনি কথা দিছিল। আপুনি কিয় কৰি দিয়া নাই। আপোনাৰ তাত ৩ বাৰ হ'ল। এনেকুৱা বিভিন্ন ধৰণৰ প্ৰশ্নৰ সন্মুখীন হ'ব লগা হয় ৰাইজৰ ওচৰত। মই এই কথাটোকেই কব বিচাৰিছো, সভাপতি মহোদয়, যে আমাৰ চৰকাৰ খনৰ হাতত কোনো আলাউদ্দিনৰ চাকী নাই যে এক ৰাতিৰ ভিতৰত গোটেই ৰাস্তা হৈ যাব। কিন্তু সামগ্ৰীক ভাৱে এই কথাটো প্ৰতীয়মান হৈছে বা আমি কব পাৰো যে আমাৰ অসমৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত, মন্ত্ৰী পৰিমল শুক্লবৈদ্যৰ নেতৃত্বত সামগ্ৰীক ভাৱে গোটেই অসমখনৰ ৰাস্তা-ঘাট উন্নয়ন হৈ আহিছে, এই কথাটো সকলোৱে জানে, আৰু ৰাইজেও

গম পাইছে। আমাৰ মঙ্গলদৈতো কৈছে যে বিশেষকে বহু ৰাস্তা-ঘাট এতিয়া হৈ আছে আৰু সভাপতি মহোদয়, যি বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ আনিছে এই প্ৰস্তাৱৰ মই বিৰোধীতা কৰিছো, কাৰণ ইতিমধ্যে আমাৰ তাত আৰু বহু ৰাস্তা কৰিবলৈ আছে আৰু আমাৰ লগতে অসমৰ বহু সমষ্টিত এতিয়াও বহু ৰাস্তা-ঘাট কৰিবলৈ বাকী আছে। সকলো ৰাস্তা উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰি যাতে এই বিভাগটোত অধিক টকা মঞ্জুৰ কৰে, তাকে অনুৰোধ জনাই বিৰোধী দলক মই এই পৰিপূৰক দাবী মঞ্জুৰীৰ যি কাটমোশ্যন আনিছে, তেওঁলোকক উঠাই লবৰ বাবে আহ্বান জনাই মই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**সভাপতি ঃ**-ধন্যবাদ। এতিয়া মই মাননীয় সদস্য শ্ৰী ৰূপজ্যোতি কুৰ্ম্মী ডাঙৰীয়াক বক্তব্য ৰাখিবৰ বাবে অনুৰোধ জনাইছো।

**শ্ৰী ৰূপজ্যোতি কুৰ্ম্মী, সদস্যঃ**- মাননীয় সভাপতি মহোদয়, আপোনাক ধন্যবাদ জনাইছো। বিৰোধী দলৰ তৰফৰ পৰা আমি যি কৰ্তন প্ৰস্তাৱ আনিছো, এই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি দুটামান বক্তব্য দাঙি ধৰিব বিচাৰিছো। বিৰোধী দলৰ পৰা কৰ্তন প্ৰস্তাৱ অনা হ'ল আৰু আৰম্ভনিৰ বক্তব্য বিধান সভাৰ এজন জ্যেষ্ঠ সদস্য তথা বিজেপি দলৰ মাননীয় সভাপতি ৰঞ্জিত দাস ডাঙৰীয়াই বক্তব্য দাঙি ধৰিলে। বিষয়টো আছিল PMGSY ৰ ওপৰতে বক্তব্য। কিন্তু তেখেতে মাননীয় কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী নীতিন গাডকাৰী ডাঙৰীয়াই সপোন দেখুৱাই ৰাজ্যলৈ, ব্ৰহ্মপুত্ৰৰ ওপৰত কেইখন মান দলং হ'ব হাইৰে ৪০ খন ৫০ খন হব। এই লৈ বক্তব্য ৰখাৰ উপৰিও পেপাৰত আৰু T.V. ত কিবা ৰাস্তা পদুলিত কিবা আলকাতাৰা এৰাই গৈছে, আগতে আলকাতাৰা এৰোৱা নাছিল, এতিয়া আলকাতাৰা এৰাব ধৰিছে, বৰ্তমান চৰকাৰৰ দিনত। এইবোৰ এনেই ওলাইছে বাতৰি এনেকুৱাকে লৈ প্ৰসংগৰ বক্তব্য দাঙি ধৰিলে অৰ্থাৎ সুযোগ পালে বিৰোধীয়ে কৰ্তন প্ৰস্তাৱ অনাৰ কাৰণে এই কথাবোৰ কবলৈ আৰু মাননীয় বৰ্তমানৰ দেশৰ প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই আকৌ দলং দিব বুলি অসমৰ ৰাইজক এই কথাবোৰ লৈ পেলাই আৰু ক্ৰেডিট লবলৈ যোৱাৰ নিচিনা হ'ল। ধলা-শদিয়া দলং যি ৯৫ শতাংশ আমাৰ পূৰ্বৰ মুখ্য মন্ত্ৰীৰ নেতৃত্বত পূৰ্বৰ দেশৰ প্ৰধান মন্ত্ৰী ড০ মনমোহন সিং ডাঙৰীয়াৰ নেতৃত্বত ৯৫ শতাংশ কাম হৈ গ'ল আৰু ৯২-৯৩ শতাংশ শৰাইঘাটৰ দলংখন হৈ যোৱা কামৰ অকন মান কাম কৰিয়েই ফিটা কাটিয়েই ক্ৰেডিট লবলৈ আৰু বিভিন্নজনে বক্তব্য দাঙি ধৰিলে। **২০০৬ চন**ৰ পৰা মই ১২ বছৰ বিধায়ক হৈ আছো । মোৰ যোৱা কাৰ্য্যকালৰ ১০ বছৰত মৰিয়নী সমষ্টিত মই কমেও ৭০ ৰাস্তা পকীকৰণ কৰিলো । টি.এচ. পি হওঁক, এচ.এচ.পি.য়ে হওঁক , নাবাৰ্ডৰে হওঁক, এন.এচ.চি.পি.আৰ ৰে হওঁক , Assam State Rural Fund ৰে হওঁক , বিভিন্ন শিতানৰ জৰিয়তে কৰা হৈছে । কিন্তু বৰ্তমান যোৱা এই দুই বছৰত মই অকল আৰ. আই. ডি. এফৰ ৰাস্তা পাইছো আৰু বিষয়া সকলৰ দ্বাৰা গম পাইছো যে আমাৰ চৰকাৰৰ দিনত তৰুণ গগৈ ডাঙৰীয়াৰ দিনত থাকি যোৱা টকাৰ পৰা পাইছো । লাষ্ট এই দুই বছৰত মই এটা ৰাস্তাও আদায় কৰিব পৰা নাই । মাননীয় গড়কাপ্তানী বিভাগৰ মন্ত্ৰী ডাঙৰীয়াৰ বহল দৃষ্টি ভংগীৰ বাবে মই ৰিপেয়াৰিঙৰ টকা পাইছো । সকলো বিধায়ককে সমান চকুৰে চাই তেখেতে পুঁজি দিছে, তাৰ বাবে মই মাননীয় মন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো । কিন্তু যোৱা দুই বছৰত এটা ৰাস্তা আধাৰশিলা কৰিব পৰা নাই । এতিয়া মানুহে প্ৰশ্ন সোধে যে কথাটো কি ? পেপাৰত আপোনালোকে পাই আছে যে বাজেটৰ টকা খৰচ কৰিব পৰা নাই । সচাঁ- মিছা মই নাজানো কিন্তু কাম কৰিলে চৰকাৰ খনেৰেই নাম হ'ব । কাম কৰিলে তেওঁলোকেই বেছি দিন থাকিব পাৰিব। আমাৰ তাত কোনো অসুবিধা নাই। কিন্তু কাম কৰি দেখুৱাওঁক। পেপাৰ পত্ৰই মানুহে পাই আছে । আজিৰ সংবাদ মাধ্যমো সজাগ।

তেওঁলোকে কোনে কি কৰি আছে , সেই সম্পৰ্কত দৃষ্টি দি আছে । কোনোবাই কৈ আছে বিৰোধীয়ে মাত মতা নাই । আমিও চকু দি চোকা দৃষ্টি ৰাখি আছো । মন্ত্ৰী এজনো বিধানসভাত উপস্থিত নথকা নজিৰ আগতে কেতিয়াও দেখা নাই । যি এজন মন্ত্ৰী আহিছিল, তেওঁ ১২মিনিট ৩০ ছেকেণ্ড পলমকৈ সদনত আহিছে । এতিয়া চৰকাৰখন কি গতিত গৈ আছে, অসমখনক কিমান গুৰুত্ব দিছে লগতে পবিত্ৰ সদনৰ বাজেট অধিবেশন খনক কিমান গুৰুত্ব দিছে। আমি ঘৰৰ বিয়া- বাৰু, ল'ৰা-ছোৱালী, পৰিয়াল আদি সকলো এৰি ইয়ালৈ আহিছো । কাৰণ অসমৰ বৃহত্বৰ স্বাৰ্থত বিৰোধী দলৰ বিধায়ক হিচাপে আমাৰো বহুত কৰিব লগীয়া আছে। এই বিষয়বোৰ চিন্তা কৰি আমি ইয়ালৈ আহিছো। কিন্তু ইয়াত আহি আমি মন্ত্ৰী নথকাটো দেখিবলৈ পাওঁ। গতিকে চিৰিয়াচনেচ নোহোৱা এই চৰকাৰখনে প্ৰদূষণমুক্ত, দূৰ্নীতিমূক্ত আদি কৈ থাকিলে নহয়। চৰকাৰ খনে পৰাপক্ষত কি কাম কৰি আছে সেই কথা কিন্তু ৰাইজে চোকা দৃষ্টি দি আছে। এতিয়া যদি আমি চাওঁ, কেন্দ্ৰীয় চৰকাৰৰ মন্ত্ৰী নীতিন গাডকাৰী নিজে আহি মাজুলী আৰু কমলাবাৰী দলঙৰ আধাৰশিলা স্থাপন কৰিছিল । এই দুখন দলঙৰ আধাৰ শিলা স্থাপন কৰা আজি ২ বছৰ হ'ল। সেই দুখন দলঙৰ আজিলৈকে লাই খুঁটা বা চিমেন্ট আনি গাঁত খন্দা কাম কৰা নহল। এতিয়া আকৌ শুনিব পাইছো যে বৰাকত ৩ খন দলঙৰ বাবে ঘোষণা হৈ গৈছে । এতিয়া আকৌ ধুবুৰীত ২ খন দলং নিৰ্মাণ কৰিব । এই চৰকাৰে মানুহক সপোন দেখুৱাতকৈ কাৰ্য্যকাৰী কৰাটো আমি বিচাৰিছো । মাজুলীৰ দলংখন পূ ৰ্ব্বৰ কেন্দ্ৰীয় মন্ত্ৰী আৰু বৰ্তমানৰ অসমৰ মূখ্যমন্ত্ৰী ডাঙৰীয়াৰ উপস্থিতিত হৈছিল । কিন্তু আজিলৈকে দলংখনৰ কাম আৰম্ভ নহল। আধাৰশিলা স্থাপন কৰা আৰু এইটো হব সেইটো হব কোৱা বা কৰি দেখুওৱা কাৰ্য্যক্ষে ত্ৰত দেখা নোপোৱাৰ কাৰণে আমি সন্দেহৰ চকুৰে চাবলৈ বাধ্য হৈছো । এতিয়া প্ৰধান মন্ত্ৰীৰ সড়ক যোজনাৰ সম্পৰ্কত মাননীয় কেন্দ্ৰীয় মন্ত্ৰীৰ লগত আমাৰ যোগাযোগ হৈছিল । তেতিয়া তেখেতে কৈছিল যে এইবোৰ টকা আহিছে, হ'ব । মই, হ'ব বুলি কোৱাটো আজিৰ পৰা ৮ মাহ আগতে গম পাইছো । কিন্তু টেণ্ডাৰ কৰা নাই । এতিয়া শুনিবলৈ পাইছো মৰিয়নি সমষ্টিত ২২ টা ৰাস্তা হ'ব বুলি শুনা পাইছো । এতিয়ালৈকে ইয়াত টেণ্ডাৰ কিয় কৰা নাই । বিভিন্ন বিধায়কে কৈছে যে বাহিৰত যিদৰে এজেন্সিৰ জৰিয়তে ৰাস্তাবোৰ হয় তেনেদৰে ইয়াতো হ'ব । এই বিসংগতি দূৰ কৰাৰ বাবে আজি ইমানদিন কিয় লাগিল । এতিয়া দেখুন ফেব্ৰুৱাৰী মাহ পালেহি, বৰষুণ হ'ব, কাম আৰম্ভ হোৱাই নাই । আমি যদি অহা মাহৰ পৰা কাম আৰম্ভ কৰো তেতিয়া অকটোবৰলৈ ৬ মাহ বৰষুণ থাকিব । আমাৰ ৬ মাহ সময় যদি গুচি যায়, তেতিয়া আমাৰ এই পৰ্বটো যে বাহিৰৰ কনচাল্টটেন্সীক মাতি অনা বিষয়টো সম্পৰ্কত ধৰিছে, টকা দিব বিচৰা নাই । মন্ত্ৰী মহোদয়, এই ক্ষেত্ৰত বিভাগীয় কতৃপক্ষ নিশ্চয় জ্ঞাত । তেওঁলোকে নবেম্বৰৰ ভিতৰত এই কামটো কিয় সমাধান নকৰিলে । টেণ্ডাৰ প্ৰচেচটো কিয় সম্পূৰ্ন নকৰিলে । যদি আমি এই কাম নৱেম্বৰত আৰম্ভ কৰিব পাৰিলোহেতেন, ডিচেম্বৰ জানুৱাৰীলৈ তিনিমাহ পালোহেতেন। আজিলৈ যিহেতু আৰম্ভ হোৱাই নাই আৰু ২ এজন ঠিকাদাৰে কতৃপক্ষৰ লগত যোগাযোগ কৰিছে সেই বিষয়ে ফ'ন কৰি জনাইছে, আমি গ'ম পাওঁ । কিন্তু এতিয়ালৈকে চাইদ চাবলৈ যোৱা নাই । এতিয়ালৈকে আৰম্ভ হোৱা নাই । পলম হোৱাৰ কাৰণটো কি ? গতিকে আমি কাম কৰাত পলম হোৱা বা হেমাহি হোৱাটো আমি নুবুজিম নে ? মাননীয় মন্ত্ৰী মহোদয়ক আমি সম্পূৰ্ন দোষাৰোপ কৰিব বিচৰা নাই । বিভাগীয় যি সকল বিষয়া আছে, সেই বিষয়া সকল কিমান তৎপৰ । কিমান যোগাযোগ কৰিলে এই ক্ষেত্ৰত সদনত মাননীয় মন্ত্ৰী মহোদয়ে উত্তৰ বোৰ দাঙি ধৰিব আৰু কাম সমূহ, পুজিঁ সমূহৰ সদব্যৱহাৰ হওঁক , আমি তাকে বিচাৰো । এতিয়া যদি আমি চাওঁ, মাননীয় মন্ত্ৰী মহোদয়, ৰাষ্টা, হাইৱেৰ আদিৰ

কথা আলোচনাত ওলাইছে, মই হাইৱেৰ কথা বা ডাঙৰ ৰাষ্টাৰ কথা কবলৈ নাযাওঁ। মাননীয় মন্ত্ৰী মহোদয়ে ঘোষনা কৰা মতে মোৰ সমষ্টিতে দুখনকৈ দলং হোৱাৰ কথা আছিল। কিন্তু এই দুখন দলংৰ বাবে কোনো পুঁজি নাপালো । ২ বছৰ প্ৰায় পাৰ হৈ গৈছে ।এতিয়ালৈকে পুঁজি নাপালো। সেয়ে এই সুযোগতে মাননীয় মন্ত্ৰীয়ে এই দলংৰ ক্ষেত্ৰত কি ব্যৱস্থা গ্ৰহণ কৰিছে নিশ্চয় সদনত আমাক জ্ঞাত কৰিব বুলি কামনা ৰাখিছো । ইয়াৰ উপৰিও অন্যান্য শিতানৰ পুজিঁ আছিল ডবলিও পিটি এন বিচি বিভাগৰ জৰিয়তে ৰূপায়ন কৰি যি চিডুল কাস্ট কমপনেণ্ট পেলেন ৰ অধীনত আৰু ট্ৰাইবেল কম্পনেণ্ট পেলেনৰ অধীনত কিছুমান পুজিঁ আমি পাইছিলো । সেই পুঁজি সমূহ যোৱা এই দুটা বছৰত আমি পোৱা নাই। এই বিষয়টোৰ ক্ষেত্ৰত মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় গুৰুত্ব আৰোপ কৰিব বুলি আমি কামনা ৰাখিছো । মাননীয় মন্ত্ৰী মহোদয়, এইখিনিতে আপোনাক জনাব বিচাৰিছো যে আগতে যি ট্ৰেডিচনেল আছিল, ৰাস্তা বনাইছিল সেই ৰাষ্টাবোৰ লং লাষ্টিং আছিল ।আজি যিসকলে ৰাস্তা বনাবলৈ আগবাঢ়ি আহিছে, তেওঁলোকক বিভাগীয় কৰ্তৃপক্ষই কিমান ট্ৰেইনিং দিছে । কিমান তেল মিহলাব লাগে, কে নেধৰণে তেল মিহলাই দিব লাগে এই সম্পৰ্কে তেওঁলোকে জনা নাই । দুদিনমান আগতে মই মৰিয়নি সমষ্টিত ২ টামান ৰাস্তা চাইছিলো, আপুনি দিয়া এই ৭ কোটি টকাৰ কাম চাবলৈ যাওঁতে তাত দেখা পালো যে ৰাষ্টাত দিয়া বিটুমিনবোৰ উঠি আহিছে । আমি ইঞ্জিনিয়াৰক সুধিছিলো, তেলটো বেয়া নেকি ? সেই মানুহক যেতিয়া মাতি অনা হ'ল, তেওঁ কলে যে মহৰি জনক মই কৈ গৈছিলো । মহৰিজনে যেনেধৰণে তেল দিব লাগিছিল, তেনেধৰণে নিদিয়াৰ কাৰনে এনে অৱস্থা হ'ল । এই কথাটো যদি আমি চাওঁ, মাননীয় মন্ত্ৰী মহোদয়, মই চমুকৈ কবলৈ গৈছো যে বিভাগীয় কতৃপক্ষই আপুনাক গুৰুত্ব দিয়া নাই নেকি ? নে আপোনাক ঠিকাদাৰে গুৰুত্ব দিয়া নাই এই কথাবোৰ আপুনি চোৱা ভাল । আপোনালোকে যিহেতু টিম আচামৰ কথা কয়, আপোনালোকে ভাল কৰ্মকো আশা কৰে, আপোনালোকে কয় চৰকাৰখনৰ কামত সহযোগিতা কৰিব লাগে । সেয়েহে পৰামৰ্শটো আপোনাক আগবঢ়ালো । তেওঁলোকে যদি গুৰুত্ব দিয়া নাই, এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহন কৰক ।আপোনাক এইক্ষেত্ৰত জনাও আপুনি জ্যেষ্ঠ এজন বিধান সভাৰ সদস্য আৰু বৰ্তমান অসম চৰকাৰৰ গড়কাপ্তানি বিভাগৰ মন্ত্ৰীৰ দায়িত্বত আছে । মাননীয় মন্ত্ৰী মহোদয়, আপুনি নিশ্চয় জ্ঞাত, আপুনি যদি বাই ৰ'ড যায় নদীবোৰ পাৰহৈ অৰুণাচল আৰু নাগালেণ্ডৰ বোৰ্ডাৰত দেখা পাব যে তাত বহুত গছ-গছনি কৰিছে । এই বিষয়টো সন্মানীয় সদস্য প্ৰদীপ হাজৰিকাদেৱে তেখেতৰ বক্তব্যত ব্যক্ত কৰিছে । ব'ৰ্ডাৰ এলেকাত গছ-গছনি কটাৰ কাৰনে নগালেণ্ডৰ পৰা অহা সৰু সৰু নদী বিলাকত মথাউৰী দিবলগীয়া হৈছে । এই বিষয়টোত প্ৰাধান্য দিয়া দেখা নগল । এই বিষয়টো কানেকটেড, সেইকাৰণে কব বিচাৰিছো। যদি নগালেণ্ড আৰু অৰুণাচলৰ সীমান্তত থকা গছ-গছনি বিলাক বন্ধ নকৰে, তাৰ পৰা অহা বালি , শিল আদি বৰষুণত উটি আহি আমাৰ এই সৰু সৰু নদী বিলাক , ট্ৰিবুটৰী, বহ্মপুত্ৰত বানপানীৰ সৃষ্টি কৰিছে আৰু এজন জ্যেষ্ঠ সদস্য ওয়াজেদ আলি চৌধুৰী ডাঙৰীয়াই যোৱা বিধান সভাত বক্তব্য দাঙি ধৰিছিল । তেখেতে যেতিয়া সৰু আছিল, স্কুললৈ গৈছিল, তেতিয়া বহ্মপুত্ৰৰ দূৰত্ব আছিল সেই অঞ্চলত ৮ কিলোমিটাৰ , তাত এতিয়া সেই বহ্মপুত্ৰৰ দূৰত্ব ১৬ কিলোমিটাৰ হৈছে । অৰ্থাৎ বহ্মপুত্ৰ বাঢ়ি গৈ আছে । আমি ৰাস্তা যিমানেই নিৰ্মাণ নকৰো, এই বহ্ম পুত্ৰৰ পানীয়ে বহুত প্ৰধান মন্ত্ৰী চড়গ যোজনাৰ ৰাস্তাকে ধৰি সকলো ৰাস্তা নষ্ট কৰিছে । বিধ্বষ্ট কৰিছে । এই সম্পৰ্কে মন্ত্ৰী হিচাপে আপুনিও গ্যাত । কেন্দ্ৰীয় চৰকাৰৰ লগত যোগাযোগ কৰি গম পালো যে অৰুণাচল, নাগালেণ্ড আৰু মেঘালয়কে ধৰি যি সমূহ ৰাজ্যই গোপনীয়তা ৰক্ষা কৰিও গছ কাটি আছে আৰু চুপ্ৰিম কোৰ্টৰ

যিটো অৰ্ডাৰ তাকো ভায়োলেট কৰি আছে । কিন্তু অসমে চুপ্রিম কোৰ্টৰ অৰ্ডাৰক সদায় সন্মান জনাই আহিছে । আজি আপুনি কেন্দ্ৰীয় চৰকাৰৰ লগত আলোচনা কৰি হলেওঁ তাত নিৰীক্ষণ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰি আমাৰ নদীসমূহ যাতে বালি, শিল আদি কঢ়িয়াই নানে আৰু আমাৰ নদী সমূহ বাম নহয় । তদুপৰি বানপানী সৃষ্টি হোৱাৰ ফলত অসমৰ বহুত ৰাজহ নষ্ট হৈছে। এই কথাটো আজি মই এই সুযোগতে আপোনাক জনালো । মই দীঘলীয়া কৰিব বিচৰা নাই । যিখিনি 'মাষ্টাৰ ৰোল' কৰ্মচাৰী আছে, তেওঁলোকৰ বহুত দায়িত্ব আছে। পূৰ্বৰ চৰকাৰৰ দিনত 'মাষ্টাৰ ৰোল'ৰ বহুত কৰ্মচাৰীক চাকৰি নিয়মীয়াকৰণৰ ব্যৱস্থা কৰা হ'ল। এতিয়া প্ৰশ্ন আহিল আপোনাৰ বিভাগৰ Man power ৰ ওপৰত। আপোনাৰ বিভাগত এটা সীমিত Man power আছে। আমি পৰামৰ্শ আগবঢ়াব বিচাৰিছো যে এইসকল যিহেতু 'মাষ্টাৰ ৰোল'ৰ কৰ্মচাৰী, তেওঁলোকক নিৰীক্ষণ কৰাৰ "প্ৰধান মন্ত্ৰী সড়ক যোজনা" বা অন্যান্য পথসমূহত য'ত পানী জমা হৈ যায়, Water Logging তাত গাঁত খান্দি দিয়া তেওঁলোকৰ দায়িত্ব আছে বা কৰিব লাগে। কিন্তু আগৰ যিটো পৰম্পৰা আছে কেটলী লৈ তেওঁলোকে চাহ খাই দুই ঘণ্টা -তিনি ঘণ্টা থাকি গুচি অহা, তেওঁলোকক চাবলৈ কোনো নাযায় বা তেওঁলোকে সময় মতে আহিছে নে নাই সেইবোৰ চাবলৈ কোনো বিষয়া নাই। বহু কনিষ্ঠ অভিযন্তাই হওঁক আজি NRC ৰ কাম বা বিভিন্ন কামত আছে। আমি আপোনালোকক অনুৰোধ জনাইছো যে আপুনি Trainning Progromm কৰক বা তেনেধৰণৰ প্ৰক্ৰিয়াৰে কিমান Monitor কৰিব পাৰে তেওঁলোকে কিমান Water Logging হ'লে বা Maintenanceৰ ক্ষেত্ৰত Master Rul ৰ কৰ্মচাৰী সকলে দৃষ্টি দিয়ে, সেই কথাবোৰ আপুনি চাব বুলি আশা কৰিছো। আমাৰ অসমৰ সচিবালয়ৰ যিসকল মুখ্য কৰ্মচাৰী তেওঁলোকৰ বহুতে ন'টবমা, Housefed Complex ত থাকে। তেওঁলোকৰ Housefed Complex ৰ পৰা হাতীগাওঁ চাৰিআলিলৈকে যিটো ৰাস্তা , ৰাস্তাবোৰ বিধ্বস্ত হৈ পৰিছে। পথটোৰ কাৰণে ল'ৰা-ছোৱালীৰ পৰা আদি কৰি সকলোৱে কেইদিনমান আগত পথ অৱৰোধ কৰিলে। আমি আশা ৰখিছো এই পথটো আপুনি গুৰুত্বসহকাৰে চাব। ন'টবমা Housefed Complex ৰ পৰা হাতীগাওঁ চাৰিআলিলৈকে অহা পথটো। মই আৰু বিশেষ নকওঁ, মোৰ সমষ্টিৰ কথা মই আৰু বিশেষ ক'ব বিচৰা নাই। মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি আমি মাননীয় মন্ত্ৰী মহোদয়ক কাঁতৰ অনুৰোধ জনাইছো যে তেখেতৰ বিভাগলৈ অহা যিসমূহ পুঁজি সেই পুঁজি সমূহৰ যাতে তেখেতে সদ্ ব্যৱহাৰ কৰে। বিভাগীয় বিষয়া সকলে যাতে Business ঁ কৰিব নোৱাৰে। বিভাগটোত যেনেকৈ আমি যেনেধৰণে আশা কৰিছিলো প্ৰধান মন্ত্ৰী সড়ক যোজনা পথ বহুত বছৰৰ মূৰত আকৌ আহিছে। আমি আশা কৰিছিলো নৱেম্বৰ মাহত Tender Process হ'ব কিন্তু আজিৰ তাৰিখলৈকে মানে ফেব্ৰুৱাৰী মাহলৈকে চাৰি মাহ কিয় পলম হ'ল ? এই পলম হোৱা কাৰণটো আমাক দৰ্শাব লাগে। আৰু এতিয়া যিবোৰ পথ আমাৰ আহিছে, সেই পথসমূহৰ ক্ষেত্ৰত কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব। এই কথাবোৰ আমাক জনাব লাগে। এইখিনিকে কৈ মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন জনাই মই বক্তব্য সামৰিছো।

**মাননীয় অধ্যক্ষ ঃ** মন্ত্ৰী ডাঙৰীয়া, আপুনি কেইটা বজাত উত্তৰ দিব পাৰিব? কিমান মান সময় লাগিব।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী(গড়কাপ্তানী) ঃ** এক ঘণ্টা সময় লাগিব।

**মাননীয় অধ্যক্ষ ঃ** এক ঘণ্টা লাগিব পাৰে! মই মাননীয় সদস্য সকলক কৈছো যদিও মই কৰ্ত্তন প্ৰস্তাৱৰ আলোচনা দি থাকিব পাৰো। কিন্তু আপোনালোকে মন্ত্ৰীৰ পৰা আশা কৰে ।গতিকে আমি আলোচনা প্ৰায় এক বজাত শেষ কৰি দিম। So, that he can give the answer. সেই

কাৰণে মই আকৌ appropriation Bill খনো Pass কৰিব লাগিব। চাপলিমেণ্টৰীৰ লগত। আমাৰ বহুত মাননীয় সদস্যৰ নাম ইয়াত আহি আছে, যিমান পাৰো দিবলৈ চাম। সকলোৱে কমকৈ ক'লে সকলোকে দিব পাৰিম। নহ'লে কেইজনমান থাকি যাব। এতিয়া মাননীয় বিমল বৰা।

**শ্ৰী বিমল বৰা (টিংখং) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিৰোধীয়ে যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছে, তাৰ মই বিৰোধিতা কৰি দু-আষাৰমান ক'বলৈ আগবাঢ়িছো। প্ৰধান মন্ত্ৰীৰ গ্ৰাম সড়ক যোজনাৰ আঁচনিখন এনেকুৱা এখন আঁচনি যিখন আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ গ্ৰামাঞ্চলত বসবাস কৰা জনসাধাৰণৰ জীৱনৰ মানদণ্ড , জীয়াই থকাৰ সপোন, ভৱিষ্যৎ চিন্তা, অৰ্থনৈতিক বিকাশ, গ্ৰামাঞ্চলৰ উন্নয়ণ এই গোটেই কথাখিনিক আগুৱাই লৈ যাবৰ কাৰণে ভাৰতবৰ্ষৰ এগৰাকী শক্তিশালী প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই সপোন দেখিছিল। কাৰণ বাজপেয়ী ডাঙৰীয়াই ভাৱিছিলে যে গ্ৰাম্য সমাজত বসবাস কৰা লোকসকলক যদি আমি শক্তিশালী ভাৱে আগুৱাই লৈ যাব নোৱাৰো দেশখনক আমি ভালধৰণে আগুৱাই লৈ যোৱাত প্ৰতিবন্ধকতাৰ সৃষ্টি হ'ব। আধুনিক ব্যৱস্থাত পাঁচটামান যোগাযোগ ব্যৱস্থাই বিশেষ ভাৱে আমাৰ সমাজত প্ৰভাৱ পেলায়, তাৰে ভিতৰত এটা হ'ল, পথ যোগাযোগ ব্যৱস্থা। আমি আগতেও দেখিছিলো আমাৰ সভ্যতা -সংস্কৃতি সমূহ যেতিয়া গঢ় লৈ উঠিছিল, যোগাযোগ ব্যৱস্থাক আধাৰ কৰি সভ্যতা সমূহ গঢ় লৈ উঠিছিল। পুৰণি কালত নদীৰ পৰিবহণ ব্যৱস্থা সূচল আছিল। পৰৱৰ্ত্তী পৰ্য্যায়ত সেই যোগাযোগ ব্যৱস্থাৰ উত্তৰণ ঘটিলে পথলৈ, আৰু পৰৱৰ্তী পৰ্য্যায়ত ৰেললৈ, আকাশ মাৰ্গ আৰু এতিয়া E-connectivity আৰু সেয়েহে যোগাযোগ ব্যৱস্থাক সক্ৰিয় ভাৱে , শক্তিশালী ভাৱে আগুৱাই গ'লে এখন দেশৰ উন্নয়ণৰ কথা আমি ভাৱিব পাৰিম। সেইকাৰণে ভাৰতবৰ্ষত ৮০ শতাংশ মানুহৰ মানদণ্ড উন্নীত কৰিলেহে এখন দেশক শক্তিশালী ৰূপত আগুৱাই নিব পাৰিম। এই কথাক শিৰোগত কৰি প্ৰাক্তন প্ৰধান মন্ত্ৰী, ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই এই আঁচনিখন আৰম্ভ কৰিছিল আৰু আঁচনিখন প্ৰস্তুত কৰাৰ পাচত আমি দেখিবলৈ পালো ভাৰতবৰ্ষৰ লগতে অসমতো বিভিন্ন গাঁৱে-ভূঞে বসবাস কৰা লোকসকলেএটা পকী পথেৰে যাতায়ত কৰি তেওঁলোকৰ উৎপাদিত খাদ্যসামগ্ৰী সমূহ, কৃষিজাত সামগ্ৰীসমূহ ওচৰৰ বজাৰলৈ নিবৰ কাৰণে সুবিধা হ'ল। সেই পকী পথেৰে বিভিন্ন ধৰণৰ যানবাহন চলাচল আৰম্ভ হ'ল। সেই পকী পথৰ বাবে শিক্ষা স্বাস্থ্যকে ধৰি গোটেই কথাখিনিক সুন্দৰ ভাৱে সেই পথৰ সদ্ ব্যৱহাৰ কৰি লৈ আগুৱাই যাবৰ বাবে এটা ব্যৱস্থাৰ মাজত সোমাই পৰিলে আৰু এই কথাখিনিৰ জৰিয়তে আমি আগন্তুক দিনতো আগুৱাই লৈ গৈ যোগাযোগ ব্যৱস্থাক আৰু শক্তিশালী ভাৱে আমি সমাজখনক সুন্দৰভাৱে আগুৱাই লৈ যাব পাৰিম সেই আশা আমাৰ আছে। কিন্তু আমি দেখিবলৈ পালো যে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীযাৰ মিত্ৰজোটৰ চৰকাৰ গঠন হোৱাৰ পাছত আমি গম পালো যে বিগত ২০১৩ চনৰ আৰু ২০১৬ চনৰ ভিতৰত 'প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক জোযনা' ৰ কোনো এটা পথ আমাৰ অসমত চেংশ্যন হোৱা নাছিল। কোনো এটা পথ সুদীৰ্ঘ চাৰিটা বছৰ 'প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক জোযনা' ৰ অধীনত অসমত অনুমোদন পাবলৈ সক্ষম হোৱা নাছিল আৰু মুখ্যমন্ত্ৰী ডাঙৰীয়া , আমাৰ গড়কাপ্তানী মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া সকলোৱে উদ্যোগত , আমাৰ চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ পূৰ্ণ সহযোগিতাৰ বাবে আমি যোৱা ২০১৬ পৰা ২০১৮ বৰ্ষৰ ভিতৰত সুদীৰ্ঘ ৭,৯১৩কিলোমিটাৰ পথৰ, ৭৪৫ খন দলং আৰু প্ৰায় পাঁচ হাজাৰ ন শ আঠ কোটি টকাৰ অনুমোদন পাবলৈ অসম সক্ষম হ'ল। বিগত দিন ধৰি অসমত যিমান গড়কাপ্তানী পথ আমাৰ 'প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক জোযনা' ৰ অধীনত নিৰ্মাণ কৰা হ'ল। সকলো বৰ্ষবোৰৰ ভিতৰত এইটো এটা অভিলেখ হৈছে। সেইকাৰণে আমি সকলোৱে গম পাইছো যে আমাৰ প্ৰত্যেকৰে

সমষ্টিবোৰত বহু বহু পথ আমি 'প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক জোযনা' ৰ অধীনত আমি অনুমোদন পাবলৈ সক্ষম হ'লো। তিনিচুকীয়া সমষ্টিত প্ৰায় ৬৮ টা পথ 'প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক জোযনা' ৰ অধীনত অনুমোদন পাইছে। লাহোৱাল সমষ্টিত প্ৰায় ২৬ টা পথ 'প্ৰধান মন্ত্ৰী গ্ৰাম সড়ক জোযনা' ৰ অধীনত আমি অনুমোদন পাইছো। মাৰ্ঘেৰিটাত ৪১ টাতকৈ অধিক পথ অনুমোদন পাইছে। মোৰ সমষ্টিতো প্ৰায় ২৯ টাতকৈ অধিক পথ অনুমোদন পাবলৈ সক্ষম হৈছে। এই পথসমূহ সম্পূৰ্ণৰূপত ভালদৰে নিৰ্মাণ হৈ উঠিলে সমগ্ৰ অসমৰ যোগাযোগ ব্যৱস্থাৰ এটা আমূল পৰিৱৰ্তন সম্ভৱ হ'ব। সেই পথেৰে কেৱল মাত্ৰ গাড়ী-ঘোৰা নচলিব। বৰঞ্চ পাৰ্শ্ববৰ্ত্তী অঞ্চলসমূহত বসবাস কৰা সকলো ছাত্ৰ-ছাত্ৰী শিক্ষা গ্ৰহণকে ধৰি স্বাস্থ্য বাণিজ্য এই গোটেই কথাখিনি আগুৱাই লৈ যাবলৈ সক্ষম হ'ব, এই পথসমূহ সুন্দৰভাৱে সম্পূৰ্ণ হোৱাৰ পাছত । কাৰণ অসমখন অসমৰ ভৌগলিক অৱস্থান , অসমৰ প্ৰকৃতিক বাতাবৰণ, জলবায়ু ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যতকৈ পৃথক। আমাৰ ইয়াত বহু সোনকালে বাৰিষা আৰম্ভ হয় বহু দেৰীলৈকে বানপানী গৰাখহনীয়া আদি সমস্যাত আমাৰ ৰাজ্যখন আক্ৰান্ত হৈ থাকে আৰু পথসমূহ নিৰ্মাণ কৰিবৰ বাবে হাতত মাত্ৰ চাৰি মাহৰ পৰা পাঁচ মাহ আমি সময় পাওঁ। নামনি অসমতকৈ উজনি অসমৰ সময়তো আৰু কম। কাৰণ উজনি অসমত বেছি সোনকালে বৰষুণ আৰম্ভ হয়। নামনি অসমত অলপ সময় পাই বাট পথ সমূহ নিৰ্মাণ কৰিব বাবে। আমাৰ মন্ত্ৰী মহোদয়ক মই অনুৰোধ জনাইছো এটা বৰ্ষৰ ভিতৰত ইমান হাজাৰ বাট পথ নিৰ্মাণ কৰিছে। এই বিশাল সংখ্যক বাট পথ নিৰ্মাণ কৰি তেখেতে যি অভিলেখ ৰচনা কৰিবলৈ গৈ আছে , সেইখিনি যাতে সময়ৰ ভিতৰত সমাপন কৰিব পৰা যায় , তাৰ বাবে তেখেতৰ অধীনস্থ যি ডিপাৰ্টমেন্ট আছে এই গড়কাপ্তানী বিভাগৰ বিষয়া কৰ্মচাৰীসকলেও এটা মিচন মোডত কামখিনি আগুৱাই লৈ যাব লাগিব। আমি জানিব পৰা মতে বহু পথত এতিয়ালৈকে বাৰে বাৰে টেণ্ডাৰ দিয়াৰ পিচতো কনট্ৰেকটৰে পাৰ্টিচিপেট কৰা নাই। গম পালো যে যোৱা দিনবোৰত ২০০৮ চনৰ পৰা ২০১৫-১৬ চনলৈ অসমত গড়কাপ্তানী বিভাগে প্ৰধান মন্ত্ৰীৰ ' গ্ৰাম সড়ক যোজনাৰ অধীনত প্ৰায় ১৭,৫৯৭ কি.মি পথ নিৰ্মান কৰি উলিয়াইছিল। যোৱা৭ বছৰত প্ৰায় ১৭,০০০ কি.মি বাট পথ নিৰ্মাণ কৰিছিল গড়কাপ্তানী বিভাগে। অসমত যিসকল নিৰ্মাণকাৰী প্ৰতিষ্ঠান আছিল সেই নিৰ্মাণকাৰী প্ৰতিষ্ঠানৰ সহযোগত কিন্তু এটা বছৰত যিহেতু তাৰ ওচৰা ওচৰি ৮০০০ কি.মি চেংচন হ'ল। চেংচন হোৱাৰ বাবে যিখিনি নিশ্চিতভাৱে আমাৰ মেনপাৱাৰ থাকিব লাগে, সেই মেন পাৱাৰৰ অভাৱে দেখা দিছে। গতিকে আগন্তুক দিনবোৰত আমাৰ থলুৱা নিবনুৱা যুৱক-যুৱতী আছে সেই সকলক লগত লৈ, আমাৰ যিসকল ব্যৱসায় বানিজ্যৰ প্ৰতি আগ্ৰহী লোক আছে সেইসকলক আৰু উদ্বুদ্ধ কৰি যাতে বিজ্ঞান, তথ্য আৰু প্ৰযুক্তিৰ সহায়েৰে আমি তেওলোকক শক্তিশালী কৰি তুলিব পাৰো তাৰ বাবে মন্ত্ৰী মহোদয়ক আগন্তুক দিনবোৰত তেনেধৰণৰ পৰিকল্পনাৰে আমাৰ বিভাগটোক আগুৱাই লৈ যাবলৈ আহ্বান জনাইছো । বিৰোধী দলৰ কেইবাজনো সন্মানীয় সতীৰ্থই বিভিন্ন বক্তব্য ৰাখিছে। আপোনালোকে চাওঁক যোৱা ২০১৬ চনৰ পৰা মিত্ৰজোঁটৰ চৰকাৰ আৰম্ভ হোৱাৰ পিচৰ পৰা আমি বিশেষকৈ অসমৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ৰ নিৰ্দেশত আমাৰ মাননীয় গড়কাপ্তানী মন্ত্ৰী মহোদয়ে সকলো বিধায়কক লগত লৈ তেওলোকৰ সমষ্টিত বসবাস কৰা জনসাধাৰণৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰাৰ স্বাৰ্থত বাট পথসমূহ নিৰ্মাণ কৰিবলৈ যি উদ্যোগ গ্ৰহণ কৰিছিল সেই ক্ষেত্ৰত আঁচনি বিতৰণৰ ক্ষেত্ৰত বেলেগ ধৰণে বৈষম্যমূলক আচৰণ কৰা আমি দেখা পোৱা নাই। . যোৱা কালি আমাৰ দলৰ সন্মানীয় সভাপতি শ্ৰীৰঞ্জিত কুমাৰ দাস ডাঙৰীয়াই কৈছে যোৱা দিনবোৰত তেওঁ যেতিয়া প্ৰথম বিধায়ক হৈ আহিছিল সৰভোগ সমষ্টিৰ পৰা, এটা পথ নিৰ্মাণৰ বাবে সেই ৫ বছৰত তেওঁক মাত্ৰ ৫০ লাখ টকা

দিয়া হৈছিল। কিন্তু যোৱাকালি নন্দিতা দাস বাইদেৱে দুখ কৰিছে যে, দলং এখনহে পালে। বাট পথটো পাইছেই , দুখন দলং পাব লাগিছিল কিন্তু এখন দলং পালে কিন্তু এইটো দুখ কৰিবলগীয়া কথা নহয়। আমাৰো বহু বিধায়ক এখন দলংহে পাইছে বা কিছুমানে পোৱা নাই। আমাৰ মাননীয় বিধায়ক শ্ৰীপ্ৰশান্ত ফুকন ডাঙৰীয়া তেওঁ আমাৰ দলৰ জ্যেষ্ঠ বিধায়ক কিন্তু তেওঁ এখনো দলং পোৱা নাই। আজি ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াই কৈছে যে , সপোন দেখাতকৈ কাৰ্য্যক্ষেত্ৰত কাম কৰি দেখুৱাব লাগে। তেখেতে শনি আৰু দেওবাৰে সমষ্টিলৈ গৈছিল, চৰকাৰে দিয়া ৯ কোটি টকাৰ কামবোৰ পৰ্যবেক্ষন কৰিবলৈ, নিশ্চয় এইটো সপোন নহয় এইটো বাস্তৱ। সমষ্টিৰ জনসাধাৰণে বিগত দিনবোৰত-- মোৰ সমষ্টিৰ কথাই কৈছো যোৱা বাৰিষাত বহু লোকে অভিযোগ কৰিছিল যে ৰাস্তা পদুলিবোৰ বোকা হৈছে কিবা এটা কৰক। হোৱাটছ এপত ৰাস্তাৰ ফটো পঠিয়াই থাকে। দিনটোত বোকা বাট পথৰ ফটো কমেও ৭-৮টা মান আহে। যেতিয়া খৰালি আৰম্ভ হ'ল অধ্যক্ষ মহোদয়, খৰালি আৰম্ভ হোৱাৰ পিচত তেতিয়াও ফটো পঠিয়াই থাকে মোৰ সমষ্টিৰ ৰাইজে। তেতিয়া আপলোড কৰা ফটোবোৰ ধুৱলী কুঁৱলী দেখা যায়। ধুৱলী- কুঁৱলী কিয় হৈছে কাৰণ এনেকুৱা কাম কৰিছে যে গোটেই ৰাস্তা পথ ধুলিময় হৈ গৈছে। ৩৫ খন ৰোলাৰে মোৰ সমষ্টিত কাম কৰি আছে। অধ্যক্ষ মহোদয় । ২৯ টা. পি এম জি এচ ৱাই ৰাস্তা আছে গোটেইখিনি এতিয়ালৈকে এলটমেন্ট হোৱা নাই। মোটামোটি আধাতকৈ বেছি হৈছে। গতিকে ৩৫ খন ৰোলাৰে যদি এটা এটা সমষ্টিত কাম কৰে নিশ্চয় সেই সমষ্টিৰ উন্নয়নৰ গতিধাৰা কেনেকৈ আগুৱাই লৈ যাব সেই কথা আমি সহজে অনুমান কৰিব পাৰো। গতিকে মই ভাৱো মাননীয় মুখ্যমন্ত্ৰী সৰ্ব্বানন্দ সোণোৱাল ডাঙৰীয়া, মাননীয় গড়কাপ্তানি মন্ত্ৰী পৰিমল শুক্লবৈদ্য ডাঙৰীয়া লগতে প্ৰধান মন্ত্ৰী ডাঙৰীয়াৰ সপোন প্ৰাক্তন প্ৰধান মন্ত্ৰী ভাৰত ৰত্ন অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াৰ যিটো সপোন সকলোকে লগত লৈ আগুৱাই যোৱা, সেই চিন্তা নিশ্চয় আগন্তুক দিনবোৰত আমাৰ চৰকাৰৰ তৰফৰ পৰা আগুৱাই নিব গতিকে তাত বিৰোধী দলৰ বিধায়কসকলে বিৰোধিতাৰ নামত কিছুমান কথা কোৱাতকৈ আশুঅৱস্থালৈ সমাজখনক আগুৱাই লৈ যাবলৈ জনসাধাৰণে তেওলোকক যি সমৰ্থন আগবঢ়াই জনপ্ৰতিনিধি হিচাবে এই বিধান সভালৈ পঠিয়াইছে সেই কাৰ্য্যত তেওঁলোকক মনোযোগ দিবলৈ আহ্বান জনাইছো নহ'লে জনসাধাৰণেও তেওলোকৰ যি কাম কাজ - সেই কাম কাজত মনত দুখ পাব আৰু জনপ্ৰতিনিধিৰ ওপৰতো জনসাধাৰণৰ আস্থা হেৰাব। গতিকে যিটো সঁচা সেইটো স্বীকাৰ কৰিব লাগে। মোৰ সমষ্টিতো বিৰোধী দলৰ বহু মানুহ আছে। সেই মানুহবিলাক কিন্তু আমাৰ চৰকাৰখনৰ কামকাজক , তেখেত সকলে যথেষ্ট সুন্দৰভাৱে প্ৰশংসা কৰি আছে। অধ্যক্ষ মহোদয় কথা ............।

**মাননীয় অধ্যক্ষঃ** নহয়, মই ক'বলৈ হাক দিয়া নাই। আপোনালোকে যদি মন্ত্ৰীৰ উত্তৰ বিচাৰে তেতিয়া হ'লে চৰ্ট কৰিলে ভাল হ'ব, আৰু কেইবাজনো ক'বলগীয়া আছে।

**শ্ৰীবিমল বৰাঃ** হয়, অধ্যক্ষ মহোদয়, এইখিনিকে ক'লো। গতিকে আশা ৰাখিছো আৰু শক্তিশালী ভাৱে আমাৰ গড়কাপ্তানী মন্ত্ৰী ডাঙৰীয়াই আৰু সন্মানীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই টীম আচামৰ জৰিয়তে ৰাজ্যখনক আগুৱাই লৈ যাবলৈ যি পৰিকল্পনা কৰিছে তাৰ আলমত মই গড়কাপ্তানী বিভাগৰ সকলো বিষয়া, কৰ্মচাৰী, অভিযন্তা তেখেতসকলৰ কামত দক্ষ , তেখেত সকলে যথেষ্ট দক্ষতাৰে বিগত বছৰবোৰত কাম কৰিছে আৰু অধিক দক্ষতাৰে যাতে সময়ৰ ভিতৰতে আমি কাম কৰিবই লাগিব নহ'লে প্ৰাকৃতিক পৰিবেশে আমাক কাম কৰাত বাধা প্ৰদান কৰি আহিছে । গতিকে সময়ৰ ভিতৰত আমি কাম কৰিবই লাগিব তেতিয়াহে আমাৰ চৰকাৰখন ৰাইজৰ আস্থাভাজন হ'ব। কাৰণ আমাৰ সকলোৰে কিছু দায়িত্ব দিছে । মন্ত্ৰী হিচাবে আমাক দায়িত্ব দিছে, বিধায়ক হিচাবে আমাক দায়িত্ব

দিছে, অভিযন্তা হিচাবে দায়িত্ব দিছে , বিষয়া-কৰ্মচাৰী হিচাবে আমাক দায়িত্ব দিছে । গতিকে আমি আমাৰ দায়িত্বসমূহ নিষ্ঠাৰে আৰু আন্তৰিকতাৰে পালন কৰি কাম কৰিব লাগিব। গতিকে সময়ৰ কথাটো সকলোৱে কৈ আছে, ইতিমধ্যে যথেষ্ট দেৰি হৈছে, এলটমেন্ট কৰোতে যথেষ্ট পলম হৈছে , গতিকে সেই কামখিনি যাতে আমি আৰু অলপ চমুৱাই আনিব পাৰো , সেই কথাৰ প্ৰতি মনোনিবেশ কৰিবৰ কাৰণে মই মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো , পুনৰবাৰ তেখেতৰ শক্তিশালী গতিশীল নেতৃত্বত আগন্তুক দিনবোৰত সমগ্ৰ অসমৰ পথ যোগাযোগ ব্যৱস্থা আৰু অধিক ত্বৰান্বিত কৰিব। এই আশাৰে পুনৰবাৰ- বিৰোধীয়ে যি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিলে তাৰ বিৰোধিতা কৰি মই মোৰ বক্তব্যৰ সামৰণি মাৰিলো।

মাননীয় অধ্যক্ষ মোৰ হাতত **১১** জন বক্তাৰ নাম আছে। গতিকে সকলোকে তো মই নোৱাৰিম গতিকে যিমান পাৰো মই ৰোটেড কৰিবলৈ চাম। এতিয়া মামুন ইমদাদুল হক চৌধুৰী ....... মই ভাৰো ৫ মিনিটৰ পৰা ১০ মিনিটৰ ভিতৰত ক'লে মই কেইজনমান দিব পাৰিম।

**মামুন ইমাদাদুল হক চৌধুৰী ঃ** মাননীয় সভাপতি মহোদয়, আমাৰ বিধায়িনী দলৰ পৰা অনা কৰ্ত্তন প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনাই বক্তব্য ৰাখিব দিয়া কাৰণে আপোনাক ধন্যবাদ জনাইছো। Grant No-64 মাননীয় PWD মন্ত্ৰীয়ে কিছু টকা বিচাৰিছিল চাপ্লিমেন্টৰি ডিমাণ্ড হিচাপে ইয়াতে ছাৰ কেইটামান কাৰণ দিয়া হৈছে তেওঁ পইচাখিনি কিয় বিচাৰিছে চাৰ ১ নম্বৰ দিছে ছাৰ 1) Additional Amount of rupees 15 lacs is required for payment of salary and wages. ( ইয়াত ছাৰ আমাৰ একো ক'ব লগা নাই কাৰণ চেলাৰী আৰু ৱেজেছ নিদিলে ডিপাৰ্টমেন্ট কেনেকৈ চলিব )

**মাননীয় অধ্যক্ষ ঃ** এইখিনি আমি জানো । আপুনি মূল পইন্টলৈ আহক

**মামুন ইমদাদুল হক চৌধুৰী ঃ** ইয়াত ছাৰ অৱজেকচন আছে সেই কাৰণে কৈছো নাম্বাৰ দুই আছে ছাৰ 2) An additional amount of rupees 65.39 Lacs is required to meet the expenditure of LED Lightening of NH THIRTY SEVEN for FIFA World Cup during 2017 . এই যে ছাৰ নাম্বাৰ টুত ক'লে ইমানখিনি টকা যদি অকল আলোকসজ্জাত ব্যৱহাৰ কৰা হ'য় অসমৰ দৰে এখন ষ্টেটৰ কাৰণে ছাৰ কিমান দুৰ যোগ্য এইটো চাৰ ভাৰি চাব লগা ইয়াত ছাৰ আমাৰ অলপ অৱজেকচন আছে এইখিনি কথা চাৰ কলো। মেইন যিটো কথা ছাৰ আমাৰ এতিয়া কাট মোচন চলি আছে প্ৰধান মন্ত্ৰীৰ গ্ৰাম চড়ক যোজনা বাকী পইন্ট কেইটামান আছে ছাৰ ডিটেইলচত নাযাওঁ। এই প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা ছাৰ কিয় আৰম্ভ কৰিব লগা হ'ল। ইতিমধ্যে চাৰ বিমল বৰা ডাঙৰীয়াই খুব ধুনীয়াকৈ কৈ গৈছে যে প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই এই স্কীমটো আৰম্ভ কৰিছিলে। আমাৰ main কথাটো হ'ল যে cut motion চলি আছে প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা। প্ৰধান মন্ত্ৰী গ্ৰ্যাম চড়ক যোজনা কিয় আৰম্ভ কৰিব লগা হ'ল, ইতিমধ্যে মাননীয় সদস্য শ্ৰী বিমল বৰা ডাঙৰীয়াই খুব ধুনীয়াকৈ কৈ গৈছে যে প্ৰধান মন্ত্ৰী শ্ৰীযুত অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই এই scheme টো আৰম্ভ কৰিছিল। **২০০০** চনৰ **১৫** আগষ্টত দেশক সম্বোধি যেতিয়া তেখেতে স্বাধীনতা দিৱসত ভাষণ প্ৰদান কৰিছিল, তাত তেখেতে এটা কথা উল্লেখ কৰিছিল যে ভাৰতবৰ্ষত **৫.৮৯** লাখ গাঁও আছে। আৰু তাৰে শতকৰা **৭৫** ভাগ জনসংখ্যা আছে গাওঁ অঞ্চল। এই গাওঁ অঞ্চলৰ মানুহখিনিক ৰাস্তাৰ connectivity ক্ষেত্ৰত খুব বেয়া। এই শতকৰা **৭৫** ভাগ মানুহৰ ৰাস্তাৰ connectivity ভাল নহয়, তেনেহলে দেশখন আগুৱাই যাব নোৱাৰে। এইটো প্ৰধান মন্ত্ৰী বাজপেয়ী ডাঙৰীয়াৰ

সপোন আছিল। তেখেতে বিচাৰিছিল socio - economic transformation, তাৰ পিছত গাঁৱত বিভিন্ন community ৰ মানুহ থাকে। ৰাস্তা-ঘাট নথকাৰ কাৰণে এই community ৰ মানুহবিলাকৰ মাজত communication gap থাকে। গতিকে এইটো এটা তেখেতৰ idea আছিল যে breaking the isolation of village communities তাৰ পিছত easier for marking, education, health etc. আৰু এটা main point তেখেতৰ আছিল যে to strengthen the agro based economy মূল মানুহখিনি যেতিয়া ভাৰতবৰ্ষৰ গাঁৱত থাকে, ইতিমধ্যে আমাৰ মাননীয় সদস্য শ্ৰী গুৰুজ্যোতি দাসে কৈছে যে গাঁৱত কি কি উৎপাদন হয় সেইখিনি ৰাস্তাৰ communication ভাল হ'লে চহৰ অঞ্চললৈ যাব। গতিকে agro based economy strong কৰিবৰ কাৰণে এই প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা আৰম্ভ কৰা হৈছিল। বিভিন্ন কাৰণৰ ভিতৰত এই চাৰি পাচটা মুল কাৰণ আছিল। এই যে তেখেতে ২০০০ চনৰ ১৫ আগষ্টত স্বাধীনতা দিৱসত দেশক সম্বোধন কৰোতে এই কথাখিনি কৈছিল। সেই বছৰৰ ২৫ ডিচেম্বৰ তাৰিখে তেখেতৰ জন্ম দিনৰ দিনা প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰে এই scheme তো আৰম্ভ কৰা হৈছিল গাঁও অঞ্চলৰ ৰাস্তা ঘাট ভাল কৰিবৰ কাৰণে। তেতিয়া যিটো নীতি ঠিক কৰা হৈছিল যে ১ হাজাৰ জনসংখ্যা যিবিলাক গাঁওত আছিলে, সেই গাঁও বিলাকত এই প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ ৰাস্তাৰে সংযোগ কৰা হ'ব। তাৰ পিছত ২০০৭ চনত revise কৰি পাঁচশ জনসংখ্যালৈ নমোৱা হ'ল। ইয়াত অলপ relax য়ো আছে পাহাৰীয়া আৰু মৰুভূমি অঞ্চলৰ কাৰণে ২৫০ জনসংখ্যা আছে। ২০০৭ চনত revise হৈছে এতিয়া ২০১৮ চন। প্ৰায় ১১ বছৰ পাৰ হৈ গ'ল আমাৰ বোধেৰে এই policy তো ৰাজ্য চৰকাৰে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ কৰিব লাগে যে policy তো পুনৰ revise কৰিব লাগে। কাৰণ ২০০৭ চনতহে last revision টো হৈছে। গতিকে আমি অসমৰ ক্ষেত্ৰত যদি কওঁ প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ মূল উদ্দেশ যিহেতু গ্ৰামাঞ্চলৰ ৰাস্তাৰ connectivity ভাল কৰা ।অসমত 88% village habitation আছে, তাৰে 20% habitation পাহাৰীয়া অঞ্চলত আছে।পাহাৰীয়া অঞ্চল যত আটাইতকৈ বেছি বৰষুণ হয়। কালি এজন বিধায়কে এই কথাটো খুব ধুনীয়াকৈ কৈছে যে অসমৰ যিটো Geography এইটো North Indiaৰ Geography ৰ সৈতে নিমিলে। যিবিলাক North Indian Officer ৰে এই policy টো বনায়, এইটো আমাৰ ইয়াত implement কৰাটো দিগ্‌দাৰ আছে। গতিকে চৰকাৰ বিৰোধী বুলি কথা নাই, যিহেতুকে ৰাজ্যৰ সামগ্ৰিক উন্নয়ন হ'ব লাগে। এইটো আমাৰ চৰকাৰে অলপ গুৰুত্ব দিব লাগে যে আমাৰ ইয়াত পাহাৰ আছে, বানপানী হয়। North India ৰ ৰাস্তাবিলাক ওখ কৰিব নালাগে। কালি ভুৰন পেগু ডাঙৰীয়াই খুব ধুনীয়াকৈ কৈছে, আমাৰ ইয়াত বহুত ওখ কৰিব লাগে। গতিকে এই policy টোত আমাৰ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ লগত মাত মাতিব লাগে। কেন্দ্ৰীয় চৰকাৰক convince কৰাব পাৰিব লাগে কাৰণ দিল্লীত বহি যিবিলাক policy বনোৱা হয়, এই policy বিলাক অসমৰ কাৰণে feasible নহয়, practical নহয়। এই কথা বিলাক মই মাননীয় মহোদয়ক অনুৰোধ কৰিলো তেখেতে যাতে এই কথা কেন্দ্ৰীয় চৰকাৰৰ লগত tackle কৰে।অসমত 75% agro based livelihood আছে। এই 75% agro based economy অসমৰ, এইটো grow up কৰিবৰ কাৰণে PMGSY ৰ ৰাস্তাটোৰ দৰকাৰ আছে। ইতিমধ্যে ৰাস্তা বনোৱাৰ মুল উদ্দ্যেশটো হ'ল agre based economy, গাঁৱৰ মানুহখিনিক আগবঢ়াই নিবৰ কাৰণে । যিহেতুকে কেন্দ্ৰীয় চৰকাৰৰ যিটো policy, North Indian Ideology ত যিটো policy চলে, সেই policy তো যাতে ইয়াত নহয়। মই এটা

reference দিব বিচাৰিছো - আজি চাৰি পাচ বছৰ আগতে টি ভিত লোক সভাৰ live চাই আছিলো education ৰ ওপৰত debate. Sikkim Democratic Front ৰ single MP। তেখেতে কৈছে যে আমি চৰকাৰক সমৰ্থন কৰিব পাৰো, কিন্তু এই education policy ৰ ঘৰ -চৰ আপোনালোকেবনাব। মোৰ Sikkim ত implement কৰিব নিদিওঁ। কাৰণ Sikkim হ'ল Hilly area আৰু দিল্লী হ'ল plain area, এইটো মই মানি ল'ব নোৱাৰো। গতিকে চিকিমৰ নিচিনা সৰু ৰাজ্য এখনে যদি চৰকাৰক ইমান ধমকি দি কব পাৰে, আমাৰ ইয়াৰ চৰকাৰে কিয় নোৱাৰে। গতিকে এইটো অলপ গভীৰ ভাৱে চাব লাগে। বিগত ৯ বছৰত কেন্দ্ৰীয় চৰকাৰে অসমক ৫৯৩৫ টা rural road sanction দিছে PMGSY ৰ under ত। এই ৫৯৩৫ টা ৰাস্তাৰ ভিতৰত ১৯৪৩০ কিলোমিটাৰ ৰাস্তা আছে। ইয়াৰ ভিতৰত ৪৩৩২ টা ৰাস্তা সম্পূৰ্ণ হৈছে। ৪৩৩২ টা ৰাস্তা connect হৈছে ১৪,৭৪০.৪১ কিলোমিটাৰ। ৩৪৯ দলং PMGSY ৰ under ত অনুমোদন দিছিলে কেন্দ্ৰীয় চৰকাৰে শেষৰ ৯ বছৰত। ১৭৩ খন দলং সম্পূৰ্ণ হৈছে, তাৰমানে এতিয়ালৈকে ৯ বছৰত কেন্দ্ৰীয় চৰকাৰে PMGSY ৰ under ত যিমান ৰাস্তা আৰু দলং অনুমোদন দিছে তাৰ ভিতৰত সম্পূৰ্ণ নোহোৱাকৈ আছে ১০৭৮ টা rural road । এইটো cover কৰিব ২৯৫৯.৩৭ কিলোমিটাৰ আৰু ১৭৬ খন দলং। এই কেইটা সম্পুৰ্ণ হবলৈ বাকী আছে। যিকেইটা already sanction হৈছে। মোৰ হাতত এটা statement আছে আমাৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ, তেখেতে শাসকীয় দলৰ জ্যেষ্ঠ নেতা ১৯৯১ ৰ পৰা তেখেতে অসম বিধান সভাৰ সদস্য হৈ আছিল। তেখেতৰ statement তো হ'ল - ২৪ আগষ্ট, ২০১৭ ত তেখেতে কৈছিলে - ৮ হাজাৰ কিলোমিটাৰ ৰাস্তা ২০১৮ ৰ মাৰ্চৰ ভিতৰত সম্পূৰ্ণ কৰিব বুলি কৈছিল। ৮ হাজাৰ কিলোমিটাৰ ৰাস্তাৰ ভিতৰত ৩৪০ খন দলং সম্পূৰ্ণ কৰিব বুলি কৈছিল। আজি ২০১৮ ৰ ফেব্ৰুৱাৰীৰ ২০ তাৰিখ। এই এমাহৰ ভিতৰত বাকী কামখিনি কেনেকৈ কৰিব এইটো বিৰোধী পক্ষৰ বিধায়কক বাদে দিয়ক, চৰকাৰী পক্ষৰ বিধায়কেও বোধ কৰো বুজাত অলপ দিগদাৰ আছে। আজি ১৫, ২০ দিন আগতে মোৰ সমষ্টিৰ কেইবাটাও PMGSY ৰ ৰাস্তাৰ foundation হৈছে। এক মাহৰ ভিতৰত ৰাস্তাবিলাক কেনেকৈ সম্পূৰ্ণ হ'ব, এইটো অসম্ভৱ হ'ব। গতিকে মাননীয় মন্ত্ৰী মহোদয়ে যেতিয়া উত্তৰ দিয়ে তেতিয়া মোৰ এইটো অনুৰোধ থাকিল এই কথাটো যাতে reflect হয় যে ইমান কম দিনৰ ভিতৰত ইমান ভাল quality, আমাৰ মাননীয় সদস্য শ্ৰী প্ৰদীপ হাজৰিকা ডাঙৰীয়াই কৈ গৈছে যে quality maintain হ'ব লাগে। এই quality maintain কৰি এক মাহৰ ভিতৰত ইমান ভাল ৰাস্তা কেনেকৈ বনাব এই কথাটো মই বুজা নাই। গতিকে মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ দুটা ৰাস্তা আছে হৰিপুৰ - কোঁৱৰপুৰ - বাল্কি NH-15 ৰ পৰা ৰাজআলী - কোঁৱৰপুৰ - বালিটিকা হৈ এটা গৈছে। ২০০৬ ত ৰাস্তাটো আৰম্ভ হৈছে, এতিয়ালৈকে ৰাস্তাতো সম্পূৰ্ণ হোৱা নাই। মই তিনি চাৰি বাৰ বিধান সভাত এই প্ৰশ্নটো আনিছো । প্ৰশ্নটো excess হৈছে বুলি ঘুৰি যায় । এইবাৰো ঘুৰি গৈছে।

**মাননীয় অধ্যক্ষঃ**আপুনি এই কথাটো এনেকৈ কিয় কৈছে। excess হোৱা কাৰণে ঘুৰি গৈছে। এইটো এটা অনুষ্ঠানৰ ওপৰত comment কৰাৰ নিচিনা। কাৰণ এটা মানুহৰ ওপৰত blame কৰাৰ নিচিনা হয়। গতিকে আপুনি নক'ব তেনেকৈ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰীঃ**মাননীয় অধ্যক্ষ মহোদয়, মই blame কৰা নাই, কথাটো কৈছো।

২০০৬ ত আৰম্ভ হোৱা PMGSY ৰ ৰাস্তা ১২ বছৰ পাৰ হৈ গ'ল এতিয়ালৈকে ৰাস্তাটো সম্পূৰ্ণ

হোৱা নাই এই ঠিকাদাৰ সকলৰ ওপৰত action হ'ব লাগে। তাৰ পিছত আৰু এটা ৰাস্তা পাণধোৱাৰ পৰা ম'হাঘুলিলৈকে গৈছে, এই ৰাস্তাৰ কামতো ১৫, ২০ দিন আগত আৰম্ভ হৈছে, তাত RCC Bridge আছে, ৰাস্তাতো হবই। এই যে survey ৰ কথাটো কেইবা জনো বিধায়কে কৈ গৈছে। দিল্লীৰ পৰা যে মানুহ survey কৰিবলৈ আহে, কেনেকৈ survey কৰে মই বুজা নাই। য'ত নদী নাই তাত ৫০ ফুট বহল দলঙৰ কাৰণে recommend কৰি থৈ গ'ল আৰু য'ত নদী আছে, তেখেতে খৰালি দিনত আহিছে নদী তেতিয়া সৰু দেখা কাৰণে সৰু দলং দি গুছি গ'ল। গতিকে এইটো অলপ খেলিমেলি হৈছে, survey তো আকৌ হ'ব লাগে। মই শেষ কৰি দিছো কালি মাননীয় সদস্য শ্ৰী বিনন্দ শইকীয়া ডাঙৰীয়াই এটা ভাল কথা কৈছে বিভিন্ন গাওঁ অঞ্চলত আজি কালি ৰাস্তাত জে চি বি, টেক্টৰ চলোৱাৰ কাৰণে ৰাস্তা বিলাকৰ আয়ুস কমি গৈছে। গতিকে চৰকাৰে এনেকুৱা এটা policy বনোৱা ভাল যে কোনে কিমান টন ওজনৰ গাড়ী-মটৰ, ট্ৰেক্টৰ, জে চি বি, পোকলেণ্ড এই বিলাক ৰাস্তাৰে চলিব। নহলে ৰাস্তাবিলাক আয়ুস বিলাক কমি যায়। তাৰ পিছত এই policy টো আকৌ remind কৰিছো যে policy টো অলপ reset কৰিবৰ কাৰণে চৰকাৰৰ লগত কেন্দ্ৰীয় চৰকাৰৰ লগত আমাৰ ৰাজ্য চৰকাৰে অলপ আলোচনা কৰিব লাগে। আৰু ২০০৭ চনতে যিহেতুকে last survey হৈছিল, গতিকে পুনৰ survey কৰিব লাগে। মই আৰু বিশেষ নকওঁ, আপুনি যিহেতু warning দি আছে।

**মাননীয় অধ্যক্ষ ঃ** This is not warning. It is your duty to send the list. Why din't you start the proceedings? আপোনাৰ দলৰ দুজনক দিছো আৰু এজন আছে। সময় কম আছে, আপুনি ভালদৰে কোৱাৰ কাৰণে মই কবলৈ দিছো, লগতে এইটোও কওঁ যে আপোনাৰ দলৰ তৰফৰ পৰা আপুনি সদায় আৰম্ভ কৰিব। আমিনুল ইছলাম ডাঙৰীয়া আছে তেখেতক পাঁচ মিনিটৰ সলনি দহ মিনিট দিছো। গতিকে আপোনালোকে নিজৰ মাজত ঠিক কৰি নাম সমূহ দিব। ধন্যবাদ। আপোনাৰ কনট্ৰিবিউচনটো মই এপ্ৰিচিয়েট কৰিছো। এতিয়া মাননীয় সদস্য শ্ৰীঅমৰ চান্দ জৈন তাৰ পিছত জাকিৰ হুছেইন সিকদাৰে বক্তব্য ৰাখিব।

**শ্ৰীঅমৰ চান্দ জৈন ঃ** (**<u>This is the translated version of the Hindi speech made by the Hon'ble Member in the House</u>**). Hon'ble Speaker Sir, I would like to oppose the Cut Motion tabled by the Opposition parties in the House and at the same time would like to express few lines, through you, to the Hon'ble Minister, PWD. I would like to suggest the Opposition parties Hon'ble Members that they should learn to appreciate the good action of the Government. Atleast, they should speak in affirmative note. Our hon'ble PWD Minister, since last two years has not done any such act which deserves to draw the device of Cut Motion in the House. He has given equal attention to all the Hon'ble Members, whether from ruling or opposition parties. Despite of that, if the Opposition Members speaks in such note, I don't think that is right. I have stood to lay few points on PMGSY. My constituency comprises of lowlands. When our Hon'ble Chief Minister visited Silchar 6 - 7 months back, I had informed him that

all the PMGSY roads in my area remains submerged under water during rainy season. There are 40 PMGSY roads in my area but not a single road is pitched. We should send a proposal to the Central Government that the heights of PMGSY roads in flood affected area should be added extra amount of mud and elevated by 3 - 4 feet. The contractors who constructed road earlier had used only soil and sand in 60 percent of the roads and then left the work incomplete. What that means is that, if the contractor pitches the road then they have to incurr loss. So the contractors have done profitable job and left the rest of the work incomplete. Those contractors should be identified and punitive action should be taken against them. This scheme was started by Hon'ble Atal Bihari Vajpayeeji. May be to tarnish the image of Hon'ble Vajpayeeji, during the last 15 years of previous Government, there was no proper method of monitoring the scheme. That is why the PMGSY is in such a pathetic condition at present. I can firmly claim that in the last one and half years, the work of roads have been carried out in such extent which was not done even during the 15 years term of the previous Government. It was our ill-fate that last year the state experienced 9 months of rainfall. Despite of that the work on roads have advanced. We should be thankful to the State Government. At the end, I would like to again request the State Government that the roads in the lowland areas should be elevated by 3-4 feet by putting extra soil. With this I conclude my speech. Thank you.

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। মই কথাবিলাক এইকেইদিন শুনি আছো। আচলতে কৰ্তন প্ৰস্তাৱ নানিলে আপোনালোকে কথা কবলৈ নাপালে হেতেন। It is Parliamentary Device to discuss matters on different Departments. তাত এটা কথা আছে যে যিকেইটা দাবী মঞ্জুৰী আহিছে, সেইকেইটাৰ ওপৰত ক'ব লাগিব।

বিৰোধীয়ে প্ৰস্তাৱ নানিলে আলোচনাই নহয়। গতিকে আলোচনাৰ বাবে শাসক-বিৰোধী সকলোয়ে সুযোগ পায় - এই কথাটো আপোনালোকক জনাবলৈ কৈছো। বিৰোধীয়ে উত্তৰত সন্তুষ্ট হ'লে নিশ্চিত ভাবে কৰ্তন প্ৰস্তাৱটো উঠাই লয়। ইতিমধ্যে এই সংসদীয় প্ৰক্ৰিয়াটোৰ মাজেৰে আমাৰ শাসক-বিৰোধীৰ কেইবাজনো সদস্যই গুৰুত্বপূৰ্ণ পৰামৰ্শ দিছে। এতিয়া শ্ৰীজাকিৰ হুছেইন সিকদাৰ। অলপ সোনকালে বক্তব্য শেষ কৰিব আপোনাৰ পিছত আৰু দুই এজনক দি মই শেষ কৰিম।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ ঃ** অধ্যক্ষ মহোদয়, বিৰোধী দলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাৰ সমৰ্থনত মই কেইটামান কথা ক'ব বিচাৰিছো। কৰ্তন প্ৰস্তাৱ আনাৰ মূলতে হৈছে যে এই বিভাগটোৰ ওপৰত আলোচনা কৰা। বিভিন্ন সমস্যাৰ ওপৰত আলোচনা কৰা আৰু বিভাগীয় মন্ত্ৰীৰ দৃষ্টিগোচৰ কৰা। যোগাযোগ ব্যৱস্থা হৈছে উন্নয়নৰ গতিমাত্ৰা প্ৰদান কৰা এটা মাধ্যম। যদি আমাৰ যোগাযোগ ব্যৱস্থা

নাথাকে, যদি ভালদৰে যাতায়ত কৰিব নোৱাৰো তেতিয়া আমি কোনো উন্নয়ন কৰিব নোৱাৰো। ৰাস্তা-ঘাটৰ গুৰুত্বৰ ওপৰত আমি বহুবাৰ বিধান সভাত আলোচনা কৰিছো, নিশ্চিত ভাবে যোগাযোগ ব্যৱস্থাটো উন্নত কৰাৰ বাবে ৰাস্তা-ঘাট ভাল কৰাৰ কাৰণে এইবাৰো এই বিষয়ৰ ওপৰত আলোচনা কৰা হৈছে। ৰাজ্যখনৰ ৰাস্তা-ঘাট, দলং আদিৰ অৱস্থা ভাল কৰাৰ কাৰণে সকলোৱে চিন্তা কৰিছে আৰু কিছু কৰণীয় আছে বাবেই এই আলোচনা হৈছে বা কৰ্তন প্ৰস্তাৱ অনা হৈছে। অধ্যক্ষ ডাঙৰীয়া আপুনি চমু কৰিব কৈছে, আগৰ বক্তাসকলে বহু কথা কৈ গৈছে, সেইবিলাক কথালৈ মই নাজাও যিহেতু পি.এম.জি.এছ. ৱাইৰ ওপৰত বিশেষকৈ আলোকপাত কৰাৰ কথা কৈছে। গতিকে মাননীয় বিধায়ক ইমদাদুল ডাঙৰীয়াই পি.এম.জি.এছ. ৱাইৰ গোটেই কথাবিলাক বহলাই কৈছে, মই সেইবিলাকলৈ নাজাওঁ।মাত্ৰ তাৰ লগত এটা কথা সংযোজন কৰিব বিচাৰিছো। গাঁৱৰ ৰাস্তা সংযোগীকৰণ, কৃষি ক্ষেত্ৰৰ উন্নতিকৰণ কথা আহিছিল তেতিয়া এই বিষয়বস্তুৰ লগত আৰু এটা কথা চিন্তাচৰ্চা কৰা হৈছিল সেই সময়ত, যি সময়ত নিবনুৱা সমস্যাই মুৰ দাঙি উঠিছে নিবনুৱা সমস্যাখিনি সমাধান কৰাৰ ক্ষেত্ৰত যাতে কৃষি কৰ্মৰ লগত জড়িত হৈ ভালকৈ যাতে উৎপাদন কৰিব পাৰে তাৰ বাবেও পি.এম.জি.এছ.ৱাই আঁচনি কৰিছিল মাননীয় বাজপেয়ী ডাঙৰীয়াই। আজি ইয়াত শাসক পক্ষৰ বিধায়ক সকলে বিভিন্ন কথা কৈছে পি.এম.জি.এছ.ৱাই আঁচনি আৰম্ভণি বাজপেয়ীয়েই ডাঙৰীয়াই কৰিছিল - সেই কথাটোত আমিও একমত। কিন্তু অসমৰ ক্ষেত্ৰত পি.এম.জি.এছ.ৱাই আঁচনিৰ কথা যদি কোৱা যায় মোৰ এষাৰ কথালৈ মনত পৰিছে অধ্যক্ষ ডাঙৰীয়া যেতিয়া জি.এছ.টি নীতি বলবৎ হৈছিল তেতিয়া আমাৰ দেশৰ মাননীয় প্ৰধান মন্ত্ৰী মোডি ডাঙৰীয়াই কৈছিল, ভগৱান শ্ৰীকৃষ্ণৰ লগত জি.এছ.টিক তুলনা কৰিছিল। তেখেতে জি.এছ.টিক দৈৱকী আৰু যশোদাৰ লগত তুলনা কৰিছিল। এইকাৰণে কৰিছিল ভগৱান শ্ৰীকৃষ্ণ দৈৱকীৰ গৰ্ভত জন্ম গ্ৰহণ কৰিছিল আৰু যশোদাই লালন-পালন কৰিছিল। ঠিক তেনেকৈ পি.এম.জি.এছ. ৱাই আঁচনিক যদি আমি কব বিচাৰো বাজপেয়ীয়েই ডাঙৰীয়াই এই আঁচনিক ঘোষণা কৰিলো কিন্তু অসমত পি.এম.জি.এছ. ৱাই আঁচনিক সাৰ্থক কৰিছে, সফল কৰিছে আমাৰ কংগ্ৰেছ চৰকাৰে। কংগ্ৰেছ চৰকাৰৰ গড়কাপ্তানী বিভাগে এই আঁচনিখন সাৰ্থক কৰিছে, যাৰ কাৰণে আমি কম যে পি.এম.জি.এছ. ৱাই আঁচনিখনক অসমত ভগৱান শ্ৰীকৃষ্ণৰ লগত তুলনা কৰিছো। দৈৱকীয়ে জন্ম দিলে, লালন -পালন কিন্তু যশোদাই কৰিছে। ঠিক তেনেদৰে কংগ্ৰেছে এই আঁচনিটো লালন পালন কৰিছে। যোৱা চৰকাৰৰ বিভিন্ন কাম-কাজৰ কথা ইয়াত আলোকপাত কৰিছে, বিভিন্ন সময়ত কথাবোৰ আলোচনা হৈছে, সমালোচনা হৈছে। বিভিন্নজনে কৈছে ৰাস্তা-ঘাট একো নাই, ৰাস্তাবোৰ পাহাৰত গুছি গৈছে, সাগৰত গৈছে, উন্নয়ন দেখা নাই। এই কথাবিলাকৰ ওপৰত কবলৈ গলে বহু কথা ক'ব লাগিব। অধ্যক্ষ ডাঙৰীয়া অসমৰ ৰাইজ আৰু শাসকীয় পক্ষৰ বিধায়কসকলে জানে আজিৰ পৰা পোন্ধৰ বছৰ আগতে তেখেতসকলৰ জন্মস্থান বা বাসস্থান সেই ঠাইসমূহত ৰাস্তা-ঘাটৰ অৱস্থা ২০০০ চনৰ আগত কি আছিল আৰু এতিয়া কি হৈছে। এই বিষয় বিলাক যদি বিবেকেৰে চায় উত্তৰ পাব। প.এম.জি.এছ.ৱাই আঁচনিৰ জৰিয়তে বৰ্তমান মোৰ সমষ্টিত ২৯ টা ৰাস্তাৰ কাম অনুমোদন লাভ কৰিছে আৰু নিবিদাও আহ্বান কৰা হৈছে। কিন্তু ঠিকাদাৰসকলে সেই নিবিদাত অংশগ্ৰহণ কৰা নাই। মাত্ৰ চাৰিটা কামত অংশগ্ৰহণ কৰিছে আৰু সেইকেইটাৰ ইতিমধ্যে কাম আৰম্ভ হৈছে। বাকী কামসমূহত তেওঁলোকে নিবিদা নিদিয়াৰ কাৰণ হৈছে যিটো প্ৰাক্কলন মূল্য আছিল সেইমতে কাম কৰিবলৈ হ'লে তেওঁলোকৰ লোকচান ভৰিব লাগিব। এতিয়া মোৰ কথা হ'ল বিভাগৰ তৰফৰ পৰা যেতিয়া ডি.পি.আৰ প্ৰস্তুত কৰা হৈছিল, যেতিয়া পথসমূহ চাৰ্ভে কৰা হৈছিল সেইসময়ত নিশ্চিত ভাবে কিবা নহয় কিবা ভুল হৈ গৈছিল।

ইয়াৰ আগৰ বক্তা সকলেও কৈ গৈছে যে অসমখন বানপানীৰ অঞ্চল ইয়াত বৰষুণ বেছি হয়, বেছিভাগ দ অঞ্চল। গতিকে যেতিয়া ডি.পি.আৰ প্ৰস্তুত হয় দিল্লীয়ে এটা নিৰ্দেশ দিয়ে আৰু সেই নিৰ্দেশখিনি আমাৰ ইয়াত কাৰ্য্যকৰী কৰা হয়। মাননীয় বিৰোধী দলৰ বিধায়ক শ্ৰীশ্বেৰমান আলি ডাঙৰীয়াই পি.এম.জি.এছ. ৱাই আঁচনি সম্পৰ্কত চাৰ্ভেৰ পৰা আৰম্ভ কৰি ডি.পি.আৰ প্ৰস্তুত কৰা পৰ্য্যন্ত কি কি আসোৱা আছে সেইখিনি বিতংকৈ আগৰ বিধান সভা অধিবেশনত কৈছে। কিন্তু মন্ত্ৰী ডাঙৰীয়াই সেই ক্ষেত্ৰত কিমানখিনি কাৰ্য্যকৰীকৰণ কৰিলে সেইটোৰ ফল আমি আজিলৈকে দেখা পোৱা নাই। মাননীয় অধ্যক্ষ মহোদয়, মন্ত্ৰী ডাঙৰীয়াই সেই ক্ষেত্ৰত কিমানখিনি কাৰ্য্যকৰী কৰণ কৰিছে, সেই কথাখিনি আজিলৈকে ফল দেখা নাই। মই মোৰ বাস্তৱ অভিজ্ঞতাৰে কব বিচাৰিছো যেতিয়া DPR প্ৰস্তুত কৰে, Survey কৰে, আমাৰ সন্মানীয় বিধায়ক সকলক PMGSY ৰ ৰাস্তা যেতিয়া Survey কৰিব যায়, Survey কৰিবৰ কাৰণে এটা পাৰ্টিক ঠিকা দিয়া হয়। এটা পাৰ্টিয়ে টেণ্ডাৰ মাৰি Survey ৰ কাৰণে তেওঁলোকে কাম -কাজখিনি লয়, তেওঁলোকে ঠিকাভিত্তিত কামখিনি কৰে আন্তৰিকতাৰে তেওঁলোকে কামবোৰ কেতিয়াও নকৰে, যাৰ কাৰণে অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু আহ্বান কৰিব বিচাৰিছো যাতে এই DPR বিলাক প্ৰস্তুত কৰাৰ কাৰণে এটা পাৰ্টিক যেতিয়া Survey ৰ দায়িত্ব দিয়া যায়, তেতিয়া প্ৰত্যেক বিধান সভা সমষ্টি সন্মানীয় বিধায়ক সকলক অৱগত কৰিব লাগে। যে কোনটো ৰাস্তাৰ কাৰণে Survey ৰ কাম বিলাক চলি আছে, বিধায়ক সকল যাতে অৱগত হয়, তাৰ বাবে মন্ত্ৰী ডাঙৰীয়াই যাৱতীয় ব্যৱস্থাবোৰ গ্ৰহণ কৰে। ইয়াতে দলঙৰ কথা কৈছে, ৰাস্তা ঘাটৰ কথা কৈছে, যোৱা চৰকাৰৰ দিনত কেইবা হাজাৰ কিলোমিটাৰ ৰাস্তা ঘাট পকী কৰণ কৰা হৈছিল PMGSY ৰ আঁচনিৰ জৰিয়তে আৰু বিভিন্ন আঁচনিৰ জৰিয়তে, কেইবা হাজাৰ দলং পকী কৰণ কৰা হৈছিল। কিন্তু শাসকীয় পক্ষৰ বিধায়ক সকলে বিভিন্ন ক্ষেত্ৰত সেইবোৰ তেওঁলোকে বিৰোধীক কব লাগে বুলি বিভিন্ন সময়ত সেই অভিযোগবোৰ দি আহিছে। আজি আপোনালোকে ঢলা-শদিয়া দলঙৰ কথা কৈছে, আজি শৰাই ঘাটৰ দলঙৰ কথা কৈছে, আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কিছুদিন আগত লোক সভাত ঢলা-শদিয়া দলঙৰ কথা তেওঁ উলিয়াইছে। তেওঁ কৈছে, ঢলা-শদিয়া দলংখনি তেওঁ উদ্বোধন কৰাত কংগ্ৰেছৰ কৰ্মী সকলে মনত দুখ পাইছে। কিন্তু অধ্যক্ষ ডাঙৰীয়া, আজি আপোনাৰ জৰিয়তে পৱিত্ৰ বিধান সভাত কওঁ কংগ্ৰেছৰ কৰ্মী হিচাপে আমি সন্তুষ্ট। আমাৰ কংগ্ৰেছ চৰকাৰৰ দিনতে এই দলংখনৰ আধাৰশিলা স্থাপন হোৱা বাবে আজি প্ৰধান মন্ত্ৰী ডাঙৰীয়াই ফিটা কাটিব পাৰিছে। শুভ উদ্বোধন কৰিব পাৰিছে, তাৰ কাৰণে আমি গৌৰৱবোধ কৰো, তাৰ কাৰণে আমি কেতিয়াও দুখ প্ৰকাশ নকৰো। আজি শৰাইঘাট দলঙৰ ক্ষেত্ৰত সেই একে হৈছে, আজি এই চৰকাৰৰ দিনত বিভিন্ন দলঙৰ কথা কৈছে, মাননীয় মন্ত্ৰী ডাঙৰীয়াই কৈছিল ১০০০দলং তেওঁলোকে বনাব, আজি প্ৰায় ২বছৰ গল ১০০০ দলং যদি বনাব লাগে বছৰত ২০০ কে দলং বনাব লাগিব। অধ্যক্ষ ডাঙৰীয়া, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো আজি পৰ্যন্ত অসমত কিমানখন দলঙৰ আধাৰ শিলা স্থাপন কৰা হল, নতুন চৰকাৰৰ দিনত যিখিনি দলং তেওঁলোকে কৰিছে, সেইখিনি আগৰ চৰকাৰৰ দিনত কাম আৰম্ভ হৈছিল। সেই দলংখিনি ইতিমধ্যে শেষ হৈছে, সেই কথাবিলাক অধ্যক্ষ ডাঙৰীয়া আজি তেওঁলোকে বিভিন্ন ক্ষেত্ৰত সম বিকাশৰ কথা কৈছে, সম বিকাশ এইটো কথাত হৈছে, কোনো কামৰ ক্ষেত্ৰত আমি কেতিয়াও পোৱা নাই। আজি মোৰ সমষ্টিৰ কথা যদি কবলৈ যাওঁ, মোৰ সমষ্টি খন নদ-নদীৰে ভৰপূৰ, বিলেৰে ভৰপূৰ। বৰপেটা জিলাখন বানাক্ৰান্ত এখন জিলা, বছৰত ৪বাৰকৈ বানপানী আহেআমাৰ সমষ্টিতো বহুত দ অঞ্চল

এই অঞ্চলৰ ৰাস্তা ঘাটৰ যিখিনি প্ৰয়োজনীয়তা সেই হিচাপে যিখিনি পুঁজি দিব লাগে , আজিৰ তাৰিখত সেইখিনি দিয়া নাই, কিছু পুঁজি দিছে, অস্বীকাৰ নকৰো। কিন্তু সেই পুঁজিখিনিত আমি আমাৰ গোটেই ৰাস্তাখিনি কৰিব সমৰ্থ হোৱা নাই। ৰাইজে দুৰ্যোগ ভুগিছে, গতিকে সেই কথা বিলাকৰ ওপৰত আজি SDRF ৰ কথাখিনি কৈছিল। যেতিয়া বানপানী হৈছিল, PWD Department ৰ জৰিয়তে জিলা উপায়ুক্তই সচিবালয়লৈ তালিকা এখন প্ৰেৰণ কৰিছিল। কিন্তু আজিৰ তাৰিখ পৰ্য্যন্ত চৰকাৰৰ ২বছৰ হবৰ হল কিন্তু মোৰ সমষ্টিত মই কৈছো ১ কিলোমিটাৰ ৰাস্তা SDRFৰ আঁচনিৰ জৰিয়তে আমি কৰিব পৰা নাই। অথচ ৯০ শতাংশ ৰাস্তা বানপানীৰ কৱলত পৰি ক্ষতিগ্ৰস্থ হৈছে।

**মাননীয় অধ্যক্ষ** ঃ হুছেইন ডাঙৰীয়া, মই আপোনালোকৰ কথা বন্ধ কৰিব নিবিচাৰো, আমাৰ বাজেট আহিব তাত আপুনি বিস্তৃত ভাৱে এই বিলাক কথা আলোচনা কৰিব পাৰিব। কিন্তু আজি Cut Motion ত এইবোৰ Limit কৰক। বাজেটত মই আলোচনাৰ বাবে ৩দিন দিম, তাত আপুনি এইখিনি কথা কব পাৰিব।

**শ্ৰী জাকিৰ হুছেইন সিকদাৰ (মাননীয় বিধায়ক, সৰুক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মই মাননীয় মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো যে যিখিনি PMGSY ৰ ৰাস্তা ৫বছৰ সময় পাৰ হৈ গৈছে, সেইখিনিত ৰাজ্য চৰকাৰৰ বাজেটত কিমান টকা ধাৰ্য্য কৰা হৈছে, সেইখিনি মই আপোনাৰ যোগেদি মন্ত্ৰী মহোদয়ৰ পৰা এটা স্পষ্ট উত্তৰ আশা কৰিছো। অধ্যক্ষ মহোদয়, সময়ৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ বিৰোধী দলে অনা কৰ্ত্তন প্ৰস্তাৱক মই সমৰ্থন জনাই মোৰ বক্তব্যৰ সামৰিছো।

**মাননীয় অধ্যক্ষ** ঃ আমাৰ আৰু দুজনক যেনেতেনে কবলৈ সুবিধা দিম। প্ৰথমে মাননীয় বিধায়ক শ্ৰী নাৰায়ণ ডেকা তাৰ পিছত চাহাবুদ্দিন আহমেদ ডাঙৰীয়া আছে।

**শ্ৰী নাৰায়ণ ডেকা (মাননীয় সদস্য, বৰক্ষেত্ৰী)** ঃ মাননীয় অধ্যক্ষ মহোদয়, আমাৰ গড়কাপ্তানী বিভাগৰ মন্ত্ৰী মহোদয়ে, পৰিপূৰক দাবি মঞ্জুৰীৰ নম্বৰ ৬৪ ৰ বিৰোধীতা কৰি বিৰোধীয়ে যি কৰ্ত্তন প্ৰস্তাৱ আনিছে, কৰ্ত্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি মই কেইটামান কথা উপস্থাপন কৰিবলৈ লৈছো। মই চুতিকৈ কম, To the point কম। প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা এনেকুৱা এটা আঁচনি স্বাধীনত্তোৰ কালত ভাৰত চৰকাৰে গ্ৰাম্য আন্তঃগাঠনি ওপৰত লোৱা আঁচনিৰ ভিতৰত মই ভাৱো এইটো সৰ্বচেষ্ট আঁচনি। এই আঁচনিখনে গ্ৰাম্য অঞ্চলক যথেষ্টখিনি উপকৃত কৰিছে, তাৰ কোনো সন্দেহ নাই, আৰু বিগত ১৭বছৰে এই আঁচনিখন যি সফল ৰূপ দিলে, সেই ক্ষেত্ৰত গড়কাপ্তানী বিভাগ আৰু এই গড়কাপ্তানী বিভাগৰ জৰিয়তে যি সকল Contractor য়ে কাম কৰিছে, তাৰো Contractor সকলৰো সদিস্যা তেখেত সকলৰ Contribution আমি কেতিয়াও নুই কৰিব নোৱাৰো। আজি বিভিন্ন সদস্যই গড়কাপ্তানী বিভাগ বা Contractor ক দোষাৰূপ কৰি বহুতখিনি কথা কৈছে, তাত মোৰ ১০০ শতাংশ দ্বিমত নাই, কিন্তু আমাৰ অধিকাংশ চৰকাৰী ইঞ্জিনিয়াৰ বা গড়কাপ্তানী বিভাগৰ বিষয়া কৰ্মচাৰী যি কষ্ট চিকাৰ কৰি আজি এই প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনা আঁচনিখন সফল ৰূপ দিছে। আৰু বহুতো Contractor এ বহুত কষ্ট কৰি এই আঁচনিখন আজি পৰ্য্যয়লৈ আনিছে। আমি আমাৰ সদনত দায়িত্ব সেই Contractor বা সেই বিষয়া সকলৰ তেওঁলোকক ও আমি স্বীকৃতি দিয়া আমাৰ দায়িত্ব আছে। নহলে তেখেত সকলে কাম কৰাৰ কাৰণে অনুপ্ৰেৰণা নাপাব অধ্যক্ষ মহোদয়, সেই কাৰণে মই কথাখিনি কৈছো, এতিয়া আমাৰ প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ সফ লৰূপ বা ভৱিষ্যতে আমি এই কামখিনি সময় নিৰ্ধাৰিত ভাৱে কেনেকৈ কৰিব পাৰো,

আমি গ্ৰাম চড়ক যোজনাৰ আওঁতাত আমাৰ গাওঁ বিলাকক আনিব পাৰো। তাৰ প্ৰতি কিছু Bottlenecking আছে। Bottlenecking খিনি মই ইয়াত উপস্থাপন কৰিব বিচাৰিছো। ইতিমধ্যে আমাৰ বিভিন বক্তাৰ জৰিয়তে প্ৰমাণ হৈছে, যে আমি এইবাৰ প্ৰায় ৬০০০ কোটি টকাৰ ৰাস্তা প্ৰধান মন্ত্ৰী গ্ৰাম চড়ক যোজনাৰ অধীনত কৰাৰ সুবিধা পাইছো। তৎসত্বেও আমাৰ বহুটো গাওঁ এতিয়াও Survey ৰ পৰা বাদপৰিছে। আমাৰ নলবাৰী জিলাখনত মাত্ৰ ৯০ কিলোমিটাৰ ৰাস্তা হে আমি পাইছো, ২০০১ চনত এটা Survey হৈছিল Co-networking Survey আৰু ২০১৫ চনত এটা Survey হৈছিলে। এই দুটা Survey হৈ যোৱাৰ পিছতো বিশেষকৈ আমাৰ নলবাৰী জিলাৰ বিধায়ক ডাঙৰীয়া আছে, তেখেতৰ সমষ্টিটো বহুত এনেকুৰা ৰাস্তা আছে, যিবোৰ ৰাস্তা আমাৰ এই networking ত অন্তৰ্ভূক্ত নহল। সেই কাৰণে আমি সেইবোৰ ৰাস্তা এতিয়া আমি বেলেগ ৰাস্তাৰ লগত অন্তৰ্ভূক্ত কৰাৰ সুবিধা নাপাওঁ। সেই কাৰণে আমাৰ মন্ত্ৰী মহোদয়ক আমি বিশেষকৈ অনুৰোধ জনাইছো, এই networking খন আপডেট কৰাৰ কাৰণে যাৱতীয় ব্যৱস্থা তেখেতে নিশ্চয়কৈ লব, যাতে আমি ৰৈ যোৱা গাওঁবোৰ বিশেষকৈ ২০০১ চন আৰু ২০১৫ চনত যিখিনি বাদ পৰিছে, আৰু বহুত নতুন Habitation হৈছে, যিবোৰ Habitation আমি আকৌ Connect কৰাৰ কাৰণে আমাৰ এই বেলেগ সুবিধাটো আমাৰ হাতত নাই। গতিকে এই ব্যৱস্থাখিনি যাতে আমাৰ মন্ত্ৰী মহোদয়ে, গুৰুত্ব দিয়ে তাৰ কাৰণে আহবান কৰিছো। অধ্যক্ষ মহোদয়, আমাৰ PMGSY কামৰ ক্ষেত্ৰত যিটো অভিযোগ আহিছে যে বহুত Contractor য়ে কাম কৰা নাই বা টেণ্ডাৰ দিয়া নাই, কেইটামান গুৰুত্বপূৰ্ণ কথা আছে, অধ্যক্ষ মহোদয়, আমাৰ যিবোৰ Estimation হৈছিল, এই যিবোৰ টেণ্ডাৰ কল কৰা হল, এই Estimation আছিল, Pre-GST তাত আগতে তাত আগতে ৫ শতাংশ VAT আৰোপ কৰা আছিল কিন্তু এতিয়া আমাৰ যেতিয়া ১৮ শতাংশ GST লাগি গল বহুত Contractor য়ে মানে লোকচানৰ ভয়ত Tender ৰ পৰা দূৰত আছে। তাৰোপৰি অধ্যক্ষ মহোদয়, আমাৰ যিমানখিনি Tender Call কৰা হৈছে, সেই অনুপাতে আমাৰ Forest material আমাৰ available বহুত জাগাত নাই কাৰণে Contractor যে সেই ভয়তে আমাৰ Tender ৰ পৰা দূৰত আছে। আৰু আটাইতকৈ ডাঙৰ কথা আমাৰ Contractor বিলাকে যেতিয়া Tender কৰিব লগীয়া হৈছিল , তেতিয়া আমাৰ যিখিনি Work Calender আছিল সেইখন মতে আমি অসমত মাত্ৰ ৪/৫ মাহহে কাম কৰা সুবিধা পাওঁ। আৰু এই ৪/৫ মাহ কাম কৰাৰ সুবিধাৰ কাৰণে আমাৰ বছৰটোৰ কাৰণে আমাৰ PWD Schedule of Act Fixed কৰা হয়, সেইখন Work Calender ৰ ওপৰত Base কৰি কৰা হয়। আমাৰ দেশৰ অন্যান্য ৰাজ্য বিলাকত ১০ মাহ, ১১ মাহ পৰ্য্যান্ত কাম কৰিব পাৰে, কিন্তু আমাৰ অসমত ৫ মাহ বা ৪ মাহহে কাম কৰিব পাৰে। তাৰ ওপৰত Base কৰি আমাৰ PWD ৰ SOR খন বনোৱা হয় যাৰ কাৰণে আমি ঠিকাদাৰ সকলক যিটো Rate দিও সেই Rate ত তেওঁলোকে যেতিয়া ৭ মাহ, ৮ মাহ বহিব লগীয়া হয়, তেতিয়া তেওঁলোকৰ এটা Price escalation হয়। সেই escalation তেওঁলোকে as per সেই সুবিধাটো নাপায়। গতিকে মই বিচাৰো আমাৰ PWD ৰ যিখন Work Calendar অসমৰ কাৰণে সুকীয়া হওঁক আৰু তাৰ কাৰণে আমাৰ মন্ত্ৰী মহোদয়ক বিভাগীয় বিভাগে ভাৰত চৰকাৰৰ লগত নিশ্চয় যোগাযোগ কৰিব। দ্বিতীয়তে, এটা কথা সঘনে উত্থাপন হৈছে যে আজি আমাৰ PWD ত, আমাৰ PMGSY ৰ ক্ষেত্ৰত যিখিনি কাম সুব সুন্দৰ ভাৱে হৈছে আৰু ইয়াৰ যিটো Monitoring System সুব স্বচ্ছ, নিকা তাত ঠিকাদাৰে ফাঁকি দিব পৰা ব্যৱস্থা ৰবেছি নাই। আমাৰ বিভাগৰ বিষয়া সকলে Moni-

toring টো Properly কৰে। সেই কাৰণে ঠিকাদাৰ সকলে তাত Risk লব টান পায়। তেতিয়া তাতে যিখিনি component থাকে, Sand-Gravel বা Material বা Carpeting এইখিনিত তেওঁলোকে বেছি লাভ কৰিব নোৱাৰে, যিহেতুকে Frequently তাত Forest Material বা সেই escalation টো Frequently হৈ থাকে। কিন্তু, আমাৰ ভাৰত চৰকাৰে যেতিয়া NRFD য়ে যেতিয়া PMGSY ৰ Estimate বিলাক Approve কৰে তেওঁলোকে per k.m. এটা Limit কৰি দিয়ে। ৫০, ৬০, ৫৫ লাখত এটা Limit কৰি দিয়ে, সেই কাৰণে আমাৰ যিখিনি Essential component সেইখিনি Curtain কৰিব নোৱাৰে। আমাৰ বিভাগে আমাৰ ইয়াতে কি কৰে সদায় মাটিৰ component টো Curtain কৰি লাভজনক যিটো আইটেম সেইটো Totally Nil কৰি দিয়া হয় যাৰ কাৰণে ঠিকাদাৰে এই কামখিনি কৰাৰ কাৰণে আগ্ৰহী নহয়। কিন্তু অধ্যক্ষ মহোদয়, আমাৰ এই যিখিনি ঠিকাদাৰে ইমান দিনে PMGSY ৰ কাম কৰি আছে, মই বহুত ঠিকাদাৰক জানো, মইও এই বিভাগত বহুদিন কাম কৰিছো, বহুত ঠিকাদাৰে কষ্ট কৰি এই PMGSY ৰ কামখিনি ইমান দিনে আমাক কৰি দিছে। গতিকে আমি যেতিয়ালৈকে আমি Bottlenecking বিলাক আতৰ কৰিব নোৱাৰো, আমাৰ Work Calendar খন ঠিক কৰিব নোৱাৰো, আমি Estimate টো যেতিয়ালৈকে North East ৰ বাবে Customised কৰিব নোৱাৰো, তেতিয়ালৈকে কিন্তু আমি বিচাৰিলেও ঠিকাদাৰক মাতি আনিব নোৱাৰিম। গতিকে অধ্যক্ষ মহোদয়, মই এই কথাকেইটা গুৰুত্ব আৰোপ কৰাৰ কাৰণে মই আহ্বান জনাইছো আৰু আমাৰ মেৰামতিৰ কথাত বহুত ঠিকাদাৰে মেৰামতি Properly নকৰে, তাৰ ক্ষেত্ৰত এটা সুৰুঙা আছে, মই এই কথাটোৰ দৃষ্টি গোচৰ কৰিব বিচাৰিছো। অধ্যক্ষ মহোদয়, PMGSY ৰ যেতিয়া Estimate কৰা হয়, Total Amount টো দুটা ভাগত ভাগ কৰা থাকে। এটা Construction part আৰু এটা হ'ল Maintenance part আৰু ঠিকাদৰে কি কৰে Construction part টোত গোটেইখিনি পইচা লৈ Maintenance part ৰ বাবে এটা Negligence Amount ৰাখি থৈ দিয়ে যাৰ কাৰণে তেওঁলোক ঠিকাদাৰে Construction part টোতপ্ৰফিট কৰিলে Maintenance part ৰ বাবে থকা কম পইচাৰ কাৰণে তেওঁলোকে Maintenance কৰাৰ ওপৰত অনিহা আহে। ঠিকাদাৰে টেণ্ডাৰ rate কৰাতে এটা Minimum cut of rate এটাত ঠিক কৰিব লাগে আমাৰ বিভাগে, আমাৰ মন্ত্ৰী মহোদয়ে। তেওঁলোকে যাতে তলৰ rate ত competition নকৰে আৰু বিশেষকৈ মেৰামতি যাতে তেওঁলোকে কোনো কাৰণতে below মাৰিব নোৱাৰে। As per schedule যাতে তেওঁলোকে Maistenance area টো কাম কৰে তাৰ কাৰণে টেণ্ডাৰ এগ্ৰিমেন্ট বনাই যাতে, এই কথা নিশ্চিত কৰক। তেতিয়া কি হ'ব Maintenance part ৰ যিটো পইচা থাকিব ঠিকাদাৰে যদি ৰুটিন Maintenance নকৰে, তেতিয়া বিভাগে বেলেগ ঠিকাদাৰকো জড়িত কৰি যাতে এই ৰুটিন Maintenance কৰিব পাৰে। এই কেইটা অধ্যক্ষ মহোদয়, আৰু বহুত কেইটা কব লগীয়া আছিলে, দ্বিতীয়তে আৰু এটা কথা আমাৰ যিহেতু Work Session টো কম, মাত্ৰ ৪ বা ৫ মাহ পাওঁ, ঠিকাদাৰে এখন টেণ্ডাৰ দিছে Single Tender হলে আকৌ Re-Tender call হয়, আমাৰ ৩ বা ৪ মাহ সময় গুচি যায়। যদি বেচি ঠিকাদাৰে টেণ্ডাৰ নামাৰে তেতিয়াহলে Single Tender ৰ PMGSY ৰ ক্ষেত্ৰত কাম এলোত কৰাৰ ব্যৱস্থা কৰিব লাগে যাতে আমাৰ সময়টো চেভিং হয়। নিৰ্দ্ধাৰিত সময়ত কামখিনি কৰিব পাৰো। মোৰ শেষৰ কথাটো অৱগত কৰিব বিচাৰিছো, ইতিমধ্যে আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে এটা সুন্দৰ পদক্ষেপ লৈছে, যে আমাৰ যিহেতু Forest Material বিচৰা ধৰণে আমি নাপাওঁ, আমি

এই PMGSY ৰ কামৰ ক্ষেত্ৰত Forest Material involve minimum কৰাৰ কাৰণে, ইতিমধ্যে ৩ টা কৈ এটা নতুন টেকন'লজি addopt কৰিছে। এটা হ'ল Road steps এটা হ'ল RDI grade আৰু আন এটা হ'ল Tenax. এই তিনিটা নতুন টেকন'লজিৰ যদি আমি ফলপ্ৰসূ ভাৱে ৰিজাল্ট পাওঁ, তেতিয়াহলে এই তিনিটা টেকন'লজি আৰু বেছি গুৰুত্ব দি যাতে আমি Forest Material ৰ Involvement কমাব পাৰো আমি ৰাস্তাবোৰত সোনকালে Stipulated সময়ৰ ভিতৰত যদি কৰিব পাৰো, তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ বাবে মই আজি বিভাগীয় মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো আৰু পুনৰ বাৰ আমাৰ বিৰোধীয়ে অনা এই কৰ্ত্তন প্ৰস্তাৱটোৰ বিৰুদ্ধে মই বিৰুদ্ধাচৰণ কৰি আৰু আমাৰ এই গ্ৰান্টৰ সপক্ষে মই দুষাৰ কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** Thank you very much for valuable contribution. আমি নাজানো কিছুমান কথা, আপুনি আগতে এই বিভাগত কাম কৰিছিল। আপোনালোকে যি সকলে বিভাগত কাম কৰিছে আগতে নামটো দিব চোন, দিলে ভালকে আমি সকলোৱে বুজিব পাৰিম কথা বিলাক। কাৰণ His suggestion are really very constructive suggestion. আমাৰ এইটো খুব প্ৰয়োজন আছে এইখিনি কথাৰ। মই শেষৰ জনলৈ গলো যদিও ৫ মিনিট পাৰ হৈছে, শ্ৰী চাহাবুদ্দিন আহমেদ আপুনি অলপ চমুৱাই দিব।

**শ্ৰীচাহাবুদ্দিন আহমেদ ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বিৰোধীয়ে অনা কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত মোক দুষাৰ কোৱা সুযোগ দিয়াৰ কাৰণে ধন্যবাদ জ্ঞাপন কৰিছো। ইতিমধ্যে আমাৰ বিভিন্ন সতীৰ্থ বন্ধুই এই প্ৰস্তাৱৰ বিৰোধীতা কৰি বিভিন্ন ভাৱে বিভিন্ন কথা উনুকিয়াইছে। যিহেতু সময় কম আপুনি আগতে কৈ দিছে, গতিকে মই এই ক্ষেত্ৰত কব বিচাৰিছো যে PMGSY ৰ আঁচনিৰ জৰিয়তে যিখিনি ৰাস্তা ইতিমধ্যে ধৰা হৈছে বা কৰা হৈছে সেই খিনিৰ বহুতো এতিয়াও অসম্পূৰ্ণ অৱস্থাত আছে, ৬-৭ বছৰ, ৮ বছৰ পাৰ হৈছে কিন্তু সম্পূৰ্ণ হোৱা নাই। আমাৰ গোৱালপাৰ জিলাত তেনেকুৱা বহুত ৰাস্তা আছে মোৰ সমষ্টিটো আছে। প্ৰথমখন অধিবেশনত মই আনিছিলো, যে যোৱা বছৰ মোৰ সমষ্টিত কিমানটা ৰাস্তা আছে, তেতিয়া মন্ত্ৰীৰ পৰা উত্তৰ আহিছিল যে জলেশ্বৰ সমষ্টিত ৭৯ টা ৰাস্তা বেয়া। তেখেতে দুখৰে কৈছিলে যে এইখন আৰু সমষ্টি আছে নেকি, হয় তেনে অৱস্থা এটা হৈছিল। গতিকে এইখন এটা গুৰুত্বপূৰ্ণ সমষ্টি, য'ত আমাৰ গোৱালপাৰা জিলাৰ মেঘালয় ব'ৰ্ডাৰৰ ওচৰত অৱস্থিত, সঘনে তাত কিডনেপ হৈ থাকে, তাত এটা গুৰুত্বপূৰ্ণ ৰাস্তা আছে ইয়াৰ আগতে মোৰ সতীৰ্থ বন্ধু এজনে এই কথাটো আনিছিলে নিজানপুৰ টু ফকিৰগঞ্জ ভায়া আৰকেটা। ১৯৯৫ চনতে বানপানীত দলং খন বেয়া হ'ল, কিন্তু সুদীৰ্ঘ সময়ত সেই দলং খন আজিলৈকে নিৰ্মাণ নহ'ল। যদিও বহু দাবি কৰাৰ পিছত Extension দিলে দুটা পোষ্ট হৈ থাকিলে, আজিলৈকে পোষ্টদুটাৰ ওপৰত স্লেপ নহ'ল বা সেইখন দলং নহ'ল। গতিকে এইটো এটা খুব গুৰুত্বপূৰ্ণ ৰাস্তা, এইটো মেঘালয় আৰু অসম সংযোগী ৰাস্তা। গতিকে এইটো ৰাস্তা আৰু এইখন দলং খনৰ ক্ষেত্ৰত যাতে মন্ত্ৰী মহোদয়ে এটা পদক্ষেপ লয়, অতি জৰুৰী ভাৱে তাৰ বাবে আহ্বান জনাইছো, লগতে PMGSY ৰ ৰাস্তাৰ সম্পৰ্কে যিখিনি কথা হৈছে, যে মোৰ সমষ্টিত ইতিমধ্যে ২৪ টা ৰাস্তা Sanction হৈছে, কিন্তু তাত টেণ্ডাৰ দিবলৈ কোনো ঠিকাদাৰ আগবাঢ়ি অহা নাই। মাথোন ৩ টা ৰাস্তাৰহে টেণ্ডাৰ দিছে, ইয়াত বহুজনে কৈছে যে টেণ্ডাৰ দিবগৈ যিহেতু তেখেত সকলে তাত লাভবান নহ'ব, ক্ষতিগ্ৰস্থ হ'ব সেই কাৰণে তেওঁলোকে টেণ্ডাৰ নিদিয়ে। গতিকে মই মন্ত্ৰী মহোদয়ক আহ্বান জনাইছো যে ২০০০ চনতে PMGSY ৰ যি আঁচনি লৈছে সেই ভিত্তিতে আমাৰ Estimate

খিনি বন্ধ হৈ আছে, যাৰ কাৰণে বহুত ঠিকাদাৰ লাভৰ পৰিবৰ্তে লোকচানৰ সন্মূখীন হব লগীয়া হৈছে। সেই কাৰণে তেখেত সকলে লোকচান হোৱাৰ ভয়তে টেণ্ডাৰ দিব বিচৰা নাই। গতিকে এইখিনি যাতে Revised কৰা হয় বা আমাৰ আন এজন বক্তাই কৈছে যে যিখিনি PMGSY ৰ ৰাস্তা কৰা হয় সেইখিনিত খুববেছি আধাফুট বা একফুট ওখ কৰে। গতিকে আমি বানাক্ৰান্ত অঞ্চলৰ মানুহৰ ৰাস্তা গতিকে সেইবিলাক ৰাস্তা PMGSY য়ে Take up কৰাৰ সময়ত যাতে minimum ২ ফুটৰ পৰা ৩ ফুট Raise কৰা হয়। যদি তেনেকুৱা Raise কৰি বনোৱা হয়, তেতিয়াহলে ৰাস্তাখিনি ভাল হব আৰু আমাৰ ৰাইজ লা ভবান হ'ব। অন্যথা অযথা টকা খিনি তাত misused হ'ব একো লাভ নহ'ব। আমি দেখি আহিছো যিহেতু Population inhabitation ৰ ক্ষেত্ৰত ১০০০ ৰ পৰা ৫০০ জনসংখ্যাৰ অনুপাতে আঁচনি খন মঞ্জুৰীকৰাৰ কাৰণে প্ৰস্তাৱ আহিছে গতিকে এই আঁচনি খন যাতে Revised কৰি এই বৰ্তমানৰ সময়ত যি হিচাপে Material ৰ দাম বাঢ়িছে যিবিলাক বস্তুৰ দাম বাঢ়িছে সেই অনুপাতে যাতে আঁচনিখিনি বা Estimate খিনি বনোৱাৰ বাবে চৰকাৰে বিশেষভাৱে পদক্ষেপ লয় এইখিনিয়ে মই আহ্বান জনাইছো। লগতে মোৰ সমষ্টিত এটা গুৰুত্ব পূৰ্ণ ৰাস্তা আছে সেইটো জলেশ্বৰ লক্ষীপুৰৰ তাত দুখন কাঠৰ দলং আছে, আৰু মোৰ সমষ্টিত ৫ খন কাঠৰ দলং আছে, SPD ৰ দলং, এই দুটা দলং গুৰুত্বপূৰ্ণ দলং, য'ত গুৱাহাটীৰ পৰা ধুবুৰী, গোৱালপাৰাৰ পৰা ধুবুৰী, জলেশ্বৰৰ পৰা গোৱালপাৰা যোগাযোগ হয়, ধুবুৰী জিলাত প্ৰতিদিনে অহৰহ ৫০০ লেবাৰ শ্ৰেণীৰ মানুহ আমাৰ এই অসমৰ বিভিন্ন ঠাইত কাম কৰিব আহে। গোৱালপাৰাৰ পৰা ১৫-২০ খন গাড়ী চলে, ইয়াৰ আগতে মই Transport ৰ কথা মই মন্ত্ৰী মহোদয়ক কৈছিলো, তেখেতে আসস্ত কৰিছিলে মোক যে জলেশ্বৰৰ পৰা এখন Transport ৰ গাড়ী দিব সেই কাৰণে আজিৰ এই সদনৰ জৰিয়তে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো, যাতে অতি জৰুৰী ভাৱে বাচৰ সেৱা আগবঢ়াই, এইখিনি আহ্বান জনাইছো। লগতে সেই দুখন দলং মই Signature আঁচনিত ধৰিছো। গতিকে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ কৰিছো যাতে অতি জৰুৰী ভাৱে সেই দুখন দলং Signature আঁচনিৰ জৰিয়তে মোক পকীকৰণ কৰি দি আমাৰ জলেশ্বৰ সমষ্টিৰ ৰাইজৰ যাতায়তৰ সুগম ব্যৱস্থা কৰে। গতিকে আৰু বিভিন্ন যি ৭৯ টা ৰাস্তা মন্ত্ৰী মহোদয়ে Reject কৰিছে, গতিকে পৰ্য্যায় ক্ৰমে যাতে বিভাগীয় কৰ্তৃপক্ষৰ পৰা তেখেতে লৈ আহি আমাৰ সমষ্টিত এটা সুচল যাতায়ত ব্যৱস্থা কৰি দিয়ে এইখিনি আহ্বান জনাই মই বিৰোধীয়ে অনা প্ৰস্তাৱৰ সমৰ্থন জনাই মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** জলেশ্বৰ মানে জলৰ ঈশ্বৰ, নহয় জানো। আপুনি কি Suggestion দিব বিচাৰিছে কমলেক্ষ্য দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,কৰিমগঞ্জ ঃ** মন্ত্ৰী মহোদয়কে একটা Suggestion দিতে চাই। মাননীয় অধ্যক্ষ মহোদয় ব্যাপারটা হচ্ছে মাননীয় মন্ত্ৰী মহোদয়কে আমি বলতে চাই ৯৩ শতাংশ ৯৫ শতাংশ কাজকে Inaugeration করা খুব সহজ। আমাদের মন্ত্ৰী মহোদয় জানেন আমাদের ইষ্ট-ওৱেষ্ট করিডর এ কদিন আগে আমি হাফলং গিয়েছিলাম সেখান থেকে মাইবং গিয়েছিলাম। রাস্তার অবস্থা ভয়াবহ, যেভাবে কাজ চলছে ১০ বছরেও এই কাজ সমাপ্ত হবেনা। এই রাস্তার যদি কাজ সমাপ্ত না হয় তাহলে আসামের অন্যান্য স্থানের সঙ্গে বরাকের যে মিলন সেটা সম্ভব হবেনা। এই রাস্তার বিশেষ কেয়ার নেওয়ার জন্য আমি আবেদন রাখছি।

**মাননীয় অধ্যক্ষ ঃ** PMGSY আচঁনিত নেকি এইটো?

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ,কৰিমগঞ্জ ঃ** না,এটা অন্য একটা স্কিমের অধিনে।

**माननीय अध्यक्ष ঃ** মই কৈছো যে বাজেটৰ সময়ত এইবিলাক কথা নাহে আৰু এইটোৰ উত্তৰ নাহে। মই এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক উত্তৰ দিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱাকালিৰ পৰা cutmotion আলোচনা চলিছে। আমি ইয়াত কিছুমান টকা বিভাগৰ ফালৰ পৰা বিচাৰি পোৱা নাই। এই টকাবিলাক আমি কি কাৰণে বিচাৰিছো মই আপোনাৰ জৰিয়তে সদনত জনাবলৈ পালে সুখী হম। আমি Arrear Salary আৰু D.A ৰ কাৰণে ৫ কোটি টকা বিচাৰিছো। Master roll employee ৰ Wage টো দিব লাগে। সেইকাৰণে ১০ কোটি টকা আৰু Lighting from Khanapara to Airport during FIFA World Cup. সেইটোত আমি ৭ কোটি ৬৫ লাখ বিচাৰিছো। ইয়াৰ বাহিৰেও আমি বহুতখিনি কোৰ্ট কেচ আছে যিবোৰ আমাৰ দিনৰ নহয়। কিন্তু চলি আছে। আমি উকীলৰ ফিজ ইত্যাদি দিব লাগে। সেইকাৰণে ১০ কোটি টকা আৰু Professional Service ৰ কাৰণে ১ কোটি ৫৫ লাখ টকা, কিছুমান ঠাইত আমাৰ Deptt. মানুহ ভাড়াঘৰত থাকে তাৰ House Rent ৰ কাৰণে আমি অলপ টকা বিচাৰিছো Supplymentary Demand ৰ জৰিয়তে ২০ লাখ টকা। State Share of PMGSY, PMGSY ৰ বিষয়ে আপোনালোকে জানে আমাৰ দহ শতাংশ দিব লাগে। সেইটোৰ কাৰণে আমি ৭ কোটি ৩৭ লাখ টকা বিচাৰিছো। ঠিক তেনেকৈ PMGSY ৰ ৰ্ৰৰ্কৰ Block grant ৰ আমি ১৩৯ কোটি ৮৪ লাখ আৰু State share for utility ৰ কাৰণে আমি ২৩ কোটি টকা বিচাৰিছো। মাননীয় অধ্যক্ষ মহোদয়, মই দেখিছো যে cutmotion ত আমি চৰকাৰী পক্ষ , বিৰোধী পক্ষৰ বন্ধু সকলে খুব ধুনীয়াকৈ আমাৰ যি হেডত আমি Supplymentary Demand বিচাৰিছো এই Demand ৰ বাহিৰতো বহুতখিনি কথা কৈছে। মই ভাল পাইছো কাৰণ কথা কবই লাগে। আমিও যেতিয়া বিৰোধী পক্ষত আছিলো cutmotion আহিলে আমিও কথা কোৱাৰ সুবিধা লৈছিলো। ললে সমষ্টিৰ কাৰণে ভাল হয়। মই বেয়া পোৱা নাই মই ভালেই পাইছো। অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে প্ৰতিজন Participant,আমাৰ প্ৰায় ২৫ জন মাননীয় সদস্যই এই cutmotion ৰ আলোচনাত ভাগ ললে। মই কালিৰ পৰা আজিলৈকে আপোনালোকৰ কথাখিনি গুৰুত্ব সহকাৰে শুনিলো। আপোনালোকৰ কথা শুনি এটা বস্তু মই অনুভৱ কৰিছো যে, আপোনালোকে সচাঁকৈয়ে ৰাইজৰ হকে চি ন্তা কৰিছে। প্ৰতিজন সদস্যৰ ফালৰ পৰা কিছুমান যি পৰামৰ্শ আহিছে,তেওঁলোকৰ দুখৰ কথা ,তেওঁলোকৰ যন্ত্ৰনাৰ কথা ৰাইজৰ কথা ।কিছু পলিচিৰ কথা আহিছে। গোটেইখিনি কথাৰ উত্তৰ মই এই ৪৫ মিনিট সময় যিটো অধ্যক্ষ মহোদয় আপুনি ধৰি দিছে প্ৰতিজনৰ উত্তৰ মই দিব নোৱাৰিম। কিন্তু মই অন্তৰৰ পৰা আপোনালোকক ধন্যবাদ জনাইছো, আমাৰ চৰকাৰ আৰু বিৰোধী পক্ষক। যোগাযোগ ব্যৱস্থাৰ উন্নয়ণৰ কাৰণে আপোনালোকে বিভিন্ন দিশ চিন্তা কৰিছে। মই ভাল পাইছো। আজি এই কথাটো মই একেলগে কৈ দিওঁ যে,

Supplymentary Demand ৰ জৰিয়তে যি cutmotion আহিলে আৰু ইয়াৰ পৰিবৰ্তে ২৫ গৰাকী বিধায়ক বিধায়িকাই আমাৰ যি নিজা সমষ্টিৰ ৰাস্তা-ঘাট, দলঙৰ কথা কৈছে। এই যি Particular Problem আছে তাৰ কাৰণে আপোনালোকক আমি আমন্ত্ৰণ কৰিম। আমাৰ অফিচলৈ আহক আৰু আপোনালোকে আমাৰ দেখুৱাই দিয়ক । যদি আমি কামখিনি কৰিলে ৰাইজৰ সুবিধা হয়, আমি নিসন্দেহে কামখিনি কৰিম। মই একেলগে এই কথাষাৰ কৈ দিলো। নহলে আপোনালোকে যেনেকে এটা এটাকৈ ৰাস্তাৰ কথা উত্থাপন কৰিছে মই সেইবিলাক নোট কৰি ৰাখিছো। আপোনালোকক মই কওঁ যিমান সোনকালে পাৰো আমি এই সমস্যাবোৰ সমাধান

কৰি দিম। অধ্যক্ষ মহোদয়, এতিয়া কথা হৈছে ইয়াত কিছুমান Policy কথা আহিছে, এই কথাবিলাক মই কব লাগিব। আমাৰ চৰকাৰ অহা বেছিদিন হোৱা নাই, এইটো সকলোৱে জানে। ডেৰ বছৰ অতিক্ৰমি প্ৰায় দুবছৰ হবৰ হৈছে। এতিয়া মই যেনেকুৱা আলোচনা এই House ত দেখিলো মোৰ ভাল লাগিছে, মই আগতেও কৈছো। Practically কবলৈ গলে ইমানখিনি আলোচনা হয়তোবা কৰাৰ প্ৰয়োজন নাছিল। কিয় নাছিল। আমাৰ চৰকাৰ অহাৰ আগতে আমি যিহেতু সকলোৱে জনপ্ৰতিনিধি , আমি জানো যে, ১৯৪৭ ;চনতে আমি স্বাধীনতা পালো। ১৯৪৭ ৰ পৰা আজিলৈকে ভাৰতীয় জনতা পাৰ্টি আৰু মিত্ৰজোঁটৰ চৰকাৰৰ আজিলৈকে only one and half .only one and half .only one and half মই তিনিবাৰ Repeat কৰিলো। বাকী সময় কবলৈ কবলৈ নাযাওঁ। আপোনালোকেই চাওঁক। আমাৰ ডেৰ বছৰ হ'ল। আপোনালোকে সপোনৰ কথা কৈছে। হয়, সপোন দেখিব লাগে। আমিও সপোন দেখিছো। আজিৰ পৰা নহয়। আমাৰ চৰকাৰ অহাৰ কাৰণেহে আমি সপোন দেখিছো তেনেকুৱা নহয়। মাননীয় মুখ্যমন্ত্ৰীয়ে যেতিয়া বক্তব্য ৰাখিছিল তেতিয়া আমি সপোন দেখিছিলো যে যদি এই ব্যক্তিজন এই ৰাজ্যৰ মুখ্যমন্ত্ৰী হয়, হয়তোবা তেওঁৰ জৰিয়তে কিছুমান কাম হ'ব পাৰে, অসমখন মুক্ত হ'ব পাৰে। অধ্যক্ষ মহোদয়, মই বৰাক ভেলীৰ পৰা অহা মানুহ। আজিৰ দিনত ২৭-২৮ বছৰে আমাৰ বিধানসভাত আমাৰ অহাৰ সৌভাগ্য হৈছে। মই মোৰ জীৱনত ৪ বছৰৰ ওপৰত ৰাস্তাত শুইছো। মানে নাইট চুপাৰত অহা যোৱা কৰো। নাইট চুপাৰত এবাৰ আহিলে দুটা ৰাতি আমাৰ ৰাস্তাত শুব লাগে। কমলাক্ষ দে পুৰকায়স্থ ইয়াৰ সাক্ষী। আৰু বৰাক উপত্যকাৰ পৰা গুৱাহাটী আহোতে আমাৰ অতিকমেও ১৪ ঘণ্টা সময় লাগে। যদি কেতিয়াবা বন্ধ হৈ যায় তেতিয়া আমি এদিন বা দুদিন ৰাস্তাতে শুব লাগে, খাব লাগে বা থাকিব লাগে। কিন্তু ১৯৪৭ চনতে আমি স্বাধীন হৈছো। আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে যেতিয়া ঈশ্বৰৰ কৃপাত দায়িত্ব ল'লে, তেতিয়া মোকো মোৰ দায়িত্ব দিছে। মই মানুহৰ বহু কষ্ট আৰু যন্ত্ৰণা দেখিবলৈ পাইছিলো। পৰম শ্ৰদ্ধাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই “Pradhan Mantri Gram Sadak Yojana” আনিছিল। মাননীয় সভাপতি মহোদয়, আমি Supplementary Demand ত যি টকা আনিছো, এই টকাখিনি আমি State ৰ ফালৰ পৰা ল'বলৈ অনা নাই। আপোনালোকে শুনি ভাল পাব, এই যে PMGSY ৰ Block grant টো আমাৰ চৰকাৰ অহাৰ পিছত বাজেটত ৪৪২ কোটি ২০ লাখ টকাৰ provision ৰাখিছিলো। মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত আমি দিল্লী গৈছিলো আৰু আপোনালোকেও জানে যে তেখেতে অসমৰ ৰাস্তা- পদূলিৰ উন্নয়নৰ সংক্ৰান্তত দিল্লীলৈ গৈয়ে থাকে। আজি মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই জোৰ দিয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে আমাক ৫৮২ কোটি ৪ লাখ টকা sanction দিয়ে। কিন্তু আমি যিমান বিচাৰিছিলো তাতকৈ বেছি sanction দি দিলে আৰু তাৰ ফলত আমাক budgetary provision ৰ দৰকাৰ হ'ব। আমি Budgetary provision টো fulfill কৰাৰ বাবে Supplementary Demand ত ১৩৯ কোটি টকা আপোনালোকৰ জৰিয়তে বিচাৰিছো যিহেতু আমি চৰকাৰী পক্ষ আৰু বিৰোধী পক্ষই মিলি Budget pass কৰো। কেতিয়াবা কিছুমান কথা ইয়াত উত্থাপন হয় যে কেন্দ্ৰীয় চৰকাৰে অসমৰ প্ৰতি দৃষ্টি নিদিয়ে। কিন্তু এইটো জানো দৃষ্টি নিদিয়াৰ লক্ষণ? আমি বাজেটত ৪৪২ কোটি ২০ লাখ টকা দিছিলো। সেই সময়ত আপোনালোকৰ বিৰোধী পক্ষই বিৰোধিতা কৰি বেছিকৈ দিয়ক বুলি ক'ব পাৰিলে হেতেঁন । কিন্তু আপোনালোকেও নক'লে আৰু আমিও ইমানেই দি দিলো। পিছত মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই যেতিয়া দিল্লীত জোৰ দিলে যে অসমৰ ৰাইজৰ প্ৰয়োজনীয়তা আছে তাৰ বাবে আমাক টকা বেছিকৈ দিয়ক আৰু এনেকৈয়ে

আমি ৫৮২ কোটি ৪ লাখ টকা পালো। সেইবাবে ১৩৯ কোটি টকাৰ Supplemenatry Demand ৰ প্ৰয়োজন হৈছে। এইটো অসমৰ টকা নহয়, এই টকাটো সম্পূৰ্ণ ভাৱে কেন্দ্ৰীয় চৰকাৰৰ ফালৰ পৰা আহিব। এতিয়া মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডীৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰ আৰু আমাৰ মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ নেতৃত্বত যি চৰকাৰ চলি আছে ই অসমৰ ৰাইজৰ হিত চিন্তা কৰে। আপোনালোকে যি Pradhan Mantri Gram Sadak Yojana ৰ কথা কৈছে, সেইটোৰ আৰম্ভণি ২০০১ চনত হৈছিল। আমাৰ চৰকাৰৰ কাৰ্যকালৰ মাত্ৰ ডে ৰ বছৰ সময়হে হৈছে। এই ২০০১ চনৰ পৰা আজিলৈকে কিমান বাৰ যে চৰকাৰ গঠন হৈছিল। আপোনালোকৰ দুই- এজনে তথ্যও দিছে যে ১৭,৫৯৬ কিঃমিঃ ৰাস্তাৰ sanction হৈছে। গতিকে ২০০১ চনৰ পৰা ২০১৮ চনলৈকে, ২০১৬ চনৰ আগত ১৫ বছৰে আমি ১৭,৫৯৬ কিঃমিঃ ৰাস্তাৰহে sanction আনিব পাৰিছো, কিন্তু ১৬ বছৰে ১৫,৩২৬ কিঃমিঃৰ কামহে সম্পূৰ্ণ হৈছে। ১৫-১৬ বছৰ আগতে অটল বিহাৰী বাজপেয়ী ডাঙৰীয়াই project টো আনিলে আৰু আজি আমি বিৰোধী আৰু চৰকাৰ উভয় পক্ষই কৰ্তন প্ৰস্তাৱৰ আলোচনাৰ জৰিয়তে স্বীকাৰ কৰিছো যে after independence, সঁচাকৈয়ে আজিৰ দিনত, ই এক জনমুখী পৰিকল্পনা। আজি অসমৰ উপৰিও গোটেই ভাৰতবৰ্ষৰ গাঁৱৰ মানুহে যদি পকী ৰাস্তাত খোজ কঢ়াৰ অধিকাৰ পাইছে, তাৰ একমাত্ৰ কাৰণটো হ'ল, 'Pradhan Mantri Gram Sadak Yojana'. যিটো বিজেপিৰ তদানীন্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সময়চোৱাত হৈছে আৰু এই কথাকে ভাৰতবৰ্ষৰ সকলো মানুহে স্বীকাৰো কৰিছে। মই ইয়াত দলীয় কথা ক'বলৈ বিচৰা নাই যদিও ভাৰতীয় জনতা পাৰ্টীয়ে ৰাষ্ট্ৰৰ হকেকাম কৰে। ৰাষ্ট্ৰৰ ৰাইজৰ হকে কাম কৰে। ১৫ বছৰে যি চৰকাৰ চলিছিল, সেই সময় চোৱাত বছৰে ১০০০ ৰ ওপৰত ৰাস্তা নিৰ্মাণৰ কাম হোৱা নাই। গতিকে ২০১৫ চনলৈ কেৱল ১৫ হাজাৰ কিঃমিঃ ৰাস্তাৰ কামহে আপোনালোকে কৰিছে। ইয়াত বহুত বক্তাই ৰাস্তাৰ অৱস্থা খুব বেয়া বুলি কৈছে। হয়, মই স্বীকাৰ কৰিছো যে ৰাস্তাৰ অৱস্থা বেয়া। কিন্তু মই আজি ইয়াত বাৰে বাৰে এটা কথাকে সুধিব বিচাৰিছো যে এই ১৫,৩২৬ কিঃমিঃৰ ৰাস্তা কোনে বনাইছিল? আজি ৰাস্তা ইমান কিয় বেয়া হৈছে? আমাৰ ইয়াত ৪৫ হাজাৰ কিঃমিঃ State Road আৰু District major Road আছে। তাৰ ভিতৰত আপোনালোকে কৈছে যে আগৰ ৰাস্তাবোৰ ভাঙি গ'ল, ছিঙি গ'ল, গাড়ী যাব নোৱাৰে ইত্যাদি। কিন্তু ৰাস্তাবোৰ কোনে বনালে, এই কথাটো আপোনালোকে কোৱা নাই। PMGSY ৰ ৪৫ হাজাৰ কিঃমিঃ ৰাস্তাৰ যদি ১৫ হাজাৰ কিঃমিঃ ৰাস্তাই যদি বেয়াই থাকে, তেতিয়া হ'লে আপোনাৰ সমষ্টিৰ সৌন্দৰ্য কেনেকৈ থাকিব? আপোনাৰ সমষ্টিৰ ৰাইজে ভাল পথ কেনেকৈ পাব? এই কথাবোৰ আপোনালোকে চিন্তা কৰিব লাগে। ৰাস্তাবোৰ বনাব নোৱাৰাৰ কাৰণ কি? সেই সময়ত specification নাছিল নেকি? তেতিয়া DPR হোৱা নাছিল নেকি? তেতিয়া engineer নাছিল নেকি? তেতিয়া শিলগুটি, contractor ৰ অভাৱ আছিল নেকি? আৰু এই যে periodical maintenance ৰ কথা আপোনালোকে কৈছে, এইবোৰ সেই সময়চোৱাত বন্ধ আছিল নেকি? আগৰ চৰকাৰে নকৰাৰ বাবে আমাৰ চৰকাৰ অহাৰ পিছত কিছুমান ব্যৱস্থা Finance Department য়ে লৈছে। আপোনালোকে জানে যে, কিছুমান head আমি বন্ধ কৰিলো। বন্ধ কৰাৰ কাৰণ হ'ল কিছুমান ঠাইত কাম নকৰি টকাৰ অপব্যৱহাৰ কৰিছে। আমি Maintenance & Repairing, ARIST ৰ maintenance, MPNR ৰ maintenance, ASEB ৰ maintenance, PMGSY ৰ periodical renewal, election urgent work, emergent nature of work, PMGSY maintenance to ASRB ৰ routine main-

tenance এই গোটেই খিনি আমাৰ finance য়ে বন্ধ কৰি দিলে। আমাৰ চৰকাৰ অহাৰ পিছত এইবোৰ head ৰ জৰিয়তে আমি দেখিছো যে ৰাস্তা নিৰ্মাণৰ বাবে বাজেটত টকা ধাৰ্য কৰা কৰা হয়, কিন্তু ধাৰ্য কৰাৰ পিছতো টকাবোৰ field ত নোযোৱাকৈ আত্মসাৎ হয়। সেই কাৰণে বন্ধ কৰি দিয়া হয়। তাৰ ফল স্বৰূপে আমি নতুনকৈ maintenance ৰ fund ৰ নামত প্ৰথম বছৰত ৬০০ কোটি টকা, তাৰ পিছত ৮০০ কোটি টকা ধাৰ্য কৰাৰ পাছত আপোনালোকেই pass কৰি দিলে। আৰু অহা বছৰৰ কাৰণে আমি আকৌ ৬০০ কোটি টকা ৰাখিছো। "Sabka sath Sabka Bikash"এই কথাষাৰ আমাৰ মাননীয় প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কৈছিল আৰু মাননীয় মুখ্যমন্ত্ৰীৰ নিৰ্দেশ আছিল যে প্ৰধান মন্ত্ৰী ডাঙৰীয়াই কোৱা কথাত যাতে কেতিয়াও কোনো ৰাজনৈতিক দলে নাভাবে যে আমি প্ৰতিজন মানুহৰ লগত নাই। সেই কাৰণে ৰাস্তা -পদূলিৰ কথা যেতিয়া চিন্তা কৰা হ'ব তেতিয়া গোটেই ১২৬ টা সমষ্টিৰে ৰাস্তা-পদূলিৰ কথা চিন্তা কৰা হ'ব। আমি আপোনালোকক ১৪০০ কোটি টকা দিলো, এতিয়া এই maintenance বোৰ যদি নহয় আৰু কোনো মাননীয় বিধায়কে যদি কয় যে আমাৰ ইয়াত কাম হোৱা নাই তেনেহ'লে মোৰ প্ৰশ্নটো হ'ব যে টকাখিনি ক'ত গ'ল ? টকা লোৱাৰ দায়িত্ব আপোনাৰ আছে কিন্তু টকাখিনিৰ implementation হৈছে নে নাই সেইটো চোৱাৰ দায়িত্ব আপোনাৰ নাই নেকি ? পইচা লোৱাৰ দায়িত্ব থাকিব পাৰে। পইচা implement হৈছেনে নাই সেইটো চোৱাৰ দায়িত্ব আপোনাৰ নাই। মই ক'ব বিচাৰিছো যে আপুনি চিঠি দি লৈ গ'ল যে হয় হয় ইয়াত ৰাস্তা লাগে। ৰাস্তাৰ কথাটো কৈ লৈ গ'ল যে ৰাস্তাটো কৰিব লাগে। যেতিয়া কৰাৰ পিছত আপুনি পইচাটো পালে চৰকাৰৰ ফালৰ পৰা তেতিয়া যিকোনো দলৰ বিধায়কেই নহওঁক পইচাটো utilise হৈছে নে নাই সেই কথাটো কোনে চাব। সেইটো চোৱাৰ অধিকাৰোটো আমাৰ আছে। লোৱাৰ অধিকাৰ থাকিলে চোৱাৰ অধিকাৰো আমাৰ আছে। তেনেহ'লে ২ কোটি, ৫ কোটি আৰু নাবাৰ্ডৰ ডেৰ, দুই কোটিকৈ প্ৰত্যেকটো সমষ্টিত গৈছে। আঠ, দহ কোটি টকা ক'ত গ'ল ? কাম কিয় হোৱা নাই। আপোনালোকে ৰাস্তাৰ কথা ক'ব যে অমুকটো ৰাস্তাত contractor এ ভালকৈ কাম কৰা নাই। নিজৰ ঠাইত আমি দেখিছো। যোৱাকালি আমাৰ এজন বিধায়ক West গোৱালপাৰাৰ বিধায়ক বন্ধুৱে কৈছে এটা ৰাস্তাৰ কথা যে আমাৰ কাম চলি আছে কিন্তু খুব বেয়াকৈ চলি আছে এইবিলাক কথা খুব natural.তেতিয়া মই ভাৱিলো সঁচাকৈ কিয় এনেকুৱা হ'ব লাগে। মই যোৱাকালি খৱৰ ললো। তেতিয়া এজন contractor এ মোৰ ইয়াতে লিখিলে- মই খৱৰ লোৱাৰ পিছতেই চিঠিখন আনিলো দেখিলো যে হয়, "clarification about the work repairing and maintenance of work.............

লিখি কৈছে যে হয় গোৱালপাৰাৰ মণ্ডল চাৰে মোক টেলিফোনত ক'লে যে কামটো আমাৰ মানুহে কৰিব। আপোনাৰ নামত কাম হৈছে। contractor ৰ নাম মই আপোনাৰ জৰিয়তে দিম উৎপল মেধি। তেওঁ নিজেই ইঞ্জিনিয়াৰ। ভাল কাম কৰে। খবৰ ললো আমি। কিন্তু Local MLA কৈছে যে নহয় আমাৰ মানুহে কৰিব, আপোনাৰ নাম থাকক। এতিয়া আপোনাৰ মানুহে কৰিলে ইয়াত তিনিটা কাম আছে। Group A ত package No. GLPRRD38/ARNF 07 package value দি দিলে। তিনিটা কামৰ এটা কাম তেওঁ পাইছে। সেইটোও আপুনি ক'লে যে আপোনাৰ মানুহে কৰিব। আপুনি কাম কৰিছে, bill টো কেৱল তেওঁৰ নামত হ'ব। আকৌ দুটা কাম আপোনাৰ মানুহে পালে। এতিয়া তিনিটা package ৰ কাম আপোনাৰ মানুহেই কৰিলে আপুনি Assembly ত যদি কয় যে কামটো বেয়া হৈছে , আচৰিত কথা। আমি MLA, contractor নহয়। যেতিয়া আমি দেখিলো যে আমাৰ এটা বদনাম হৈছে কাৰণ আমাৰ নামত কাম তেতিয়া মই নিজেই

গৈ কাম আৰম্ভ কৰি কাম সমাপ্ত কৰিব গৈ আছো। এনেকুৱা যদি হয় স্থিতি, আমি এই স্থিতিৰ পৰা মুক্ত হোৱাৰ কাৰণে আৰু মই এনেকুৱা কোৱা নাই ছাৰ লিখিত ভাৱে দিলে মই আপোনাক গোটেইখিনি দিম।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল ঃ** Hon'ble Speaker Sir, কালিৰ মোৰ speech টো যদি চোৱা যায় মই কাম বেয়া হোৱা বুলি কোৱা নাছিলো নেকি? যদি speech টো এতিয়া verify কৰা যায় মন্ত্ৰীয়ে ছাগে বুজি পাব।

Hon'ble Speaker : I will check it.

**শ্ৰী পৰিমল শুক্লবৈদ্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, এনেকুৱা আমি বহুখিনি ঠাইত দেখিলো যে হয় ঠিকাদাৰে দিয়া নাই। Bid কৰা নাই কথাটো সঁচা আৰু bid কিয় কৰা নাই এই কথাটোৰ গম্ভীৰতালৈ যাব লাগিব। PMGSY ১৫ বছৰে ১৫ হাজাৰ কিঃমিঃ আৰু ২০১৪-১৫ আৰু ২০১৫-১৬ ত nil. একো দিব পৰা নাই। আমাৰ চৰকাৰ অহাৰ পিছতে মাননীয় মুখ্যমন্ত্ৰীয়ে যেতিয়া দেখিলে যে হয় ৰাইজৰ হকে আমাৰ বহুত কৰিব লগীয়া আছে। চেষ্টা চলাই আছে। আপোনালোকে দেখিছে যে ৰাতিপুৱাৰ পৰা ৰাতিলৈকে আৰু supplementary demand কেনেকুৱা আমাৰ। এতিয়া supplementary demand ৰ জৰিয়তে আৰু প্ৰায় 139 কোটি আনিব লাগিছিল। আমি যিমান বিচাৰিলো ইয়াতকৈ বেছি দি দিলে। এতিয়া কথাটো হ'ল আমাৰ sanction হ'ল ৭৯১৩ কিঃমিঃ এবছৰৰ ভিতৰত। এই ৭৯১৩ কিঃ মিঃ মানে প্ৰায় ৮০০০। আমি ২০১৫,২০১৬,২০১৭ বছৰত আনিলো ১৭ হাজাৰ। এবছৰত আমি পালো ৭৯১৩ কিঃমিঃ। মানে প্ৰায় ৮০০০ কিঃ মিঃ। contractor টো এবছৰত বনাব পৰা নাই। কাৰণ contractor হ'বলৈ হ'লে PMGSY ত tender দিবলৈ হ'লে কিছুমান নীতি নিয়ম আছে নহয়। আমিটো মাতি আনি কামটো কৰিব দিব নোৱাৰো। আমাৰ এজন বিধায়ক বন্ধুৱে কৈছে কাট্‌লিচেৰাৰ যে গোটেই ৰাস্তাটো বেয়া হৈ আছে। এঘাৰটা ৰাস্তাৰ কাম হোৱা নাই। মই সুধিছিলো যে তাত এম এল এ কোন আছিল। তেতিয়া এজন মন্ত্ৰীৰ নাম কৈছে। ৩০ বছৰ ধৰি মন্ত্ৰী হৈ আছিল। কিয় হোৱা নাই এই কাৰণেই যে আধা আধা ভাগ। মাতি আনি কামটো কৰি লোৱা । কিবা এটা কৰি পইচাটো উঠাই লোৱা। আধা মোক দিয়া, আধা তুমি লৈ যোৱা। এনেকুৱা চলিছিল। এতিয়া এই এঘাৰটা ৰাস্তাৰ যেতিয়া আমাৰ চৰকাৰ হ'ল তেতিয়া কাৰোবাৰ নতুন ঘৰত যেতিয়া যাওঁ তেতিয়া আমাক গোলাপ দি আদৰণি জনায়। আমাৰ মুৰত কি দিলে গোলাপটো দিয়া নাই। বোজা বিলাক জাপি দিলে যে তেওঁৰ ১১টা, তেওঁৰ ২৫ টা, তেওঁৰ ৩০ টা বোজাটো লৈ গড়কাপ্তানী বিভাগটো চলোৱা হয়। যিটো আমি কৰিলো কৰি দিলো। এতিয়া এই ৰাস্তা বিলাক কৰিবলৈ হ'লে সচাঁকৈ অলপ সময় আমাক লাগিব। কেনেকৈ লাগিব? ধৰা হ'ল আমি আৰু ১৯৩১ কিঃমিঃ DPR আমি পঠাইছো আৰু প্ৰায় ১০ হাজাৰ কিঃমিঃ হ'ব আমাৰ ৮ হাজাৰ আৰু ১৯৩১ কিঃমিঃ আমি sanction পাম আৰু এনেকুৱা অৱস্থাত আছে। ১০ হাজাৰ কিঃমিঃ আমি এবছৰৰ ভিতৰত পালো। ইয়াত আমি award কৰিছো per year ৰ তথ্যটো দিয়াৰ কাৰণে। আমি কওঁ যে আমাৰ আগৰ কিছুমান কাম pending হৈ আছিল PMGSY ত। ৭২২ কিঃমিঃ। এই ৭২২ কিঃমিঃ কৰাৰ বাবে আমি সাজুও হৈছো আৰু কামো চলি আছে। এতিয়া আমি টেণ্ডাৰ কৰি প্ৰায় ধৰক awarded to contractors আমি ৩৫৫৫ কিঃমিঃ ৰ ১১৬৫ টা package আমি already প্ৰয়োগ কৰি দিলো। আমাৰ শ্ৰী ভূবন পেগু ডাঙৰীয়াই কৈছে যে আপুনি ইমান solemnise কৰিলে যে আপোনাৰ হাত বিষাই গৈছে এই কাম বিলাকত। এবছৰৰ ভিতৰত আপুনি নাৰিকল ভাঙিলে এতিয়া আপোনাৰ কাষত এজনে ক'লে যে নহয় মোৰটো হাত ভঙা নাই।

আৰে হাত কেনেকৈ ভাঙিব আপোনাৰ symbol য়েই টো কটা হাত। এইটোত টো আৰু বিষ, বেথা, বেদনা সেইবোৰ একোকে নহয়। জীৱন্ত হাত থাকিলেহে হ'ব। এতিয়া কথাটো হৈছে কিয় লগা নাই। ৩৫৫৫ কিঃমিঃ আমি award কৰিলো। আমাৰ ৪৩৯৮ কিঃমিঃ ..........

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, তেখেতে উত্তৰ দি আছে দিয়ক। কিন্তু কোনোবা ৰাজনৈতিক দলৰ প্ৰতীকক লৈ এনেদৰে ব্যংগ কৰাটো ঠিক নহয়। যদি কোনো ব্যক্তিয়ে দূৰ্নীতি কৰিছে তেওঁৰ বিৰুদ্ধে ব্যৱস্থা হ'ব লাগে। যদি কোনোবাই কাম নকৰি আধা আধি কৰিছে।

Hon'ble Speaker : I think, you have the right to reply but please মাজত নক'ব। বহক।

**শ্ৰী আব্দুল খালেক ঃ** দলৰ ৰাজনৈতিক প্ৰতীকক লৈ ব্যংগ কিয় কৰা হৈছে। সঁচা কথা কৈছে ২টা package implement কৰিলে। ২২ টা package দি foundation কৰিলে। সেয়ে কৈছে যে আমাৰ হাত বিষাইছে। এইটো লৈ আকৌ কিয় ব্যংগ কৰিব লাগে? প্ৰতীকৰ কথা ক'লে নহ'ব। action লওঁক। চৰকাৰ কিয় আছে?

...............................সদনত হুলস্থুল ...................................

**মাননীয় অধ্যক্ষ ঃ** আপোনালোকে point কেইটা note কৰক। I will allow you but not like this. এনেকৈটো কথা শেষ নহ'ব। আপোনালোকে কোনেও কাকো interfere কৰিব নাপায়।

**শ্ৰী পৰিমল শুক্লবৈদ্য, (মন্ত্ৰী) ঃ** এতিয়া মহোদয়, আৰু এটা কথা পি এম জি এচ ৱাইৰ। হয় আমাৰ কিছুমান কাম আমি এৱাৰ্ড কৰিব পৰা নাই। Second, third আমি কৰিলো। আমি টেণ্ডাৰ ক ৰিছো। এতিয়া পৰা নাই। পৰা নাই এইটোৰ কাৰণটোৰ হ'ল যে, আগতে এবাৰেই every year ধৰক ১০০০ কিলোমিটাৰ হৈছে। এতিয়া এবছৰৰ ভিতৰত সাত হাজাৰ কিলোমিটাৰ হৈছে গতিকে, natuarlly কনট্ৰেক্টৰ ক্ৰাইচিচ হ'ব। এতিয়াও ক্ৰাইচিচ আছে। কামটো এনেকুৱা নহয় যে, ইয়াতে ৰেট কম। কিবা মাটি আৰ্থ ফিলিং হোৱা নাই। কিবা কিবি কথা। এনেকুৱা নহয়। কিন্তু কনট্ৰেকটৰ অসমত যিমান আছে, গোটেইখিনিয়েই আমি চেষ্টা কৰিলে যে একেলগতে ইমান কাম কৰা অলপ অসুবিধা হৈছে। সেই কাৰণে আমি বিভাগক মাতিলো। মাতি কৈছো যে, আগতে আমি বিচাৰিছিলো যে সেইটো পেকেজ চিষ্টেম কৰিব নালাগে। পেকেজ চিষ্টেম হ'লে সৰু সুৱা কনট্ৰেক্টৰে বেছি কাম নাপায়। এই নিৰ্দেশ আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে দিছিল পেকেজ হ'লে বহুত সৰু সুৱা কনট্ৰেকটৰ তেওঁলোক deprive হব তেওঁলোকে compete কৰিব নোৱাৰিব। যেতিয়া এনেকুৱা কৰিলো তেতিয়া বহুত ঠাইত আমাৰ বিট কৰা নাই। এতিয়া আমি ভাবিছো যে, কিছুমান আমি পেকেজ কৰিম। ২০-২৫ কোটি এনেকুৱা পেকেজ কৰিলে ডাঙৰ কনট্ৰেক্টৰ আগুৱাই আহিব পাৰে। মই ভাৱো যিটো সমস্যা হৈছে, এই সমস্যাটো খুব সোনকালে মাৰ্চ এপ্ৰিলৰ ভিতৰত শেষ হৈ যাব লাগে। অন্ততঃ আমি কামবিলা এৱাৰ্ড কৰিম আৰু বহুতখিনি আৰম্ভ হৈছে। ৭৯১৩ কিলোমিটাৰৰ কাৰণে হয়তো কাম আৰম্ভ কৰিব পাৰো। হয় সচাঁ কথা মাৰ্চ বা এপ্ৰিললৈকে আমি সময় পাম। এইখিনি সময়ৰ ভিতৰত যাতে কাম এৱাৰ্ড কৰি আৰম্ভ কৰিব পৰা যায় তাৰ কাৰণে বিভাগ সচেতন। পি এম জি এচ ৱাইত বাহিৰে বাকী আগৰ কামবিলাকত আমাৰ কিছুমান ঠাইত লেফ্‌ট আউট হৈ আছে। লেফ্‌ট আউট কামৰ কাৰণে আমি খুব চিন্তা কৰিছিলো । চিন্তা কৰি আমি যেতিয়া দেখিলো যে লেফ্‌ট আউট কামবিলাক কেন্দ্ৰই অনুমোদন দিছিল। এই ১৭ হাজাৰ কিলামিটাৰ ১৫ বছৰৰ ভিতৰত দিয়া হৈছিল। তেতিয়া আকৌ Rate Escalation কৰি কিছুমান কাম আগৰ চৰকাৰৰ দিনত

পেলাই ৰখা হৈছিল । এই কামবিলাক সম্পুৰ্ণ কৰিব লাগে। এতিয়া যদি আমি সম্পূৰ্ণ নকৰো আকৌ পইচাটো ৰাজ্য চৰকাৰে ঘূৰাই দিব লাগে। সেই কাৰণে আমি যেতিয়া মাননীয় মুখ্যমন্ত্ৰীৰ ওচৰত গলো আৰু তেওঁ ফাইনেন্সৰ লগত পৰামৰ্শ কৰি প্ৰায় ষাঠি কোটি টকা আমাৰ ষ্টেটৰ ফালৰ পৰা দিলে য'ত পেকেজবিলাক পুৰ্ণাংগ ৰূপ পোৱা নাছিল এই পেকেজবিলাক আগৰ ডি পি আৰ হেবিটেশ্যনত পঠিয়াই দিব লাগে। সেই কাৰণে কিছুদিন আগতে আমাৰ বিত্ত বিভাগে ষাঠি কোটি দিছে। এই ষাঠি কোটি টকাৰ লেফ্‌ট আউট কামবিলাক কিছুদিনৰ ভিতৰত আৰম্ভ হ'ব আৰু এটা কথা চাৰ, আমাৰ এজন বিধায়ক বন্ধুৱে কৈছে যে, হয় আমি যিটো পইচা দেখিছো, সেই দেখাৰ কথাত কৈছে যে, পইচা দিয়া হিচাপত বিভিন্ন ঠাইত কাম হোৱা নাই। চাৰ আপোনাৰ জৰিয়তে মই কথাটো ক'ব বিচাৰিছো যে পি এম জি এচ ৱাইক লৈ ১২৬ টা Constituency আছে। অলপ আগতে আমাৰ বিধায়ক বন্ধুৱে কৈছে যে, তেওঁৰ সমষ্টিত ৩০ খন মান ৰোলাৰে কাম কৰি আছে। মই কথাটো আপোনাৰ জৰিয়তে সদনত সুধিব বিচাৰিছো যে এনেকুৱা এটা Constituency আছে নেকি আজিৰ দিনত অসমত য'ত ৰোলাৰ অথবা জেচিপি চলা নাই বা য'ত ভাইব্ৰেটাৰ নাই। ১২৬ টা Constituency, ৰোলাৰ চলিছে। কিয় চলিছে? কাম হোৱাৰ কাৰণেই চলিছে। কোনোবাই হয়তো সমালোচনা কৰিব যে আমাৰ ৰাস্তাৰ কামটো হোৱা নাই। নাই কিয় হোৱা নাই মই আপোনালোকক ক'লো। ৰাস্তা বেয়া হৈ আছে। ১৫ হাজাৰ কিলোমিটাৰ আমি একেলগে কৰিব নোৱাৰো। আমাৰ এজন বন্ধুৱে সুধিছে আমি কৈছিলো যে মাৰ্চৰ ভিতৰত আঠ হাজাৰ কিলোমিটাৰ আমি কৰিম। আমি পৰহি আকৌ তথ্য আনিলো ।১২৬ টা Constituency ফালৰ পৰা ডিভিজন হিচাপে আমি আনিলো। সাত হাজাৰ কিলোমিটাৰ অতিক্ৰম কৰিলে আমি বিটুমিনাচ কৰিলো আমাৰ চৰকাৰৰ কাৰ্য্যকালত। সাত হাজাৰ কিলোমিটাৰ অতিক্ৰম কৰিছে আৰু মই ভাবো মাৰ্চলৈকে আপোনাক যদি লাগে, আমি পুংখানুপুংখভাৱে তথ্য দিব পাৰিম। আঠ হাজাৰ যদি কৈছো, সাত হাজাৰ অতিক্ৰম কৰিছো আৰু মাৰ্চৰ ভিতৰত আঠ হাজাৰ সম্পূৰ্ণ কৰি আমি দেখাই দিম। কাৰণ ইয়াৰ মুখ্যমন্ত্ৰী শ্ৰীসৰ্বানন্দ সোনোৱাল ডাঙৰীয়া আৰু আমি তেওঁৰ অধীনত কাম কৰো। মই সিদিনা কৈছো যে, পি ডব্লিউ ডি মানে পাব্লিক ৱৰ্ক ডিপাৰ্টমেণ্ট। মুখ্যমন্ত্ৰী ডাঙৰীয়াই মোক কয় যে, সেইটো বেলেগকৈ চিন্তা কৰিব। আমি কাম কৰিব লাগিব। আৰু এই কথাটো সন্মুখত ৰাখি আগুৱাই গৈ আছো। আঠ হাজাৰ কিলোমিটাৰ আমি কৰিম হয়, এই ইমান দহ হাজাৰ কিলোমিটাৰ পি এম জি এচ ৱাইৰ কথা আপোনাকে এই মূহুৰ্তত এই কথাটো কোৱাৰ অৱস্থাত নাই। কাৰণ আমি গোটেইখিনি এৱাৰ্ড কৰিবপৰা নাই। অলপ সময় লাগিব। টেণ্ডাৰিং প্ৰচেচত আছে। এই এক দুই মাহৰ ভিতৰত যদি টেণ্ডাৰিং প্ৰচেচটো আমি সমাপ্ত কৰিব পাৰো, তেনেহ'লে যিমান সময় লাগে আমি সময় দি আছো তেওঁলোকক। দিব লাগিব আমি। তেওঁলোকে এষ্টিমেট মতে যদি কাম কৰিব লাগে, সেই সময়টো দিব লাগিব। আৰু সময় দি আমি অন্ততঃ দিউ টাইমৰ ভিতৰত কামবিলাক যাতে সম্পন্ন হয়, তাৰ কাৰণে চেষ্টা কৰিম। কাৰণ আমাৰ বিভাগৰ ফালৰ পৰা ভিজিলেঞ্চ আছে, আমি চেষ্টা চলাইছো। আৰু কিছুমান কথা ইয়াতে আহিছে চাৰ, চি আৰ এফৰ কথা আহিছে। চি আৰ এফৰ কথাত আমাৰ মাননীয় মুখ্যমন্ত্ৰী গৈছিল দিল্লীলৈ। ময়ো আছিলো বৈঠকত। তেতিয়া কেন্দ্ৰীয় মন্ত্ৰীয়ে ক'লে যে ৰাস্তা-ঘাট লাগে।যোৱা চৰকাৰৰ সময়তো দেখিছো। বছৰ হিচাপে যোৱা পাঁচবছৰ আঢ়ৈশ, তিনিশ কোটি আহিছে। মই সেই হিচাপত যোৱা নাই। কিন্তু আমাক কেন্দ্ৰীয় চৰকাৰে এই চৰকাৰক যেতিয়া চি আৰ এফৰ কামটো দিলে ৮৪২ কোটি দিলে। আপোনালোকে দেখিছে যে, এই ৮৪২ কোটিৰ কাম এটা এৱাৰ্ড হবলৈ বাকী আছে। আপোনাৰ ইয়াতে বাকী আছে, কিবা এটা কাৰণত টেণ্ডাৰিং প্ৰচেচত

অলপ বৰৈ আছিল, এইটো হৈ যাব। খুব সোনকালে হৈ যাব। কিন্তু ৮০০ কোটিৰ কাম আমি এৱাৰ্ড কৰিছো। ইয়াতে কিছুমান কথা আহিছে যে বিৰোধী পক্ষই দিয়া নাই বা চৰকাৰ পক্ষক বেছি দিলো। এই কথাবিলাক আহিছে। বন্ধু সকল, মোৰ লগতে মন্ত্ৰীয়ে বহি আছে। আপুনি সোধক তেওঁৰ সমষ্টিত হোৱা নাই। আৰু এইটো প্ৰজেক্ট হিচাপে দিল্লীত যায়। এইটোৰ নামটোৱেCentral Road Fund. এতিয়া দিল্লীয়ে ঠিক কৰিব কাক দি, কাক নিদিব। লক্ষীমপুৰৰ বিধায়ক তেওঁৰ তাতে এৰাউণ্ড ত্ৰিছ কোটিৰ ওপৰত কাম চলি আছে. এল আৰ ৰোড । আমি আল আৰ ৰোডৰ কথা কৈছো। গোটেইখিনি তথ্য মিলাই আমি দুই চাৰিজন পাই যাম। এতিয়া আমাৰ ১২৬ জনৰ প্ৰতিজনৰ সমষ্টিত হোৱা নাই। সেইটো আমি ডি পি আৰ বনাই পঠালো।

ডি পি আৰ বনোৱাৰ পিছত কেন্দ্ৰৰ এটা চাৰ্ভে আছে। কোনটো ৰাস্তা বেছি বেয়া, সেই ৰাস্তাটো আগত দিব। মই আৰু এদিন সদনত কৈছিলো যে এক টকাৰ চি আৰ এফৰ ডি পি আৰ দিল্লীত জমা নাছিল। গাডকাৰী ডাঙৰীয়াই ক'লে যে আপোনালোকক কেনেকৈ টকা দিম? এখনো ডি পি আৰ দিল্লীত নাই। আমি আহি তিনি চাৰি পাঁচ মাহৰ ভিতৰতে যিমান পাৰো ৰাস্তা বিলাকৰ ডি পি আৰ পঠালো, পঠাই আমাৰ ৮৪২ কোটি টকা চেংশ্যন কৰিলে, এতিয়াও আমাৰ ইয়াতে প্ৰায় দুহাজাৰ কোটি টকাৰ ডি পি আৰ আপোনালোকেও দিছে, সেইবিলাক আমি পঠাম। কিন্তু পঠিওৱাৰ আগতে কথাটো এনেকুৱা, যদি আমি ইউ চি চাবমিট কৰিব নোৱাৰো, তেনেহ'লে তেওঁলোকে ফাৰ্ডাৰ চেংশ্যনটো নকৰে। আগৰ কিছুমান ৰাষ্টাৰ কাম সম্পূৰ্ণ হোৱা নাছিল. সেই ৰাস্তাবিলাক আমি জোৰ দিছো সম্পূৰ্ণ হবলৈ গৈ আছে। যদি এইটো শেষ হৈ যায় আৰু আগৰ আৰু এতিয়াৰ গোটেইখিনি মিলি যেতিয়া ইউ চিটো পঠাম, তেতিয়া হ'ব। আপোনালোকে আৰু কিছুমান কথা কৈছে, ব্ৰীজৰ কাৰণে কৈছে । আলটিমেটলি আমি Roads and Bridgeৰ কাৰণে Cut Motionটো আনিছিলো। আমি কৈছিলো এক হাজাৰ ব্ৰীজ আমি আৰ চি চি লৈ কনভাৰ্ট কৰিম। আমি কৈছো যে চৰকাৰ অহাৰ পাছতে। আপোনালোকেও জানে যে আমি ২০০ ব্ৰীজৰ কাৰণে, DPR প্ৰস্তুত কৰিছো। আমি টেণ্ডাৰ কৰিছো। টেণ্ডাৰ কৰাৰ পাছতে, এটা আমাৰ নিয়ম-নীতি আছে। নিয়ম-নীতি মানে দুই কোটি টকাৰ ওপৰৰ ব্ৰীজ বিলাক DPR ত যিবিলাক আহিছে, আমি এটা লিমিটেশ্যন বান্ধি দিছিলো। তথাপি কোনো কোনো ঠাইত ইমান লিমিটেশ্যনৰ ভিতৰত দিব নোৱাৰে, মাননীয় বিধায়ক সকলে। সেই কাৰণে অলপ দীঘল হৈছে ব্ৰীজটো। দীঘল হোৱাৰ কাৰণে ২ কোটি টকাৰ ওপৰত যেতিয়া আমাৰ ব্ৰীজৰ এষ্টিমেট এমাউন্টটো আহি গ'ল তেতিয়া আমাৰ ফাইনেঞ্চৰ কনফাৰেঞ্চ লাগিব তেতিয়া ১৪২ টা ব্ৰীজ আমাৰ below ২ কোটি। তেতিয়া আমি আমাৰ ডিপাৰ্টমেন্টৰ ফালৰ পৰা এপ্ৰ'ভেল আমি দিব পাৰো। আমি দিলো। আৰু বাকী প্ৰায় ৫৮ টা ব্ৰীজৰ কাৰণে আমিফাইনেঞ্চলৈ পঠাইছো। তেওঁলোকৰো কিছুমান কথা জানিব লাগে। তেওঁলোকে জানিছে আৰু কৈছে যে টোটেল লিষ্টখন দিয়ক, আপোনালোকে কোনটো দিছে আৰু আমাৰ কোনটো দিব লাগে। আমি টোটেল লিষ্টখনো দিলো। সোনকালে তেওঁলোকে দি দিব। যিহেতু টে ণ্ডাৰ অলৰেডি আমি পাতিছো।, আগতেও আমাৰ ২০০ ব্ৰীজ দিয়াৰ কাৰণে ফাইনেঞ্চে আমাক এপ্ৰোভেল দিলে। খালী ওৱৰ্ক ৰ কাৰণে সেই লিষ্ট খন পঠাব লাগে, আমি পঠালো আৰু মই ভাবো সোন কালে ফাইনেঞ্চৰ ফালৰ পৰাও আহিব। মাননীয় মন্ত্ৰীও আছে। তেওঁ জানে গোটেইখিনি দিয়াৰ হকে তেওঁ গোটেইখিনি চেষ্টা কৰি আছে। এই ২০০ ব্ৰীজ। একেলগে আমি হাজাৰ ব্ৰীজ লব নোৱাৰিম। এই২০০ ব্ৰীজৰ ওপৰত আৰু ৪৬ খন ব্ৰীজ আপোনালোকে জানে আমি সিদিনাও কৈছো। মাননীয় অধ্যক্ষ মহোদয়, ৪৬ খন ব্ৰীজ আগতে চেংচন দিয়া হৈছিল। কিন্তু টকা পইচা নাছিল। তেতিয়া আমাৰ মাননীয় মুখ্যন্ত্ৰীয়ে আৰু ফাইনেঞ্চ

মিনিষ্টাৰে কৈছে যে, না, যি হেতু ৰাইজৰ হকে এই ব্ৰীজ বিলাক কৰিব লাগে। আগৰ চৰকাৰে এই নাবাৰ্ডৰ জৰিয়তে RIDF ২৩ ত তেওঁলোকে চেংচন দিছে। আমাৰ এতিয়া এই যে আগৰ ৩-৪ বছৰৰ আগৰ ওৱৰ্ক অৰ্ডাৰ দিয়া কিছু আছে। কিছু কাম ধৰিলে। বেছি ভাগ ঠাইত কাম হোৱা নাই। আজি ৫ বজাত আমি কণ্টেকটৰক মাতিছো, যে আপোনালোকে কওঁক। DPR ৰ বিলাক আগৰ বনোৱা DPR এতিয়া কব পাৰেএজন কনটেকটৰে, আপুনি কামটো আৰম্ভ কৰি দিয়ক, তেতিয়া কব পাৰে যে আগৰ ৰেটটো এতিয়া নহব। তেতিয়া তেওঁলোকৰ ফালৰ পৰা এটা আণ্ডাটেকিং লৈ কামটো আৰম্ভ হব। কিমান হ'ল ২৪৬। আৰু PMGSY ত আমাৰ ৭৫৫ খন ব্ৰীজ। এই ৮০০০ কি. মি. ৰ ভিতৰত আহি আছে। আহি আছে মানে আহি গ'ল। কিমান হ'ল, ১ বছৰৰ ভিতৰতে PMGSY লৈ এক হাজাৰ ক্ৰচ কৰিলে। হাজাৰ ক্ৰচেই কৰিব নেকি ? ৩ বছৰ বাকী আছে। কিন্তু আমি ব্ৰীজটো প্ৰায় ১ হাজাৰ কৰাৰ হকে কৰাৰ কাৰণে আমি আৰম্ভই কৰিলো। আপোনালোকে কব পাৰে যে SPT ব্ৰীজ। যে আপোনাৰ চৰকাৰে কৈছিল যে SPT ব্ৰীজ 1000 কনভাৰচেশ্যন কৰিব। এই যে ৭৫৫ PMGSY ৰ ব্ৰীজ আছে, ইয়াতে কোনো ঠাইত SPT আছে, বাহৰ আছে, কথাটো একেই হ'ল। যে আমি এক হাজাৰ ৫ বছৰত কৈছিলো। আমি এক হাজাৰ আৰম্ভ কৰিলো প্ৰায় কবলৈ হলে ১ বছৰৰ ভিতৰত। আজি ব্ৰীজৰ কথা যদি আপোনালোকে বিছাৰে তেনেহলে আপোনালোকে এই কথাটো বিচাৰ কৰক যি কথাটো আমি এই সদনত উত্থাপন কৰিছিলো, আমি অন্ততঃ এই কথাটো ৰাখাৰ কাৰণে, কাম কৰাৰ কাৰণে আমি আপ্ৰাণ চেষ্টা চলাই আছো। আৰু বহুতখিনি কথা আহিছে, আমি গোটেইখিনি কথাত নাযাওঁ। কাৰণ আমাৰ চাপ্লিমেন্টৰী ডিমাণ্ড, আমি যি হেডত আমি দিছিলো, আমি সেই বিলাকেই আলোচনা কৰিলো। আৰু যদি আপুনি কয় চাৰ আমি যি সকল আমাৰ বন্ধু সকলে বিভিন্ন ভাবে বিভিন্ন কথা কৈছে। মই একেলগতে আপোনাক কৈছো যে যি সকলে, পাৰটিকোলাৰ এটা, দুটা, চাৰিটা ৰাস্তাৰ কথা কৈছে। বিভিন্ন ঠাইত আমাৰ হাফিজ বছিৰ আহমেদ, চাৰে আৰম্ভ কৰিছিল। পাছত আমাৰ শ্ৰদ্ধাৰ ৰঞ্জিত দাসে,

**মাননীয় অধ্যক্ষ ঃ**-শুক্লবৈদ্য ডাঙৰীয়া, আমাৰ হাতত ৫ মিনিটহে সময় আছে। যদি আপুনি কনক্লোড কৰিব পাৰে।

**শ্ৰী পৰিমল শুক্লবৈদ্য, মন্ত্ৰী ঃ**- আমি কনক্লোড কৰি লম। গোটেইখিনি কথাৰ ভিতৰত, আমাৰ চাৰ্ভেৰ কথা কৈছে, হয় চাৰ্ভেটো হয় PMGSY ত আপোনালোকে জানে, নাৰায়ণ দা ই খুব ভাল পৰামৰ্শ দিলে। চাহাবুদ্দিন চাহাবে কৈছে লাষ্ট এটা কথা যে আমাৰ কমলাক্ষ দে পুৰকায়স্থ ডাঙৰীয়াই এটা পৰামৰ্শ মোক দিলে। এতিয়া, কথাটো হয় সচাঁ ষ্টেট কৰিড'ৰ ষ্টেট কৰিড'ৰত, এইটোও জানে আপোনালোকে, আমাৰ প্ৰাক্তন প্ৰধান মন্ত্ৰী অটল বিহাৰী বাজপেয়ীৰ সপোন আছিল, আৰু ষ্টেট কৰিড'ৰটো, ৰাস্তা আৰম্ভ হৈছে। কিন্তু মই নাজানো, কি কাৰণত আগতে পেলাই ৰখা হ'ল ? এই ৰাস্তাটো ইমান বিধস্ত অৱস্থাত আছিল। আগতে কোৱা হৈছিল যে আমাৰ ফৰেষ্টৰ কিবা ক্লিয়েৰেঞ্চৰ কথা আছে, আমাৰ চৰকাৰ অহাৰ পাছতে, আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ নেতৃত্বত গোটেইখিনি সমস্যা দূৰ কৰিবলৈ চেষ্টা কৰিছে। আগতে ১৬ বছৰমান সমস্যাই সমস্যা। এতিয়া আমাৰ চৰকাৰ অহাৰ পাছতে, within a year ত গোটেই সমস্যা শেষ হৈ গ'ল। কেনেকৈ হ'ল এইটো আপোনালোকে গম পাই। নহয় এইটোৰ কাৰণে প্ৰয়াস চলিছিল এতিয়া যে হব এইটোৰ কাৰণে প্ৰয়াস চলিছে। আপোনাক জনাবলৈ পাই সুখী হম যে এই ডেৰ বছৰৰ ভিতৰত ফৰেষ্টৰ ক্লিয়েৰেঞ্চটো, যিটো আগতে কোৱা হৈছিল, আপুনিও জানে, প্ৰত্যেকেই। ডাঙৰ ডাঙৰ কৰি আহিছিল, এনভাইৰ'লমেন্ট

ক্লিয়েৰেঞ্চ কিবা কিবি গোটেইইখনি শেষ হৈছে, টেণ্ডাৰ হৈছে ৮২০ কোটি টকাৰ টেণ্ডাৰ হৈছে। ইয়াতে চচী ইনফাৰষ্টাকচাৰ এটা প্রতিষ্ঠানে ঠিকাও পাইছে। তেওঁলোকে মেচিনাৰী মবিলাইজ কৰিছে কিছুমান। মই ভাবো, মেচিনাৰী যিহেতু মবিলাইজ কৰিছে অলপ সোনকালে তেওঁলোকে অন্ততঃ ৰাস্তাটো ৰেষ্টোৰ কৰাৰ কাৰণে আমাৰ চৰকাৰৰ ফালৰ পৰা চেষ্টা অব্যাহত আছে। আমি ক্রমাগত যোগাযোগ ৰাখিছো। এই ৰাস্তাটোয়ে খুব সোনকালে এটা সুন্দৰ ৰূপ পাব।

আৰু চাৰ মই আৰু দীঘলীয়া নকৰো যিহেতু আপুনিও কৈছে। মই এটা অনুৰোধ জনাম যে হয়, চেষ্টা আমি কৰি আছো। গোটেইখিনি কাম যাতে ৰাইজৰ হকে হয় বি ৰোধী পক্ষৰ বন্ধু সকলে, হয় কোৰাৰ এটা সুবিধা পাব লাগে, আৰু এই সুবিধাৰ কাৰণে কাটমোচনত অংশগ্ৰহণ কৰিছে। মই তেওঁলোকক অনুৰোধ কৰিম। এই যে আমি যি টকাতো আমি বিচাৰিছো, টকা বিলাক খুব প্রয়োজনীয় টকা। একেবাৰে মিনিমাম টকা কেই কোটি মান আৰু বাকীটোত মই কলো যে এই বিলাক চেণ্টেল গভমেণ্টে দিব লাগে টকা। তেওঁলোকৰ কাৰণে আমাৰ এটা প্রভিজন ৰাখিব লাগিছিল। চাপ্লিমেন্টৰি ডিমাণ্ডত। আমি ৰাখিলো. আপোনালোকে আপোনালোকৰ কাটমোশ্যনটো উঠাই আমাক সেই সুবিধা দিয়ে যেন।

**মাননীয় অধ্যক্ষ ঃ**- ধন্যবাদ।

**শ্রী মামুন ইমদাদুল হক চৌধুৰী, সদস্য ঃ**- এক মিনিট এক মিনিট

**মাননীয় অধ্যক্ষ ঃ**-অকনমান ৰব। এক মিনিট ৰব। মই আপোনাক দিম বুলি কলো নহয়। প্রথমে মই এই গ্ৰাণ্ট টো শেষ কৰি লব খুজিছো। মই কমলাক্ষ্য দে পুৰকায়স্থ, আপোনালোকে প্রত্যাহাৰ কৰিবনে ?

**শ্রীকমলাক্ষ দে পুৰকায়স্থ ,কৰিমগঞ্জ উত্তৰঃ**- মন্ত্রী মহোদয়ৰ উত্তৰত উইদ্ৰটো কৰিবই লাগিব যি হেতুকে তেওঁ ভাল উত্তৰ দিছে। মোৰ দুটা কথা আছিল অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ**-সময়টো চাব নহলে মই গিলেটিনত দিব লাগিব। মন্ত্ৰীৰ উত্তৰটো নাপাব নহলে।

**শ্রীকমলাক্ষ্য দে পুৰকায়স্থ ,সদস্যঃ**-দুই মিনিট মাননীয় অধ্যক্ষ মহোদয় ।মাননীয় অধ্যক্ষ মহোদয়, একটি ব্যাপার হচ্ছে, পুৰ্বমন্ত্রী যে কথাটা বললেন, বিজেপির প্রধানমন্ত্রী অটল বিহারী বাজপেয়ী, সেটাতে আমি দ্বিমত প্রকাশ করছি। প্রধানমন্ত্রী ভারতীয় জনতা পার্টির হয় না, উনি ভারতের প্রধানমন্ত্রী ছিলেন। রেকর্ড থেকে যাতে সেটা বাতিল করা হয়।

দুই নম্বর কথা হচ্ছে মাননীয় অধ্যক্ষ মহোদয়, এমন একটা পরিবেশ গড়ে তোলা হচ্ছে যে এই দু-বছরে ডেভেলপমেন্ট হয়েছে, এর আগে কোনও ডেভেলপমেন্ট হয়নি।

**মাননীয় অধ্যক্ষ ঃ**-এই খিনি নালাগে , এইখিনি নাহে এইখিনি কথা এতিয়া দিবেটলৈ নাযায়। আপোনালোকে যদি সংশোধনি প্রস্তাবটো যদি প্রত্যাহাৰ কৰিব বিচৰা নাই, সেই কাৰণে আপুনি কব পাৰে । টাইমটো নাই তেনেকুৰা নকৰিব। আপোনালোকে প্রত্যাহাৰ নকৰো বুলি কলেই হ'ল যদি আপোনালোক সন্তুষ্ট হোৰা নাই মোৰ তাত আপত্তি নাই।

**শ্রীকমলাক্ষ দে পুৰকায়স্থ ,সদস্যঃ**-সন্তুষ্ট হৈছো বুলি কৈছো, প্রত্যাহাৰ কৰিম, তথাপি আমাৰ কথাখিনি কব লাগিব অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ**-প্লিজ, প্লিজ মোক আপোনালোকে, আইনটো মই অকনমান জানো। সেই কাৰণে মই কব খোজা নাই। দুটা বজাত নহলে মই গিলেটিনত দিব লাগিব। মই একো কব নোৱাৰিম। সেই কাৰণে কৈছো।

**শ্রী কমলাক্ষ্য দে পুৰকায়স্থ ঃ** ঠিকে আছে , যিহেতু আপুনি কৈছে চাৰ ,আমি মন্ত্রী ডাঙৰীয়াৰ

উত্তৰত সন্তুষ্ট হৈ কৰ্তন প্ৰস্তাৱটো withdraw কৰিলো ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ ।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী ,সদস্য ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিহেতু মাননীয় মন্ত্ৰী ডাঙৰীয়াই দায়িত্ব সহকাৰে কথাখিনি কৈছে গুৰুত্বসহকাৰে শুনিছো ।কথা আৰু কামৰ যাতে মিল থাকে তাৰ আশা কৰি আমাৰ কৰ্তন প্ৰস্তাৱটো প্ৰত্যাহাৰ কৰিলো ।

মাননীয় অধ্যক্ষঃ এতিয়া সকলোকে ধন্যবাদ জনাই মই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিলো । ২০১৮ চনৰ ৩১ মাৰ্চত বছৰটোৰ শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত পথ আৰু দলং সম্পৰ্কত কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত বিভাগীয় মন্ত্ৰীক অতিৰিক্ত এশ ঊনানবৈ কোটি নিৰানবৈ লাখ নিৰানবৈ হাজাৰ টকা মঞ্জুৰ কৰিব লাগে ।যি সকল প্ৰস্তাৱটোৰ সপক্ষে আছে, তেওঁলোকে কওঁক হয়, যি সকল বিপক্ষে আছে তেওঁলোকে কওঁক নহয় ।মই ভাবো হয়ৰ সপক্ষে,হয়ৰ সপক্ষে, হয়ৰ সপক্ষে প্ৰস্তাৱটো গৃহীত হৈছে ।৬৪নং প্ৰস্তাৱটো গৃহীত হৈছে বুলি ঘোষণা কৰিছো ।

**মাননীয় অধ্যক্ষ ঃ** আপুনি কিবা ক'ব খুজিছিলে, কওক ।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল,সদস্য ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া,মন্ত্ৰী মহোদয়ে তেখেতৰ বক্তব্যত মোৰ উদ্ধৃতিৰে এটা কথা কৈছিল ,যোৱাকালি মোৰ বক্তব্যত মই যিমানখিনি মনত আছে যে কোনো কাম বেয়া হৈছে বুলি এনেধৰণৰ কথা কোৱা নাই ।

**মাননীয় অধ্যক্ষঃ** মই আপোনাৰ লগত কথা পাতিম ।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল,সদস্য ঃ** এই বিষয়টো যিহেতু ৰেকৰ্ডত থাকি যাব।

**মাননীয় অধ্যক্ষঃ** বিষয়টো মই চাই দিম,ৰেকৰ্ড চাই দিম ।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল,সদস্যঃ** মন্ত্ৰী মহোদয়ক যদি কোনোবাই এই কথাটো ভুলকৈ ৰিপৰ্ট দিছে?

**মাননীয় অধ্যক্ষঃ** মই আপোনাক আশ্বাস দিছো, আপুনি নিশ্চিত থাকক ।

**শ্ৰী আব্দুল ৰছিদ মণ্ডল,সদস্য ঃ** মই এটা কথা কৈছিলো কোনো মন্ত্ৰীৰ পি এ, ই মন্ত্ৰীৰ অজ্ঞাতে বিভাগৰ বিষয়াক ধমকি দিয়াৰ কাৰণে ঠিকাদাৰ সকলে ভয়তে কাম নকৰে, এইখিনি কোৱা হৈছে।

**মাননীয় অধ্যক্ষঃ** ঠিকে আছে ।

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** এটা প্ৰসংগত মই আপোনাৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। যোৱা ১২ তাৰিখৰ দিনা সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে এটা বিবৃতিত কৈছে, মন্ত্ৰী সভাৰ কোনো সদস্যকে জেৰা কৰা হোৱা নাই ।আজিৰ পেপাৰসমূহত এটা বাতৰি ওলাইছে যে এজন মন্ত্ৰীক জেৰা কৰা হৈছে ।

**মাননীয় অধ্যক্ষ ঃ** প্লিজ, এইটো আজিৰ কথা নহয় (সদনত হুলস্থুল)। আপোনালোকে কাইলৈ আনিব এইটো ৰেকৰ্ডত নাযায়। (সদনত হুলস্থুল)। You must go by Rules. এতিয়া বিয়লি ২ বাজিল ।সেইকাৰণে মই বাকী থকা সকলো কৰ্তন প্ৰস্তাৱ গিলেটিনত দিছো ।এতিয়া মই বাকী থকাপৰিপূৰক দাবীমঞ্জুৰীৰ নং - ১, ৩ , ৪, ৫, ৯, ১০, ১১, ১২, ১৩, ১৪, ১৫, ১৭, ১৯, ২০, ২১, ২২, ২৫, ২৬, ২৭, ২৯, ৩০, ৩১, ৩৩, ৩৫, ৩৬, ৩৭, ৩৮, ৩৯, ৪২, ৪৩, ৪৪, ৪৫, ৪৭, ৪৮, ৪৯, ৫১, ৫২, ৫৪, ৫৫, ৫৬, ৫৭, ৫৮,৫৯, ৬০, ৬৫, ৬৬, ৬৭, ৭০, ৭১, ৭৩, ৭৪, ৭৬, ৭৭, আৰু ৭৮ সদনত অনুমোদনৰ বাবে আগবঢ়ালো ।যি সকল প্ৰস্তাৱটোৰ সপক্ষে

আছে ,তেখেতসকলে কওঁক “হয়” আৰু যিসকল প্ৰস্তাৱটোৰ বিপক্ষে আছে তেওঁলোকে কওঁক “নহয়”। মই ভাবো “হয়”ৰ সপক্ষে ,“হয়”ৰ সপক্ষে, “হয়”ৰ সপক্ষে ।

এতিয়া ওপৰত উল্লেখ কৰা আটাইকেইটা মঞ্জুৰী গৃহীত হোৱা বুলি ঘোষণা কৰিছো ।

এতিয়া কাৰ্যসূচী নং ৩ (ক)- “অসম বিনিয়োজন ( নং ১) বিধেয়ক,২০১৮” খনৰ কপি সদনত বিতৰণ কৰিবলৈ মই অনুৰোধ কৰিছো। ( বিধেয়ক খন সদনৰ মাননীয় সদস্য -সদস্যা সকলৰ মাজত বিতৰণ কৰে)।

এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়ক খন সদনত উত্থাপনৰ বাবে অনুমতি বিচাৰিব।

**ডাঃ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী, বিত্ত, স্বাস্থ্য ইত্যাদিঃ** Respected Speaker Sir, I beg to lay and introduce the Assam Appropriation Bill (No.1), 2018.

মাননীয় অধ্যক্ষ ঃ বিলখন উত্থাপন কৰিবলৈ অনুমতি দিয়া হৈছে। এতিয়া ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত উত্থাপন কৰিবৰ বাবে অসমৰ ৰাজ্যপালে ২০১৮ চনৰ ১৭ ফেব্ৰুৱাৰী তাৰিখে এটা বাণী পঠিয়াইছে । মই বাণীটো পঢ়ি দিছো -

Under the provision of Article 207sub-clause (1) of the Constitution of India I ,prof. Jagdish Mukhi, Governor of Assam , recommend the introduction of the Assam Appropriation (N0.1) Bill, 2018 in the Assam Legislative Assembly. এতিয়া মাননীয় বিত্তমন্ত্ৰী য়ে বিধেয়কখন সদনত উৎথাপন কৰিব ।

**ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী (বিত্ত) ঃ** Respected Speaker Sir, I beg to move that “ The Assam Appropriation (No.1) Bill, 2018” be taken into consideration.

**মাননীয় অধ্যক্ষ ঃ** এতিয়া অসম বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোণামা পঢ়ি দিব ।

**প্ৰধান সচিব ঃ** বিধেয়কখনৰ শিৰোণামাটো হ’ল - “ The Assam Appropriation (No.1) Bill, 2018” .

মাননীয় অধ্যক্ষ ঃ ৰাজভৱনৰ পৰা বিনিয়োজন বিধেয়কখন সদনত বিবেচনাৰ বাবে উত্থাপন কৰিবলৈ অসমৰ ৰাজ্যপাল মহোদয়ে,সেই একেই তাৰিখতে আৰু এটা বাণী দিছে মই সেইটো পঢ়ি দিছো । Bill “ Under the provision of Article 207Sub-Clause (No.3) of the Constitution of India, I prof. Jagdish Mukhi, Governor of Assam, recommend that the “ The Assam Appropriation (No.1) Bill, 2018” be taken into consideration by the Assam Legislative Assembly এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়কখন বিবেচনাৰ বাবে সদনত প্ৰস্তা ৱ উত্থাপন কৰিব ।

ড° হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী (বিত্ত) ঃ Hon’ble Speaker Sir, I beg to move that ‘The Assam Appropriation (No.1) Bill, 2018” be taken into consideration clause by clause.

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো সদনত উত্থাপন কৰিছো । অসম বিনিয়োজন নং-(১) বিধেয়ক,২০১৮ বিবেচনাৰ বাবে লোৱা হওঁক । যিসকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওঁক ‘ হয়’ আৰু যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’ । মই ভাবো “হয়”ৰ সপক্ষে ,“হয়”ৰ

সপক্ষে, ‘‘হয়’’ৰ সপক্ষে । প্ৰস্তাৱটো গৃহীত হৈছে ।

এতিয়া মই বিধেয়কখনৰ ২ নম্বৰ, ৩ নম্বৰ দফাৰ লগত অনুসুচী খন সদনত ডাঙি ধৰিছো। প্ৰশ্নটো হৈছে, বিধেয়কখনৰ ২ নম্বৰ, ৩ নম্বৰ দফাৰ লগত অনুসুচী খন বিধেয়কৰ অংশ হব। যিসকল ইয়াৰ সপক্ষে আছে কওঁক ‘ হয়’ আৰু যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’ । মই ভাবো ‘‘হয়’’ৰ সপক্ষে ,‘‘হয়’’ৰ সপক্ষে, ‘‘হয়’’ৰ সপক্ষে। প্ৰস্তাৱটো গৃহীত হৈছে । বিধেয়কখনৰ ২ নম্বৰ, ৩ নম্বৰ দফাৰ লগত অনুসুচী খন বিধেয়কৰ অংশ হ’ল। এতিয়া মই বিধেয়ক খনৰ ১ নম্বৰ দফাৰ, সংক্ষিপ্ত নাম সদনত উত্থাপন কৰিছো। প্ৰশ্নটো হৈছে বিধেয়ক খনৰ ১ নম্বৰ দফা সংক্ষিপ্ত নাম, বিধেয়কৰ অংশ হব। যিসকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওঁক ‘ হয়’ আৰু যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’ । মই ভাবো ‘‘হয়’’ৰ সপক্ষে ,‘‘হয়’’ৰ সপক্ষে, ‘‘হয়’’ৰ সপক্ষে বিধেয়ক খনৰ ১ নম্বৰ দফা, সংক্ষিপ্ত নাম বিধেয়ক খন অংশ হল । এতিয়া মাননীয় বিত্ত মন্ত্ৰীয়ে বিধেয়ক খন পাৰিত কৰাৰ বাবে প্ৰস্তাৱ উত্থাপন কৰিব।

**ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী (বিত্ত) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই বিধেয়ক খন পাৰিত কৰাৰ প্ৰাক মুহূৰ্তত মই সদনত সৰু স্পষ্টীকৰণ এটা দিব বিচাৰিছো । যোৱা সপ্তাহত সদনত যেতিয়া মই অনুপস্থিত আছিলো, এই বিত্তীয় বৰ্ষৰ ব্যয়ৰ ওপৰত সৰু এটা বিতৰ্ক হৈছিল। মই পবিত্ৰ সদনক এইটো কথা জনাব বিচাৰিছো যে- ২০১৫-১৬ চনৰ ৩১ জানুৱাৰী পৰ্য্যন্ত অসমত **চৰকাৰী ব্যয় হৈছিল ৩১,৬০৩ কোটি টকা।** যোৱা বছৰ জানুৱাৰী পৰ্য্যন্ত অসমত চৰকাৰী ধনৰ ব্যয় হৈছিল ৩৯,৪২৮ কোটি টকা আৰু আজি এইবছৰ জানুৱাৰী পৰ্য্যন্ত ব্যয় হৈছে ৪২.৯৩৪কোটি টকা, অৰ্থাৎ ব্যয়ৰ পৰিমাণ বাঢ়িছে। ৩১ মাৰ্চলৈকে আমি যোৱা বছৰতকৈয়ো অধিক টকা খৰছ কৰিব পাৰিম বুলি আমি বিশ্বাস ৰাখিছো। যিহেতু মই হাউচত নাথাকোতে এই কথাটো ওলাইছিল, সেইকাৰণে মই ৰেকৰ্ডত কথা খিনি থৈ দিলো।

অধ্যক্ষ মহোদয়, Now, I beg to move that “The Assam Appropriation (No.1) Bill, 2018” be passed.

**মাননীয় অধ্যক্ষ ঃ** মই এতিয়া প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত ডাঙি ধৰিছো । প্ৰস্তাৱটো হৈছে, ‘‘অসম বিনিয়োজন ( নং ১) বিধেয়ক,২০১৮’’ খন পাৰিত কৰা হওঁক । যিসকল মাননীয় সদস্য-সদস্যা ইয়াৰ সপক্ষে আছে কওঁক ‘ হয়’ আৰু যিসকল বিপক্ষে আছে, কওঁক ‘নহয়’ । মই ভাবো ‘‘হয়’’ৰ সপক্ষে ,‘‘হয়’’ৰ সপক্ষে, ‘‘হয়’’ৰ সপক্ষে। প্ৰস্তাৱটো পাৰিত কৰা হৈছে, বিধেয়ক খনো পাৰিত কৰা হল।

**মই এতিয়া সদন কাইলৈ পুৱা ৯-৩০ বজালৈ স্থগিত ৰাখিলো।**